
সৌৰভ কুমাৰ চলিহা



# চলিহাৰ চিঠি আৰু অন্যান্য ৰচনা

# চলিহাৰ চিঠি আৰু অন্যান্য ৰচনা

# চলিহাৰ চিঠি আৰু অন্যান্য ৰচনা

## সৌৰভ কুমাৰ চলিহাৰ অপ্ৰকাশিত আৰু অসংকলিত চিঠি, ৰচনা

সৌৰভ কুমাৰ চলিহা অনুৰাগী সমাজ

সৌৰভ কুমাৰ চলিহা অনুৰাগী সমাজ
শ্বহীদ পথ, বেলতলা, গুৱাহাটী- ২৮
www.sauravkumarchaliha.in
ফোন ঃ ৯৮৫৪২৭১৫৮৫

১ জানুৱাৰী, ২০১৮

© ঃ বন্দনা মেধি

প্ৰচ্ছদ ঃ ননি

মূল্য ঃ ৭০.০০ টকা

মুদ্ৰণ ঃ
পাঞ্চজন্য প্ৰিন্টিং এণ্ড পাব্লিচিং
পাণবজাৰ, গুৱাহাটী-০১

# সূচী


- সম্পাদকীয়ৰ পৰিৱৰ্তে ৭
- স্বাধীন অসম 'ইউট'পীয়া' নহয় ১৩
- আমি স্বাধীন অসমৰ প্ৰয়াসী ২৬
- বন্দুকতকৈ বাণিজ্য ডাঙৰ অস্ত্ৰ ৩৩
- আকৌ অসম বন্ধ ! ৩৭
- শ্ল'গানেৰে বিদেশী বহিষ্কৃত নহয় ৪৪
- নিঃশব্দ অভিযান ৫৭
- নিষ্প্ৰদীপ নকৰিবলৈ গোহাৰি ৬১
- থামক ! ৬৪

# সম্পাদকীয়ৰ পৰিৱৰ্তে

২০১০ চনত যেতিয়া 'সৌৰভ কুমাৰ চলিহা অনুৰাগী সমাজ' (Saurav Kumar Chaliha Fan Society) গঠন হৈছিল, তাৰ আঁৰৰ মূল মানুহজন আছিল চিত্ৰ নিৰ্মাতা, সৌৰভ কুমাৰ চলিহাৰ এজন একনিষ্ঠ অনুৰাগী আলটাফ মজিদ। (দুখৰ বিষয় তেখেত আমাৰ মাজত আজি নাই।) প্ৰয়াত মজিদ ডাঙৰীয়াই সৌৰভ কুমাৰ চলিহাক অনুৰাগী সমাজ গঠনৰ পৰিকল্পনাৰ বিষয়ে যেতিয়া অৱগত কৰিছিল, প্ৰথমে তেখেতে স্বাভাৱিকতে আপত্তি কৰিছিল— তেখেতে স্বভাৱসুলভ কথনভংগীৰে কৈছিল, "এহ, কিনো হ'ব এইবোৰ কৰি।" পিছলৈ অৱশ্যে তেখেত মান্তি হৈছিল আৰু অনুৰাগী সমাজে আয়োজন কৰা কেতবোৰ অনুষ্ঠানৰ অংশীদাৰো হৈছিল।

সৌৰভ কুমাৰ চলিহাৰ চৰ্চা— তেখেতৰ সৃষ্টিৰাজিৰ মূল্যায়ন, প্ৰসাৰ, প্ৰচাৰ আৰু সংৰক্ষণ— এই উদ্দেশ্য আগত ৰাখিয়ে অনুৰাগী সমাজৰ জন্ম দিয়া হৈছিল। লগতে আমি মনত ৰাখিছিলোঁ এনেধৰণে কাম-কাজৰ মাজেৰে যাতে জনজীৱনৰপৰা স্বনিৰ্বাসিত হৈ থকা এই বিস্ময়কৰ প্ৰতিভাৱান লেখকজনক কিঞ্চিৎ হ'লেও আনন্দ দিব পৰা যায়।

এই উদ্দেশ্যৰ অংশ হিচাপে তেখেতৰ গল্পবোৰ ইংৰাজীৰ লগতে

অন্যান্য ভাষাৰ পাঠকৰ আগত তুলি ধৰাৰ প্ৰয়াসেৰে সেইবোৰ অনুবাদৰ কথা ভবা হৈছিল। (প্ৰথমে তেওঁৰ কিছুসংখ্যক গল্প ইংৰাজী, বাংলা আৰু হিন্দীলৈ অনুবাদৰ কাম আৰম্ভ কৰা হৈছিল।) সৌৰভ কুমাৰ চলিহাৰ অনুৰাগীসকলক এখন মঞ্চত সমবেত কৰোৱাৰ লগতে তেখেতৰ সৃষ্টিৰাজিৰ বিষয়ে চৰ্চা কৰাৰ ব্যৱস্থা কৰাও অনুৰাগী সমাজৰ অন্য এক উদ্দেশ্য আছিল।

অনুৰাগী সমাজৰ জন্মৰ সময়ত সৌৰভ কুমাৰ চলিহা বেলতলাৰ বাসগৃহত আছিল। তেখেতৰ ঘৰৰ কাষতে অনুৰাগী সমাজৰ এটি সৰু কাৰ্যালয় আছিল আৰু একাংশ অনুৰাগী প্ৰায়ে তাত লগ লাগিছিল। মাজে মাজে তেখেতো তালৈ আহি আড্ডা দিছিল; নানা বিষয় লৈ কথা পাতিছিল।

ইয়াৰ মাজতেই তেওঁৰ গল্পৰ অনুবাদৰ কাম আৰম্ভ হৈছিল। কেইগৰাকীও সুদক্ষ অনুবাদক, যিসকল একো একোগৰাকী সৌৰভ কুমাৰ চলিহাৰ লেখাৰ নিষ্ঠাবান পাঠক, কিছু নিৰ্বাচিত গল্প অনুবাদ কৰিবলৈ আগ্ৰহেৰে আগবাঢ়ি আহিছিল। প্ৰথমে লেখক-অনুবাদক দেবাশিস তৰফদাৰ আৰু 'ফ্ৰেণ্টিয়েৰ' (হিন্দী) কাকতৰ সম্পাদক দিনকৰ কুমাৰে ক্ৰমে বাংলা আৰু হিন্দীলৈ অনুবাদৰ কাম আৰম্ভ কৰিছিল। অনুবাদৰ ক্ষেত্ৰত আমাৰ আটাইতকৈ ডাঙৰ সুবিধাটো আছিল অনূদিত গল্পসমূহৰ প্ৰকাশৰ পূৰ্বে অনুবাদ সম্পৰ্কে তেওঁৰ সৈতে আলোচনা কৰাৰ সুযোগ পোৱাটো। অনূদিত গল্পবোৰ প্ৰকাশৰ পূৰ্বে তেওঁ গভীৰ মনোযোগেৰে পঢ়িছিল আৰু প্ৰয়োজনমতে সংশোধন, সংযোজন কৰিবলৈ পৰামৰ্শ দিছিল। আমি অনুভৱ কৰিছিলোঁ গল্পবোৰ পঢ়াৰ সময়ত যেন তেখেত তৰুণ অৱস্থালৈ উভতি গৈছিল। কি পৰিস্থিতিত সেই গল্পবোৰ লিখিছিল, কেনেদৰে লিখাৰ তাগিদা আহিছিল, সেই বিষয়ে আমাৰ আগত স্বতঃস্ফূৰ্তভাৱে কৈ গৈছিল। সেই দিনবোৰ আমাৰ কাৰণে সদায় স্মৰণীয় হৈ থাকিব, কাৰণ তেখেতৰ সান্নিধ্য পোৱাসকলে জানে এনে ধৰণৰ কথা তেওঁ কাচিৎহে পাতে। তেওঁৰ আন্তৰিক অংশগ্ৰহণে আমাক কাম-কাজবোৰ আগবঢ়াই নিবলৈ

উৎসাহ দিছিল।

২০১০ চনৰ শেষৰফালে অনুৰাগী সমাজৰ তৰফৰপৰা প্ৰস্তুত কৰা ৱেবছাইটটো (www.sauravkumarchaliha.in) সাজু হৈ উঠিছিল। তাত তেখেতৰ ১৬ টা অনূদিত ইংৰাজী গল্পৰ লগতে মূল অসমীয়া গল্পকেইটা তুলি দিয়া হৈছিল। ৱেবছাইটটোত দিয়াৰ কাৰণে আমি ‘সৌৰভ চলিহাৰ বিষয়ে সৌৰভ চলিহা’ নামৰ ৰচনাখন ইংৰাজীলৈ অনুবাদ কৰি দিবলৈ অনুৰোধ জনাইছিলোঁ। তেখেতৰ তাৎক্ষণিক প্ৰতিক্ৰিয়া আছিল “নাই, কৰিব পৰা নাযাব”। কিন্তু আমাক আচৰিত কৰি এদিন ফোন কৰি ঘৰলৈ মাতিলে আৰু অনূদিত ৰচনাখন আগবঢ়াই দিলে, ক’লে— “ঠিক কৰি ল’বা”। তেখেতৰ এনে প্ৰশ্ৰয়ত স্বাভাৱিকতে আমি দুগুণে উৎসাহিত হৈছিলো। আমি এটা আৰ্হি চহী দিবলৈ কৈছিলোঁ যাতে ৰচনাখনৰ সৈতে সেই চহীটোও ৱেবছাইটত দিব পৰা যায়। তেখেত বিনাদ্বিধাই সন্মত হৈছিল।

ইতিমধ্যে অনুৰাগী সমাজৰ তৰফৰপৰা ইংৰাজী নৱবৰ্ষৰ প্ৰথম দিনটো সৌৰভ কুমাৰ চলিহাৰ নামত উদ্‌যাপন কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। অৱশ্যে নামটো পোনপটীয়াকৈ উল্লেখ কৰাৰপৰা বিৰত থাকি ১ জানুৱাৰীৰ অনুষ্ঠানটিৰ নাম দিয়া হৈছিল ‘এটা ভাল খবৰ’। (এইবেলিৰপৰা অনুষ্ঠানটো ‘ভাল খবৰৰ দিন’ হিচাপে অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে।) উজান বজাৰৰ বিবেকানন্দ কেন্দ্ৰত অনুষ্ঠিত এই অনুষ্ঠানতেই ৱেবছাইটটো মুকলি কৰা হৈছিল। অনুষ্ঠানটোৰ প্ৰতি অনুৰাগীসকলৰ সঁহাৰি আছিল অভূতপূৰ্ব। গুৱাহাটীৰ লগতে ৰাজ্যৰ চুক-কোণৰ অলেখ অনুৰাগীয়ে অনুষ্ঠানটোত অংশগ্ৰহণ কৰিছিল। আনকি প্ৰৱাসত থকা অনুৰাগীসকলেও অনুষ্ঠানটোৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰিছিল আৰু শুভকামনা যাচিছিল। তেখেতক লৈ অলেখ পৰিকল্পনা আমাৰ মনলৈ আহিছিল। কিন্তু সম্পূৰ্ণ অপ্ৰত্যাশিতভাৱে ২০১১ চনৰ ২৫ জুনত, অৰ্থাৎ ‘সৌৰভ কুমাৰ চলিহা’ অৰ্থাৎ অন্তৰালৰ ব্যক্তিজন, অৰ্থাৎ সুৰেন্দ্ৰ নাথ

মেধি কায়িকভাৱে আমাৰ মাজৰপৰা চিৰকালৰ বাবে আঁতৰি গ'লগৈ।

অৱশ্যে সৌৰভ কুমাৰ চলিহাৰ কেতিয়াও মৃত্যু হ'ব নোৱাৰে। অননুকৰণীয় সৃষ্টিৰাজিয়ে এই বিৰল, বিস্ময়কৰ গল্প-প্রতিভাগৰাকী অনুৰাগীৰ মাজত জীয়াই ৰাখিব চিৰনতুন ৰূপত।

নানা কাৰণত অনুৰাগী সমাজৰ কাম-কাজৰ মাজতে কিছুদিনৰ কাৰণে যতি পৰিছিল। আলটাফ মজিদৰ অকাল বিয়োগ, অনুৰাগী সমাজৰ সক্রিয় সদস্য নজৰুল হক চাকৰিসূত্রে অসমৰ বাহিৰত থাকিবলগীয়া হোৱা আদি কিছু কাৰণত অনুৰাগী সমাজৰ কাম-কাজ প্রায় স্তব্ধ হৈ পৰিছিল।

তেখেতৰ মৃত্যুৰ পিছত দুই-এটা বিক্ষিপ্ত কার্যসূচী বাদ দি আমাৰ ভাষাৰ অন্যতম শ্রেষ্ঠ কথাশিল্পীগৰাকীক লৈ বিশেষ অনুষ্ঠান অনুষ্ঠিত হোৱা দেখা নগ'ল। এনে প্রেক্ষাপটতে অনুৰাগী সমাজক পুনৰুজ্জীৱিত কৰাৰ প্রয়াসেৰে মুষ্টিমেয় কেইগৰাকী অনুৰাগী আগবাঢ়ি আহিল। ২০১৫ চনৰ শেষৰফালে কেইগৰাকীমান অনুৰাগী— সুখ্যাত লেখক দেৱব্রত দাস, কবি কুশল দত্ত, পৰিৱেশ সাংবাদিক মুবিনা আখতাৰ, চলচ্চিত্র সমালোচক ননী টেৰণ, সাংবাদিক মহেশ ডেকা, তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক পৰশমণি দত্ত, গল্পকাৰ ভাস্কৰ ঠাকুৰীয়া, বোধিসত্ত্ব শর্মা আদিৰ উদ্যোগত গুৱাহাটী গ্রন্থমেলাত ২ জানুৱাৰীত 'সৌৰভ কুমাৰ চলিহাৰ সৈতে এসন্ধ্যা' নামেৰে এটি অনুষ্ঠান আয়োজন কৰা হয়। অনুষ্ঠানত 'নতুন প্রজন্মৰ দৃষ্টিত সৌৰভ কুমাৰ চলিহা' শীর্ষক আলোচনাৰ লগতে 'প্রফাইল অব্ এ টাইম কেপচাৰাৰ' নামৰ ননিয়ে নির্মাণ কৰা তথ্যচিত্রখন প্রদর্শন কৰা হয়। খুব কম সময়ৰ ভিতৰতে অনুষ্ঠানটো আয়োজন কৰিবলগীয়া হোৱাত সকলোবোৰ অনুৰাগীক ইয়াত জড়িত কৰিব পৰা নগ'ল। সি যি নহওক, ইয়াৰ কেইমাহমান পিছতে আমাৰ হাতত আহি পৰিল তেখেতৰ কিছু অপ্রকাশিত চিঠি-পত্র আৰু ৰচনা। বিভিন্নজনৰ পৰামর্শমতে ইয়াৰ মাজৰপৰা নির্বাচিত কিছু লেখা সংকলন আকাৰে

প্ৰকাশ কৰাৰ কথা ভবা হ'ল। তেখেতৰ ইংৰাজী লিখা কিছুমানো আমাৰ হাতত আছে, সেইসমূহো পৰৱৰ্তী সময়ত গ্ৰন্থ আকাৰে প্ৰকাশ কৰাৰ পৰিকল্পনা অনুৰাগী সমাজৰ আছে।

প্ৰসংগক্ৰমে, অনুৰাগী সমাজৰ কোনো আনুষ্ঠানিক পৰিচালনা সমিতি নাছিল যদিও শেহতীয়াভাৱে যোৱা ১৯ নৱেম্বৰত অনুষ্ঠিত সাধাৰণ সভাৰ সিদ্ধান্তমৰ্মে অনুৰাগী সমাজৰ এখন আনুষ্ঠানিক সমিতি গঠন কৰা হৈছে।

ভালেকেইগৰাকী সুখ্যাত লেখক-সমালোচক, কবি-গল্পকাৰ প্ৰত্যক্ষভাৱে সম্প্ৰতি সমিতিৰ লগত জড়িত হৈছে। এইখিনিতে উল্লেখ কৰা উচিত হ'ব যে সৌৰভ কুমাৰ চলিহাক ভালপোৱা, সৃষ্টিক ভালপোৱা প্ৰতিগৰাকী পাঠককে আমি অনুৰাগী সমাজৰ সদস্য বুলি বিবেচনা কৰো।

'চলিহাৰ চিঠি আৰু অন্যান্য ৰচনা' —এই সংকলনখনত মূলতঃ তেওঁৰ কিছুসংখ্যক কাকত-আলোচনীলৈ লিখা চিঠি সন্নিৱিষ্ট কৰা হৈছে। চিঠিসমূহ বিষয়বস্তু প্ৰধানতঃ অসমৰ ৰাজনৈতিক পৰিস্থিতি কেন্দ্ৰিক-আলফা-আছুকেন্দ্ৰিক। অসমৰ সেইসময়ৰ ৰাজনৈতিক পৰিস্থিতিৰ ওপৰত তেখেতৰ স্বতঃস্ফূৰ্ত প্ৰতিক্ৰিয়াস্বৰূপে চিঠিবোৰ তেখেতে কাকত-আলোচনীলৈ প্ৰেৰণ কৰিছিল। দুৰ্ভাগ্যজনকভাৱে চিঠিবোৰ কিন্তু প্ৰকাশ পোৱা নাছিল। একেটা বিষয়ৰ ওপৰতে তেখেতে একাধিক চিঠি লিখিছিল। একেখন চিঠি কিছু সংযোজন-সংশোধন কৰি এখন কাকতত প্ৰকাশ নোপোৱাত অইন এখন কাকতলৈ প্ৰেৰণ কৰিছিল, কিন্তু সেইখনতো প্ৰকাশ পোৱা নাছিল। এনে কাৰণতে স্বাভাৱিকতে ইয়াত সন্নিৱিষ্ট চিঠিসমূহৰ ঠায়ে ঠায়ে পুনৰাবৃত্তি ঘটিছে। আমি চিঠিবোৰ ইয়াত হুবহু তুলি দিছোঁ, ক'তো হাত ফুৰোৱা হোৱা নাই।

সংকলিত চিঠিবোৰৰ সকলোবোৰ কথাৰ প্ৰাসংগিকতা এতিয়া হয়তো নাই, কিন্তু তাৰ এক ঐতিহাসিক গুৰুত্ব আছে বুলি আমি বিশ্বাস কৰোঁ। অসমৰ বোধহয় তেওঁ একমাত্ৰ আধুনিক লেখক যি স্বাধীন অসমৰ

সপক্ষে মুকলিকৈ মত পোষণ কৰিছিল। সহৃদয় পাঠকে দেখিব সংকলিত চিঠিত স্বাধীন অসমৰ ধাৰণা অলীক নহয় বুলি তেওঁ সজোৰে যুক্তি দিছে। একে সময়তে অৱশ্যে আলফাৰ হঠকাৰী কাৰ্যকলাপৰ শানিত সমালোচনা কৰিছে আৰু আলফাৰদ্বাৰা কেতিয়াও স্বাধীন অসম সম্ভৱ নহয় বুলি যুক্তি তথ্যসহকাৰে দেখুৱাইছে। এই চিঠিসমূহৰ লগতে 'থামক নামৰ এখন ৰচনা অন্তৰ্ভুক্ত কৰা হৈছে। অন্বেষাৰ শিশুগ্ৰন্থ উৎসৱৰ স্মৰণিকাত 'Halt' শিৰোনামেৰে ইংৰাজীত প্ৰকাশিত ৰচনাখন পৰৱৰ্তী সময়ত 'সাতসৰী'ত প্ৰকাশ পাইছিল। ৰচনাখন যিহেতু তেওঁৰ কোনো গ্ৰন্থত সংকলিত হোৱা নাই সেয়ে ইয়াত অন্তৰ্ভুক্ত কৰা হৈছে যাতে সংৰক্ষিত হৈ থাকে। সংকলিত ৰচনাখন তেওঁ 'সুৰেন্দ্ৰনাথ মেধি' নামেৰে লিখিছিল। আমি অৱশ্যে ইয়াত 'সৌৰভ কুমাৰ চলিহা'ৰ নামতেই সংকলিত কৰিছোঁ। কাৰণ লেখকে নিজেই সুৰেন্দ্ৰনাথ মেধি নামত প্ৰকাশিত ৰচনা পৰৱৰ্তী সময়ত সৌৰভ কুমাৰ চলিহাৰ নামতো সংকলন কৰিছে। এইক্ষেত্ৰত 'দ্ৰোণ আৰু গ্যেটে' নামৰ কিতাপখন দ্ৰষ্টব্য। সুৰেন্দ্ৰনাথ মেধিয়ে নিজকে সৌৰভ কুমাৰ চলিহা বুলি চিনাকি দিবলৈ অস্বীকাৰ কৰিছিল যদিও তেখেতৰ অনুৰাগীসকলে জানে শেষৰফালে তেখেতৰ সেই দাবী কৰিবলৈ বাদ দিছিল। এইবিষয়ে এক সাক্ষাৎকাৰত তেখেতে নিজে উল্লেখো কৰিছে।

সংকলনটো প্ৰকাশ কৰি উলিওৱাত ভালেকেইগৰাকী অনুৰাগীয়ে সহায় কৰিছে। কিছুসংখ্যকে আৰ্থিক অনুদানো আগবঢ়াইছে। সকলোলৈকে অনুৰাগী সমাজৰ তৰফৰপৰা আন্তৰিক কৃতজ্ঞতা যাচিছোঁ আৰু ভৱিষ্যতেও সহায়-সমৰ্থন পাম বুলি আশা কৰিছোঁ। শেষত লেখাসমূহ প্ৰকাশ কৰিবলৈ অনুমতি দিয়া বাবে সৌৰভ কুমাৰ চলিহাৰ পৰিবাৰ শ্ৰীযুতা বন্দনা মেধি আৰু কন্যা বৰ্ণালী মেধিক ধন্যবাদ যাচিলোঁ।

# স্বাধীন অসম 'ইউট'পীয়া' নহয়

সম্পাদক
সূত্ৰধাৰ, গুৱাহাটী

ইয়াৰ লগত পঠোৱা (জেৰক্স- অনুলিপিৰ) লিখাখিনি কিছুমান 'সম্পাদকলৈ চিঠি'ৰ পৰা যুগুতাই উলিওৱা। আজি প্ৰায় ৪/৫ মাহ ধৰি চেষ্টা কৰি কৰি কোনো কাকততে লেখাবোৰ প্ৰকাশ কৰাব নোৱাৰিলোঁ— হয় 'আলফা'ৰ ভয়ত, নহ'লে চৰকাৰ বা সেনাবাহিনীৰ ভয়ত, নহ'লে আমাৰ অবোধগম্য আন কিবা কাৰণত। যেতিয়া অৱশেষত সিদ্ধান্ত কৰিলোঁ যে অসমত বাক্ স্বাধীনতা নাই, অসমীয়া জাতি শেষ, তেতিয়া হঠাতে 'সূত্ৰধাৰ'ৰ নৱেম্বৰৰ সংখ্যাটো দেখা পাই চমৎকৃত হ'লো— যিটো সংখ্যাৰ মূল বিষয় হ'ল "স্বাধীন অসম ঃ কিয় বিচাৰো বা নিবিচাৰো।" আজিকালি অসমীয়াত ইমান বিৰাটসংখ্যক কাকত আৰু আলোচনী যে সকলোবোৰৰ আঁত ৰখা সম্ভৱ নহয়, আৰু 'সূত্ৰধাৰ'ৰো এই সংখ্যাটো আকস্মিকভাৱেহে চকুত পৰিল (নিয়মীয়া পাঠক নহওঁ)। এতিয়াও অৱশ্যে আমি সকলোখিনি কথা পঢ়ি শেষ কৰা নাই, আৰু সেইবোৰ লৈ কোনো বাক্-বিতণ্ডাত অৱতীৰ্ণ হ'বলৈয়ো ইচ্ছা কৰা নাই, কিন্তু ইয়াকে জনাব খোজো যে অসমত বাক্-স্বাধীনতা হয়তো এতিয়াও নাই, এই আশ্বাস মনত আনি দিয়া বাবে

আপোনাক একেবাৰে অন্তৰৰ পৰা ধন্যবাদ নজনাই নোৱাৰিলোঁ। (মোৰ 'প্ৰবন্ধ'টিৰ কথাখিনি পঢ়িলে এই ভাবাবেশৰ মৰ্ম উপলব্ধি হ'ব)। যি হওক, সেয়ে 'সূত্ৰধাৰ'ৰ কাষ চাপিলোঁ (আপাতদৃষ্টিত অইন আৰু ক'তো আশা নাই)— 'প্ৰবন্ধ'টি (অৰ্থাৎ প্ৰকাশ কৰিব নোৱৰা চিঠিবোৰৰ ঘাই ঘাই কথাখিনি) প্ৰকাশ কৰিলে বাধিত হ'ম। তাৰ বক্তব্যটোৰ হয়তো এতিয়া অলপ পুৰণি হৈছে, কিন্তু এতিয়া আৰু প্ৰশ্নটো 'স্বাধীন অসম ঃ কিয় বিচাৰো বা নিবিচাৰো' নহয়। প্ৰশ্নটো এই ঃ এই 'প্ৰবন্ধ'টি প্ৰকাশ কৰিব নোৱাৰাৰ কিবা যুক্তি আছে নে? কেইবাগৰাকী সম্পাদকেও স্বীকাৰ কৰিছে যে কথাবোৰ আইনৰ পিনৰ পৰা প্ৰকাশ কৰিব নোৱৰা জাতৰ নহয়, তথাপি তেওঁলোকে চিঠি বা প্ৰবন্ধৰ কথাবোৰ ছপাবলৈ ৰাজী নহ'ল। সাংবাদিক-নীতিৰ খাতিৰত, 'সূত্ৰধাৰ'ক অস্বস্তিত নেপেলাবলৈ, অন্যান্য কাকত-পত্ৰৰ নাম উল্লেখ নকৰিলোঁ, কিন্তু দৰ্কাৰ হ'লে সেইবোৰ নাম/তাৰিখ দিব পৰা যাব। ইমান দিনৰ পুৰণি 'প্ৰবন্ধ'টি আপোনালৈ পঠোৱাৰ উদ্দেশ্য এয়ে যে আমাৰ ইচ্ছা, কথাখিনি নথিবদ্ধ থাকক (যাক কয় 'ফৰ দ্য ৰেকৰ্ড'), আৰু আপুনি তথা পঢ়ুৱৈ সমাজে যেন বিচাৰ কৰে আমাৰ কথাবোৰ কি কাৰণে বাৰু প্ৰকাশ কৰিব নোৱাৰি, যদি নোৱাৰি।

আজি কিছুদিনৰ পৰা— নিশ্চয় আলফাৰ ঘোষণাবোৰৰ প্ৰতিক্ৰিয়াৰূপে— কিছুমান প্ৰবন্ধ-পাতি, সম্পাদকলৈ চিঠি আদি ওলাব ধৰিছে, যিবোৰৰ প্ৰতিপাদ্য হ'ল এই যে 'স্বাধীন অসম' সম্ভৱ নহয় আৰু কাম্য নহয়। কিন্তু অন্য বহুতো মানুহ আছে (যেনে— এই চিঠিৰ লেখক), যিসকল আলফাৰ সমৰ্থক নহয় কিন্তু যিসকলে ভাবে যে স্বাধীন অসম সম্ভৱ আৰু কাম্য। কিন্তু এইসকলৰ চিন্তাধাৰা কাগজে-পত্ৰে প্ৰকাশ হ'বলৈ দিয়া নহয়— এইটো এক ধৰণৰ ফেচীবাদ— যেনেকৈ যোৱা অসম আন্দোলনৰ সময়ত একমাত্ৰ 'প্ৰফুল্ল-ভৃগু'ৰ বক্তব্যৰ বাহিৰে আন কাৰো মতামত

(যেনে— এই লেখকৰ) ছপাবলৈ আমাৰ কাকত-পত্ৰ অসন্মত হৈছিল (ল'ৰাৰ ভয়ত), যাৰ ভয়াৱহ ফল এতিয়া সকলোৱে উপলব্ধি কৰিছে আৰু আমি কোৱা কথাবোৰেই এতিয়া দোহাৰিছে ; তেনেদৰে, আলফাই বন্দুকটো টোঁৱাই কোৱা কথাবোৰ ভয়ে ভয়ে সকলোৱে ছপাইছে, কিন্তু আমি অহিংসভাৱে যুক্তি দাঙি ক'ব খোজা কথাখিনি নছপায়। যেনে— কিছুদিন আগেয়ে এখন দৈনিকলৈ আমি পঠোৱা চিঠি এখনৰ অংশবিশেষ আছিল এনেকুৱা ঃ

'স্বাধীন অসম' এটা সম্ভৱ বা কাম্য কথা হয় নে নহয় তাৰ বাবে আজিকালি অন্ততঃ মুকলি আলোচনা হ'ব পাৰিছে, সেই লক্ষণটোৰ কথাকে ক'ব খুজিছোঁ। আজি কিছুদিন আগলৈকেও এনেকুৱা এটা প্ৰশ্ন উত্থাপন কৰাটোৱেই আছিল অসম্ভৱ, সেইটো আছিল ৰাজদ্ৰোহ 'ডিচিশ্যন'। আমি, এই পত্ৰলেখকে— স্বাধীন অসমৰ কথাটো সদায় কাম্য আৰু বাস্তৱসন্মত বুলি ক'বৰ চেষ্টা কৰি আহিছোঁ (য'তে সুবিধা পাইছোঁ, অধিক ক্ষেত্ৰতে কোনো সুবিধা পোৱা নাই), আমি অসমখন সাৰ্বভৌম আৰু স্বাধীন হোৱাটো বিচাৰোঁ, আৰু প্ৰতিপন্ন কৰিবৰ চেষ্টা কৰি আহিছোঁ যে স্বাধীন অসম এটি আকাশকুসুম বা 'ইউট'পীয়া' নহয় ; ই একেবাৰে ন্যায়োচিত আৰু সম্ভৱ কথা। এই কথা 'আলফা' আবিৰ্ভাৱ হোৱাৰ বহু আগৰে পৰা আমি কৈ আহিছোঁ (অৱশ্যে আমাতকৈয়ো বহু আগেয়ে প্ৰয়াত জ্ঞাননাথ বৰা আদিয়ে অসম যে ভাৰতবৰ্ষৰ ভিতৰত থকাৰ কোনো যুক্তি নাই সেইবোৰ কথা ফঁহিয়াই দেখুৱাই থৈ গৈছে)। প্ৰয়াত বাল গংগাধৰ তিলকে ক'বৰ দৰে, "স্বাধীনতা মোৰ জন্মস্বত্ব"।। এনেকি— "গান্ধীবাদী" সকলে মনক কৰক! — মোহনদাস গান্ধীয়েও কৈ গৈছে যে ভাৰতবৰ্ষৰ সংবিধানৰ লগত অসমৰ কোনো সম্পৰ্ক নাই, অসমে নিজৰ সংবিধান মতে চলা উচিত। যোৱা অসম আন্দোলনৰ কালতো আমি মূল লক্ষ্য (বিদেশী বহিষ্কাৰ) সমৰ্থন কৰিও— সেই আন্দোলনে ভণ্ডামিৰ পথ লোৱাত তাৰ

বিৰোধিতা কৰিবলৈ বাধ্য হৈছিলোঁ অকল নিৰ্বোধ হঠকাৰিতাবোৰৰ বাবেই নহয়, লগতে তথাকথিত আন্দোলনত "ভাৰতীয় সংবিধানৰ পবিত্ৰতা ৰক্ষা"ৰ পুনঃ পুনঃ ভাটৌ-ঘোষণাৰ বিৰোধিতা কৰি, কিয়নো আমাৰ মতে ভাৰতীয় সংবিধানৰ প্ৰাথমিক কথাখিনিয়েই দেখুৱায় যে এইখন এখন কিনা-গোলামৰ সংবিধান, য'ত কোৱা হৈছে যে ভাৰতবৰ্ষৰ পৰা বিচ্ছিন্ন হৈ যোৱাৰ কোনোদিনে কাৰো কোনো অধিকাৰ নাথাকিব। অৰ্থাৎ 'এবাৰ যদি আমাৰ কবলত পৰিলা, তেনেহ'লে তুমি চিৰকাললৈ মোৰ দাস আৰু কেতিয়াও ভাটৌ-ঘোষণাৰ বিৰোধিতা কৰি, কিয়নো আমাৰ মতে ভাৰতীয় সংবিধানৰ প্ৰাথমিক কথাখিনিয়েই দেখুৱায় যে এইখন এখন কিনা-গোলামৰ সংবিধান, য'ত কোৱা হৈছে যে ভাৰতবৰ্ষৰ পৰা বিচ্ছিন্ন হৈ যোৱাৰ কোনোদিনে কাৰো কোনো অধিকাৰ নাথাকিব, অৰ্থাৎ 'এবাৰ যদি আমাৰ কবলত পৰিলা, তেনেহ'লে তুমি চিৰদিনলৈ মোৰ দাস, আৰু কেতিয়াও ওলাব নোৱাৰিবা, তেহেলৈ মই যিয়েই নকৰো লাগে।' (আনকি ছোভিয়েট সংবিধানতো ৰাষ্ট্ৰসমূহৰ বিচ্ছিন্নতাৰ অধিকাৰ আছে, ইমানদিনে দমিত হৈ থাকি সাৰ্বভৌমত্বৰ দাবী তেওঁলোকে তুলিব পৰা নাছিল— যদিও আনকি ষ্টালিনৰ দিনৰে পৰা তেওঁৰ নিজৰে ৰাষ্ট্ৰ জৰ্জিয়াতো এই দাবী উমি উমি জ্বলি আছিল— এতিয়া গ্লাচ্‌নষ্টৰ সুবিধা পাই এইবোৰ দাবী সোচ্চাৰ আৰু সাব্যস্ত হৈ উঠিছে ; যুক্তৰাজ্যৰ ৰাষ্ট্ৰসমূহো ইচ্ছা কৰিলে বিচ্ছিন্ন হৈ যাবও পাৰে ; বৃটেইনৰ কোনো লিখিত সংবিধান নাই কিন্তু তাতো সাৰ্বভৌম আয়াৰলেণ্ডৰ দাবী চলি আছে আৰু স্কটলেণ্ডে নিজস্ব পাৰ্লিয়ামেণ্ট বিচাৰি আছে) কিন্তু কোনো কাকত-আলোচনীয়ে কথাবোৰ আমাক স্পষ্টভাৱে ক'বলৈ দিয়া নাই, (বহুতো ক্ষেত্ৰত মূল বক্তব্য কাটিছে, বা কথাখিনি ঘূৰাই-পকাই ক'বলগীয়া হৈছে)। আমি এইটোও কৈছোঁ যে আমাৰ 'স্বাধীন অসম'ৰ ধাৰণা ভুল হ'ব পাৰে, কিন্তু আমাক আমাৰ মনৰ ভাব ব্যক্ত কৰিবলৈ অধিকাৰ দিয়া হওক, এই লৈ মুকলি বিতৰ্ক হওক, যদি আমাৰ কথাবোৰ ভুল বুলি প্ৰতিপন্ন হয়, তথাস্তু। কিন্তু

বৃথা— 'স্বাধীন' শব্দটো মুখত অনাটোৰেই আছিল যেন মহাপাপ, 'বিচ্ছিন্নতাবাদ'ৰ আলোচনাত উদ্যত হোৱাটোও আছিল 'ৰাজদ্ৰোহ'! স্বস্তিৰ কথা, সেই শ্বাসৰুদ্ধকাৰী পৰিৱেশ আজি পৰিৱৰ্তিত, আলোচনা-বিলোচনা সম্ভৱ হৈছে।"

কিন্তু সঁচাকৈয়ে সম্ভৱ হৈছে নে? নাই, কাৰ্যক্ষেত্ৰত দেখা গ'ল যে একেবাৰেই সম্ভৱ হোৱা নাই, কিয়নো আমাৰ চিঠি প্ৰকাশ কৰিবলৈ সম্পাদক মহোদয় অমান্তি হ'ল, যদিও তেখেতে ক'লে যে কথাখিনিত আইন-বিৰুদ্ধ একো নাই আৰু কথাখিনি মোটামুটি তেওঁও নুই নকৰে, কিন্তু এই মুহূৰ্তত আৰু এটা বাক্-বিতণ্ডা সৃষ্টি কৰি দিয়াটো তেওঁলোকে নিবিচাৰে! যিহওক, এই সন্দৰ্ভত আমি সংক্ষেপে ওপৰত উল্লিখিত লেখাবোৰৰ মাথোঁ দুই-এটাৰ কেতবোৰ উক্তিৰ উত্তৰত আমাৰ দৃষ্টিভংগ কি ক'বৰ চেষ্টা কৰিমঃ

যোৱা ৩০ জুলাই (১৯৯১) তাৰিখে শ্ৰীসমীৰণ বৰুৱাই "স্বাধীন অসমৰ চিন্তা বাস্তৱসন্মত হৈছে নে?" শীৰ্ষক এটা প্ৰবন্ধ লিখিছে। শিতানৰ প্ৰশ্নটোৰ উত্তৰত আমি ক'ব লাগিব যে নাই, স্বাধীন অসমৰ চিন্তা এতিয়াই বাস্তৱসন্মত হোৱা নাই, কিয়নো শ্ৰীবৰুৱাৰ দৰে পঢ়া-শুনা কৰা মানুহেই যদি কয় (উক্ত প্ৰবন্ধ) যে "নিৰাপত্তাক নিশ্চিত কৰিবৰ বাবে অসমে চুবুৰীয়া কোনোবা এখন শক্তিশালী দেশৰ ছত্ৰছায়াত আশ্ৰয় ল'ব লাগিবই", তেন্তে বুজিব লাগিব যে স্বাধীনচিতীয়া মনোবৃত্তি আমাৰ এতিয়াও অহা নাই, তালৈ দেৰি আছে (নেপাল কাৰ ছত্ৰছায়াত আছে? পৃথিৱীৰ আৰু বহুতো অসমতকৈয়ো সৰু স্বাধীন দেশ?)। কাৰোবাৰ ছত্ৰছায়াত থাকিলেহে বৰ্তি থাকিব পাৰি এই ধাৰণা বহুদিন ধৰি ভাৰতীয় শাসক তথা শোষক শ্ৰেণীয়ে আমাৰ মূৰত সুমুৱাই দি আছে, আমিও তাতেই ভোল গৈ আছোঁ; তেনেকুৱাবোৰ ধাৰণা মনৰ পৰা গুচাব নোৱাৰিলে স্বাধীন অসমৰ কথা কোৱাটো সঁচাকৈয়ে অবাস্তৱ। কিন্তু 'লাহে লাহে'ৰ দেশতো আমাৰ হেৰাই যোৱা 'স্বাধীন' মনোবৃত্তি উভতি আহিব, তাৰ লক্ষণ এই আলোচনাবোৰ।

শ্ৰীবৰুৱাৰ আন কিছুমান মন্তব্যও আমি মানি ল'ব নোৱাৰিলো, যেনে— "কোনখন দেশৰ সংস্কৃতিৰ লগত অসমৰ সংস্কৃতিৰ সম্পৰ্ক বেছি? নিঃসন্দেহে ভাৰতবৰ্ষৰ"। আমি সংস্কৃতি-বুৰঞ্জীবিদ নহওঁ, কিন্তু ভাৰতীয় কু-সংস্কাৰবোৰৰ বাহিৰে কোনো ভাৰতীয় (অৰ্থাৎ একেবাৰে স্বকীয় ভাৰতীয়) 'সংস্কৃতি'ৰ লগত আমি অসমীয়া কৃষ্টি, সংস্কৃতি, আচাৰ-ৰীতি-মনোবৃত্তিৰ মিল নেদেখোঁ (চীন, শ্যাম আদিবোৰৰ লগতহে বেছি মিল থকা যেন লাগে)। কিন্তু আমি কোৱাৰ দৰে, এই বিষয়ত আমি প্ৰায় অজ্ঞ, গতিকে জনাজনে তাৰ বিচাৰ কৰক। তেনেদৰে, তেখেতে কোৱা এইবোৰ কথাও আমি সম্পূৰ্ণ মানিব নোৱাৰোঁ ; "(জনজাতীয় গোষ্ঠীসমূহে) ভাৰতৰ লগতে থাকিবলৈ বিচাৰে, কেৱল অসমৰ লগত থকাতহে তেওঁলোকৰ আপত্তি.... তেওঁলোকৰ মতে তেওঁলোকৰ অনুন্নত অৱস্থাৰ বাবে অসমীয়া মধ্যবিত্ত শ্ৰেণীটোৱেই দায়ী....", ইত্যাদি। অসমৰ জনজাতীয় গোষ্ঠীসকলক অনা-অসমীয়া ভাৰতীয়সকলে খুব "প্যাৰ" কৰে? অসমীয়া মধ্যবিত্তহে তেওঁলোকৰ শত্ৰু? এইবোৰ ধাৰণাও আমাৰ বোধেৰে বাহিৰৰ প্ৰচাৰ মাধ্যমবোৰৰ বহুদিনীয়া আৰু নিৰৱচ্ছিন্ন মিথ্যাচাৰৰ ফল ঃ 'উদয়াচল'ৰ মানচিত্ৰ প্ৰথম প্ৰস্তুত হয় কলিকতাৰ এটা গলিত, 'মেঘালয়'ৰ প্ৰস্তাৱৰ পিছপিনে আছিল কলিকতা বিশ্ববিদ্যালয়ৰ ভূগোলৰ অধ্যাপক। অসমীয়া মধ্যবিত্তই (বা ধনী শ্ৰেণীয়েও) বড়োসকলৰ কি অন্যায় কৰিছে? কোকৰাঝাৰ অঞ্চলৰ ভাল ভাল মাটিবোৰ, সংৰক্ষিত ভূমি, ব্যৱসায়-বাণিজ্য কাৰ দখলত? বড়ো অধ্যুষিত অঞ্চলবোৰ সামৰি যদি বড়োলেণ্ড লাগে, তেন্তে তাৰ ভিতৰত উত্তৰ বংগৰ বৃহৎ বড়ো জনসংখ্যাৰ অঞ্চলবোৰৰ কথা ধৰা নহয় কিয়? ইয়াৰ ৰহস্য কি? অবড়ো লোকসকলক খেদোৱাই যদি বড়ো আন্দোলনৰ এটা লক্ষ্য হয় তেন্তে কিয় অকল অসমীয়া মাধ্যমৰ স্কুল জ্বলাই দিয়া হয়, কিন্তু বঙালী/ইংৰাজী মাধ্যমৰ স্কুলত হাত দিয়া নহয়? এইবোৰ প্ৰশ্ন আমাৰ 'বুদ্ধিজীৱী' সকলৰ মনত উদয় হয়নে? অসমীয়া 'বুদ্ধিজীৱী' শ্ৰেণীৰ বিড়ম্বনা হ'ল এয়ে যে

তেওঁলোকে অনা-অসমীয়া কাগজ-পত্ৰ আৰু তথাকথিত 'সৰ্বভাৰতীয়' কাকত-আলোচনী প্ৰায় সমস্তই কিবা কাৰণত অসমীয়াবিদ্বেষী— যি পঢ়ো, তাকেই সঁচা বুলি মানি লয়। বড়োসকলৰ অনুন্নত অৱস্থাৰ বাবে অসমীয়া মানুহ (আমি নিজে অৱশ্যে 'অসমীয়া' আৰু 'বড়ো'ৰ কোনো তফাৎ নকৰোঁ, যেনেকৈ ইংলিশ, আইৰিশ, গ্যেলিক/স্কটিশ বা ৱে'লশ্ ভাষী সকলোৱেই ব্ৰিটিছ) কিদৰে দায়ী? (আৰু অসমীয়া মানুহৰ নিজৰ অৱস্থা খুব কিবা 'উন্নত' নেকি?) কলিকতা-দিল্লীৰ কাগজে কৈছে বুলিয়েই সেইবোৰ কথা আমি নিৰ্বোধ অসমীয়াবোৰে হজম কৰি যাব লাগে নেকি? কোনো অসমীয়া বিষয়াই যদি চাকৰি বা ঠিকা আদিৰ ক্ষেত্ৰত কোনো বড়ো বা কাৰ্বিৰ কিবা অন্যায় কৰিছে, সেইটো নিজৰ স্বাৰ্থতে কৰিছে, টকা-পইচা খাবৰ কাৰণে কৰিছে, যোগ্য অসমীয়াকো বঞ্চিত কৰিছে, কোনো বড়োবিদ্বেষী মনোবৃত্তিৰে বা 'অসমীয়া' ভাবেৰে কৰা নাই— জাতীয় চৰিত্ৰহীন অসমীয়া মানুহে যদি 'অসমীয়া' ভাবেৰে আৰু অসমীয়াৰ স্বাৰ্থতেই কামবোৰ কৰিলেহেঁতেন (ব্ৰিটিছে বা বঙালীয়ে যিদৰে কৰে), অসমৰ আজি এইটো অৱস্থা নহয়েই— অসমীয়া মানুহে অসমীয়া মানুহৰ অনিষ্ট কৰাতেই ইমান ব্যস্ত যে আন গোষ্ঠীসমূহৰ অন্যায় কৰিবলৈ যাবলৈ তেওঁলোকৰ অৱকাশেই নাই, সাধ্যতো নায়েই। আৰু এটা কথা লক্ষ্যণীয় নহয় নে যে ইংৰাজ থকালৈকে এইবোৰ "অসমীয়া বিভীষিকা" দেখা যোৱা নাছিল, ইংৰাজ যোৱাৰ পাছত অসমবিদ্বেষী 'ভাৰতীয়'ৰ কৰ্তৃত্ব অহাৰ পাছতহে এইবোৰ প্ৰকৃতি উক্ দি উঠিছে। তাৰ কাৰণ বাৰু কি? কথাই-অকথাই যে অসমখন ফালি ফালি বেলেগ বেলেগ ৰাজ্য বিচাৰিব লগা হয়, অসমীয়া মানুহৰ কি দুৰ্ঘোৰ অপৰাধত? যেনে, কাৰ্বিসকলৰ কি অক্ষমনীয় অন্যায় অসমীয়া মানুহে কৰিছে, ভিতৰুৱা গাঁৱৰ কাৰ্বিৰ অৱস্থাৰ তুলনাত আমাৰ জকাইচুকবোৰৰ অসমীয়া মানুহৰ অৱস্থা কোন বিচাৰৰ পৰা শোষণ-প্ৰবঞ্চনাৰ পৰিচায়ক? উত্তৰ প্ৰদেশ, বিহাৰ, ৰাজস্থান আদিত ঠাকুৰ-যাদৱ-হৰিজন-চামাৰ আদিৰ যি নিত্য-নৈমিত্তিক মানুহ জ্বলোৱা

আৰু ক্ৰীতদাস প্ৰথাৰ কাৰবাৰ, সেইবোৰ সত্ত্বেও বেলেগ বেলেগ সম্প্ৰদায়ৰ পৰা পৃথক ৰাজ্য বিচাৰি উগ্ৰ বিচ্ছিন্নতাবাদী আন্দোলন গঢ়ি নুঠে কিয় ? এইবোৰ ৰাজ্যতকৈ অসমৰ জনজাতি আদি সম্প্ৰদায়ৰ ওপৰত অন্যায় চলে বেছি ?)

শ্ৰীবৰুৱাই নিজেই চিন্তা কৰি চাওক, ভাৰতবৰ্ষৰ লগত থাকি আমাৰ লাভ হৈছে নে লোকচান হৈছে, উপকাৰ হৈছে নে অপকাৰ হৈছে, কল্যাণ হৈছে নে হানি হৈছে। লাভ হৈছে, এনেকুৱা কোনো এটা উদাহৰণ আছেনে ? হানি হোৱা নাই, এনেকুৱা কোনো বিষয় আছেনে ? ভাৰত চৰকাৰৰ লগত থকাৰ প্ৰসংগ আহে, যদি ভাৰত চৰকাৰ বুলি সুদৃঢ় আৰু সুপ্ৰতিষ্ঠিত কিবা এটা থাকে, যাৰ ওপৰত নিৰ্ভৰ কৰিব পাৰি যাক বিশ্বাস কৰিব পাৰি, যাৰ মেৰুদণ্ড আছে। আজি ৪৫ বছৰে আমি দেখি আহিছোঁ যে ভাৰত চৰকাৰ বোলা মানুহখিনিয়ে মাথোঁ দেশখন লুটি-পুতি খাই অৱশেষত সমস্ত দেশ এখন হিংস্ৰ, ভয়াল গুণ্ডা ৰাজ্যত পৰিণত কৰি দিছে, মুখত অখণ্ড ভাৰতৰ বক্তৃতা জাৰি জাৰি কামত দেশখন খণ্ড-বিখণ্ড কৰি দিছে। আকণ্ঠ ঋণৰ বোজাত দেশ বুৰাই দিছে, প্ৰতিবছৰে হাতত ভিক্ষাৰ জোলোঙা লৈ বিদেশত ভ্ৰমি ফুৰাই তেওঁলোকৰ কাম, এতিয়া ঘৰৰ সোণ-ৰূপ সকলো বন্ধকত থ'বলৈ আৰম্ভ কৰিছে (নহ'লৈ ভিক্ষাৰী দেশৰ প্ৰধানমন্ত্ৰীৰেই ব্যক্তিগত ব্যৱহাৰৰ বাবে ৩৬ খনকৈ গাড়ী দৌৰাব কেনেকৈ?), কালি আমাৰ হাতৰ-কাণৰখিনিতো হাত দিব। নীতি-নিয়ম বুলিবলৈ ন্যূনতম ৰখা নাই, সংবিধান বুলি কোনো বস্তু নাই, যেতিয়াই মন গৈছে সংবিধানৰ কথা সলনি কৰি দিছে, তথাকথিত "মহান গণতন্ত্ৰী" নেহৰুৱে কেৰালাত গণতান্ত্ৰিকভাৱে নিৰ্বাচিত কমিউনিষ্ট চৰকাৰক লেং মাৰি আঁতৰাই ("টপ্‌লিং" কৰি) অসাধু ৰাজনীতি আৰম্ভ কৰি দিছে আৰু "নিকটতম লাইট প'ষ্টত চোৰাং বজাৰীক ফাঁচী দিব লাগে" বুলি জনসাধাৰণক ধাপ্পা দি দেশ আৰু চৰকাৰ সম্পূৰ্ণ চোৰাংকাৰবাৰীৰ নিয়ন্ত্ৰণত আনি দিছে। এনে এজন ভাৰতীয় নেতা নাই যাক সন্মান কৰিব পাৰি, এনে এজন

সৰ্বভাৰতীয় নেতা নাই (সম্ভৱতঃ অকল গান্ধীৰ বাহিৰে, তেওঁৰ সকলো কপটতা আৰু দোষ বাদ দিও) যিজনে অসমক তুচ্ছ-তাচ্ছিল্যৰ ভাবেৰে বিবেচনা নকৰে— জৱাহৰলালৰ পৰা আৰম্ভ কৰি সকলোৰে মানত অসম এখন ঔপনিৱেশিক লুণ্ঠন-ক্ষেত্ৰ, ভাৰতীয় সৈন্যবাহিনীৰ অবাধ অতিচাৰৰ ভূমি, নিৰ্বাচনত জিকি থাকিবৰ বাবে বাংলাদেশী ঠাহি বনোৱা এটা ভোট ভঁড়াল— স্বাভাৱিকতে এওঁলোকে কৈ থাকিবই যে অসম ভাৰতৰ অবিচ্ছেদ্য অংগ, কাৰণ অসম গ'লে তেলো গ'ল, চাহো গ'ল, ভোটবেংকো গ'ল। এইখন চৰকাৰৰ লগত থকাৰ আমাৰ ইমানেই মোহ? তুচ্ছ-তাচ্ছিল্য আৰু মাৰ-ধৰ খাই থাকিবৰ আমাৰ ইমানেই আগ্ৰহ? এই মোহ আহিছে আমাৰ এলাহৰ পৰা, লোকে যি কয় তাতে 'হয়, হয়' কৰি স্বাধীন চিন্তাৰ পৰা হাত সাৰি থকাৰ এলাহ, নিজে চিন্তা কৰি চোৱাৰ এলাহ। থাকিলে জাতিৰ দৰে জাতিৰ লগত থাকিব লাগে, যেনে— বৃটেইনৰ লগত থকাৰ এটা যুক্তিযুক্ততা থাকিব পাৰে, কিয়নো আমাৰ ক্ষেত্ৰত বৃটেইন হ'ল শোষণ আৰু নিষ্পেষণৰ প্ৰতীক, ঠিক, কিন্তু জাতি হিচাপে বৃটেইন এটা জাতিৰ দৰে জাতি। বৃটেইনে অন্ততঃ আমাক বাংলাদেশীৰ হাতত সপি দিবৰ চেষ্টা কৰা নাই, যিটো কৰিবলৈ ভাৰত চৰকাৰ দৃঢ়প্ৰতিজ্ঞ। আৰু সুৰক্ষাৰ পিনৰ পৰাও, তেখেতে সঁচাকৈয়ে বিশ্বাস কৰে নে যে ভাৰতীয় সৈন্যবাহিনীয়ে অসমক বাহিৰা আক্ৰমণৰ পৰা ৰক্ষা কৰিব? আমি কিন্তু পাহৰা নাই চীনা আক্ৰমণৰ সময়ত কেনেকৈ ভাৰতীয় বীৰ "জোৱান"সকলে দৌৰ দিছিল আৰু নেহৰুৱে আমাক বিদায় যাচিছিল— অসম, নগালেণ্ড, মিজোৰাম, মণিপুৰ আদিৰ বাবে ভাৰতীয় সৈন্যবাহিনী এটা "ধৰ্ষণ বাহিনী", সেইখিনিয়েই সিহঁতৰ বীৰত্ব, দূৰৈত চীনা সৈন্য এটা দেখিলেই কিন্তু পাৎলুন তিয়াই দৌৰ দিব, আমাৰ সন্দেহ নাই। ফেডাৰেশ্যন জাতীয় কিবা এটাত অসম হয়তো থাকিবলৈ বাধ্য হ'ব, কিন্তু সেইটো "বাহিৰত বৰচুৰিয়াৰ ফেৰ, ভিতৰত ঢকুৱাৰ বেৰ" ভাৰতবৰ্ষৰ লগত নহৈ শ্যাম, কোৰিয়া আদিৰ লগতো হ'ব পাৰে, সেইবোৰ

কথা সময়ে নির্দিষ্ট কৰি দিব।

শ্রীপ্রভাত বৰাই ২৪.৮.'৯১ তাৰিখৰ কাকতত "স্বাধীন অসমৰ স্বপ্ন ঃ এক বাস্তৱবাদী বিশ্লেষণ" শীৰ্ষক প্ৰবন্ধত কৈছে যে ডি. এম. কেৰ নেতা আন্নাডুৰাইয়ে ১৯৬২ চনত স্বাধীন দ্রাবিড় ৰাষ্ট্ৰৰ দাবী উত্থাপন কৰিছিল যদিও, তাৰ ছমাহ পাছতেই চীনে ভাৰত আক্ৰমণ কৰাত সুৰক্ষাৰ কথা ভাবি সেই দাবী পৰিহাৰ কৰে। কিন্তু শ্ৰীবৰাই এইটো বোধহয় গমি চোৱা নাই যে ভাৰতীয় সৈন্যবাহিনীৰ "সোৱাদ" তামিলনাডুৱে পোৱা নাই (তামিলনাডুত ৰাষ্ট্ৰপতি শাসনৰ কালবোৰতো কেতিয়াও ভাৰতীয় সৈন্যবাহিনীয়ে তাত বিদেশী ৰাষ্ট্ৰৰ দখলদাৰী বাহিনীৰ দৰে আচৰণ কৰা নাই, অসমত সদায় যিটো কৰে), যে পাকিস্তান আৰু চীনে অধিকাৰ কৰি থকা শ শ বৰ্গমাইল ভাৰতীয় ভূমি পুনৰুদ্ধাৰ কৰাৰ সাহস বা ক্ষমতা ভাৰতীয় শাসকশ্ৰেণী তথা সৈন্যবাহিনীৰ নাই, আৰু চীনৰ আক্ৰমণত ভাৰতীয় সৈন্যবাহিনীয়ে কোনো সুৰক্ষা দিব পৰা নাই, পলাইছে।

৫.৮.'৯১ তাৰিখৰ কাকতত ডাঃ প্ৰণৱজ্যোতি ডেকাই 'স্বাধীন অসম প্ৰসংগত' শীৰ্ষক চিঠিত লিখিছে যে "অসমৰ কেঁচা সামগ্ৰীৰ ভিতৰত চাহ, কয়লা, মৰাপাট, পেট্ৰ'লিয়াম আৰু দুই-এপদ সামগ্ৰীৰ বাহিৰে আন একো নাই বুলিবই পাৰি। আনহাতে আমি ভাৰতবৰ্ষৰ আন ৰাজ্যৰ পৰা চাউল, দাইল, সৰিয়হ তেল, কাপোৰ-কানি.... প্ৰতিটো ক্ষেত্ৰতেই ভাৰতবৰ্ষৰ ওপৰত নিৰ্ভৰশীল— তেনেস্থলত অসম স্বাধীন হ'লে এই বস্তুবোৰ কেনেদৰে যোগাৰ হ'ব— আমি বুজি পোৱা নাই।" আমাৰ চাহ-তেল-কয়লা-কাঠ আদি নগণ্য বস্তু? সম্পদ নহয়? সেইবোৰেৰে অইন অইন ৰাজ্যই চাউল আদিৰ নাটনিৰ এটা ঘাই কাৰণ বিপুলসংখ্যক বিদেশীৰ উপস্থিতিয়েই নহয়নে? কিন্তু প্ৰশ্ন সেইটো নহয়। প্ৰশ্নটো এই ঃ স্বাধীন হ'ব খুজিলে 'আমাৰ একো নাই, আমি কি খাম' ভাবি স্বাধীনতাৰ চিন্তা এৰি দিয়াটো কি ধৰণৰ মনোবৃত্তি? পূ. বংগৰ কিয়েই বা আছে (তাত এমুঠি খাবলৈ নাপাই সকলোৱে 'সোণাৰ বাংলা' এৰি অসমলৈ

দৌৰিয়েই আছে), কিন্তু পূ. বংগৰ স্বাধীনতা আন্দোলনৰ সময়ততো আমাৰ বুদ্ধিজীৱীসকলে এইবোৰ আপত্তি তোলা নাই, তেওঁলোকেতো তেতিয়া কোৱা নাই যে পাকিস্তানৰ লগত নাথাকিলে পূ. বংগ নাখাই মৰিব, সাৰ্বভৌম হোৱাৰ চিন্তা এৰি পূ. বংগ পাকিস্তানৰ লগত থকাই সুবিবেচনাৰ কাম হ'ব? তেওঁলোকৰ সেই সময়ৰ মনোভাব কলিকতা-দিল্লীৰ প্ৰভাৱে গঢ় দিয়া নাছিলনে? আজি ৰুছিয়াতো মানুহৰ খাবলৈ ৰুটি এচকল নাই, কিন্তু তাৰ বিভিন্ন ৰাষ্ট্ৰই জীৱনধাৰণৰ উপায়ো ওলাব। আমি ডাঃ ডেকাৰ সমভাবাপন্ন ব্যক্তিসকলক অনুৰোধ কৰিব পাৰোঁ নে যে তেওঁলোকে দিল্লী-কলিকতাৰ নিবন্ধকাৰসকলৰ কথাত মোহাচ্ছন্ন হৈ নাথাকি এবাৰ পৃথিৱীৰ আন আন জাতিবোৰে কি কৰিছে চাওক?

এইবোৰ কথা আমি আগেয়েও ক'বৰ প্ৰয়াস কৰি আহিছোঁ, কিন্তু আমাৰ কাকত-পত্ৰই আমাৰ চিঠি-পত্ৰ প্ৰকাশ নকৰে, হয়তো সেইবোৰত স্বাধীন অসম তথা বিচ্ছিন্নতাবাদৰ সমৰ্থনত দুই-এষাৰ কথা থকাৰ বাবেই। কিছুদিন আগেয়ে আলফাৰ দ্বাৰা গুৱাহাটী শোধনাগাৰৰ মহাপ্ৰবন্ধকজনৰ অপহৰণ তথা হত্যাৰ ভাবুকিৰ সন্দৰ্ভত এখন কাকতৰ সম্পাদকীয়ৰে আলফাৰ কাৰ্যৰ সমালোচনা-সমৰ্থন কৰিও "কিন্তু ৰাজ্যখনৰ জনসাধাৰণ ভাৰতৰ পৰা পৃথক হোৱাৰ দাবী অথবা আদৰ্শৰ হয় বিৰোধী নহ'লেবা সমৰ্থন নকৰে" কথাখিনি মানি ল'ব নোৱাৰি আমি লিখিছিলোঁ যে "আমাৰ গোহাঁৰি এই যে এই বিষয়ে এটা গণ ৰায় হওক, কিন্তু তাৰ আগেয়ে 'ভাৰতীয় অসম' আৰু 'স্বাধীন অসম' বিচৰা উভয় পক্ষকে নিজ নিজ বক্তব্য দাঙি ধৰিবলৈ সুযোগ দিয়া হওক।" এইটোও দোহৰা হৈছিল যে "বস্তুতঃ, ভাৰতীয় বুলি কোনো ঐক্যবদ্ধ জাতি নাই (থাকিলে এমুঠি ইংৰাজে দুশ বছৰ এই বিশাল দেশ অধিকাৰ কৰি থাকিব নোৱাৰিলেহেঁতেন), এইটো ব্ৰিটিছে প্ৰশাসনিক সুবিধাৰ বাবে কৰি লোৱা কৃত্ৰিম গোট, যিটো আজি কেন্দ্ৰীয় চৰকাৰে শাসন আৰু শোষণ চলাই ৰাখিবৰ সুবিধাৰ বাবে চালু ৰাখিবৰ চেষ্টা কৰি থাকে।" অৱশ্যে আজিৰ ভাৰতত নিৰ্বাচন বা

গণ-ৰায় (ৰেফাৰেণ্ডাম) কিমানদূৰ প্ৰকৃত জনমতৰ প্ৰতিফলন সেইটো সন্দেহজনক, কিন্তু যি হওক, এইটো এটা প্ৰস্তাৱ। আৰু এইটোও আমি জানোঁ যে এই মুহূৰ্তত এটা ৰেফাৰেণ্ডাম হ'লে খুব সম্ভৱতঃ অসম ভাৰতবৰ্ষৰ লগতে থাকিব লাগে বুলিয়েই অধিক মতদান হ'ব, কিন্তু সেইটোৱে আমাৰ বিশ্বাস নলৰায়, যে ভাৰতীয় গণৰাজ্য বুলি কোনো বস্তু শেহলৈ নাথাকে (এজন বঙালী বা এজন তামিলৰ মনত তেওঁ প্ৰথমতে এজন বঙালী বা তামিল, তাৰ পিছতহে— নানাৰকম সা-সুবিধা আদায়ৰ বাবে ভাৰতীয় ; ভাৰতীয়ত্বৰ ভাব কাৰো নাই। সেই ভাব জগাই তুলিব পৰা চৰিত্ৰৰ কোনো নেতা আজিলৈকে ওলোৱা নাই, ভৱিষ্যতেও নোলাব, কাৰণ এইটো সম্পূৰ্ণ অনৈতিহাসিক ; চাৰিওপিনৰ ঘটনাৱলীৰ পিনে এবাৰ চকু ফুৰালেই স্পষ্ট হৈ পৰে যে জোৰ কৰি কিছুমান ৰাজ্য একত্ৰিত কৰি ৰাখিব নোৱাৰি, ছোভিয়েট ৰুছিয়াৰ দৰে দেশেও অৱশেষত নোৱাৰিলে— অসম বা পাঞ্জাৱো কালক্ৰমে স্বতন্ত্ৰ অসম বা পাঞ্জাৱ হৈ যাবই, যেনেকৈ আজি ব্ৰহ্মদেশ বা শ্ৰীলংকাক এসময়ত ব্ৰিটিছে ভাৰতবৰ্ষত লগাই লৈছিল বুলিয়েই আজিও ভাৰতবৰ্ষৰ ৰাজ্যৰ বুলিব নোৱাৰি)। আমাৰ বিশ্বাস নলৰে, কিয়নো উক্ত চিঠিতে আমি ক'বৰ প্ৰয়াস কৰিছিলোঁ যে "..... যদিও আমি স্বাধীন অসমৰ প্ৰয়াসী, আমাৰ বোধেৰে ভাৰতীয় সৈন্যবাহিনীৰ লগত যুদ্ধ কৰাৰ বা গেৰিলা যুঁজেৰে দেশ স্বাধীন কৰাৰ সময় বা মানসিকতা আমাৰ এতিয়াও অহা নাই..... আৰু স্বাধীনতাৰ অদম্য ইচ্ছা বা তাৰ সম্ভাৱনা জনসাধাৰণৰ মনত এতিয়ালৈকে সঞ্চাৰিত হোৱা নাই। আমাৰ বোধেৰে, অসমৰ স্বাধীনতাৰ অন্যতম দুই ঘাই খুটি হ'ল আমাৰ অৰ্থনীতিৰ ওপৰত আমাৰ নিজৰ নিয়ন্ত্ৰণ আৰু আমাৰ মাটি.... আমি সদায় এই কথাকেই কৈ আহিছোঁ যে বন্দুকতকৈ বাণিজ্য ডাঙৰ অস্ত্ৰ, 'বাণিজ্যে বসতে লক্ষ্মী'য়েই নহয়, 'বাণিজ্যে বসতে শক্তি'ও [ ইষ্ট ইণ্ডিয়া কোম্পানী, জাপান....] ..... আমাৰ বোধেৰে, বহিৰাগতক মাটি বণ্টন দিয়া/বিক্ৰী কৰা বন্ধ কৰা কামটো (আৰু অনুপ্ৰৱেশ বন্ধ কৰা

কামটোও) আছুৰ/আলফাৰ শক্তিৰ ভিতৰত..... তেওঁলোকে সেইটো কৰক, স্বাধীনচিতীয়া হ'বলৈ অসমীয়া মানুহৰ বেছিদিন নালাগিব। ঘাই হাতিয়াৰ হ'ল অধ্যয়ন, অনুশীলন আৰু ব্যৱসায়-বাণিজ্য (ব্যাপক ৰক্তপাত নঘটোৱাকৈয়ো যে বিশাল, আমূল বৈপ্লৱিক পৰিৱৰ্তন আনিব পাৰি, পূব ইউৰোপৰ সাম্প্ৰতিক ঘটনাৱলীয়ে সেইটোকে প্ৰমাণ নকৰেনে?)। সময় আহিব ধৰিছে, ন্যস্তস্বাৰ্থৰ অপপ্ৰচাৰৰ ধোঁৱলি-কুঁৱলী ফালি নিশ্চয় অসমীয়া মানুহৰো চকুত স্পষ্ট হৈ পৰিব যে (১) কোনো কাৰো অধীন হ'ব নালাগে, (২) অধ্যয়ন আৰু অৰ্থনীতিৰেই স্বাধীন হ'ব পাৰি।

শেহত, এটা কৌতূহলজনক কথা পঢ়ুৱৈয়ে আৰু শ্ৰীবৰুৱাই নিজেও মন কৰিছেনে নাই নাজানোঁ, তেখেতে যদিও অসম ভাৰতৰ পৰা বিচ্ছিন্ন নোহোৱাৰ সপক্ষে যুক্তি দাঙি ধৰিবৰ চেষ্টা কৰিছে, কথাবোৰত জাপি এটা কিবা 'কিন্তু কিন্তু' দ্বিধাভাব ৰৈ গৈছে ; সেয়ে তেখেতে "স্বাধীন অসমৰ চিন্তা বাস্তৱসন্মত নহয়" বুলি নকৈ "বাস্তৱসন্মত হৈছেনে?" বুলি প্ৰশ্নহে তুলিছে। ইয়াৰ সদুত্তৰো আশা কৰিছোঁ, অসমৰ জনসাধাৰণে নিজে ই ঠিৰাং কৰি উলিয়াব।

*আজিৰ অসম আৰু অসম বাণীত চিঠিখন প্ৰকাশ নোপোৱা এটি সংক্ষিপ্ত টোকাসহ চিঠিখন তেওঁ সূত্ৰধাৰলৈ প্ৰেৰণ কৰিছিল।*

# আমি স্বাধীন অসমৰ প্ৰয়াসী

সম্পাদক

আজিৰ অসম, গুৱাহাটী

আপোনাৰ ৩০ জুলাই তাৰিখৰ কাকতত শ্ৰীসমিৰণ বৰুৱাই লেখা 'স্বাধীন অসমৰ চিন্তা বাস্তৱসন্মত হৈছেনে?' শীৰ্ষক প্ৰবন্ধ সন্দৰ্ভত এষাৰ লিখিবলগীয়া হ'ল। শিতানৰ প্ৰশ্নটোৰ উত্তৰত আমি ক'ব লাগিব যে নাই, স্বাধীন অসমৰ চিন্তা এতিয়াই বাস্তৱসন্মত হোৱা নাই, কিয়নো শ্ৰীবৰুৱাৰ দৰে পঢ়া-শুনা কৰা মানুহেই যদি কয় (উক্ত প্ৰবন্ধ) যে "নিৰাপত্তাক নিশ্চিত কৰিবৰ বাবে অসমে চুবুৰীয়া কোনোবা এখন শক্তিশালী দেশৰ ছত্ৰছায়াত আশ্ৰয় ল'ব লাগিবই", তেন্তে বুজিব লাগিব যে স্বাধীন মনোবৃত্তি আমাৰ এতিয়াও অহা নাই, তালৈ দেৰি আছে (নেপাল কাৰ ছত্ৰছায়াত আছে? পৃথিৱীৰ আৰু বহুতো অসমতকৈয়ো সৰু স্বাধীন দেশ?)। কাৰোবাৰ ছত্ৰছায়াত থাকিলেহে বৰ্তি থাকিব পাৰি এই ধাৰণা বহুদিন ধৰি ভাৰতীয় শাসক তথা শোষক শ্ৰেণীয়ে আমাৰ মূৰত সুমুৱাই দি আছে, আমিও তাতেই ভোল গৈ আছোঁ ; তেনেকুৱাবোৰ ধাৰণা মনৰ পৰা গুচাব নোৱাৰিলে স্বাধীন অসমৰ কথা কোৱাটো সঁচাকৈয়ে অবাস্তৱ। কিন্তু 'লাহে লাহে'ৰ দেশতো আমাৰ হেৰাই যোৱা 'স্বাধীন' মনোবৃত্তি উভতি আহিব,

তাৰ লক্ষণ এই আলোচনাবোৰ।

'স্বাধীন অসম' এটা সম্ভৱ বা কাম্য কথা হয় নে নহয়, তাৰ যে আজিকালি অন্ততঃ মুকলি আলোচনা হ'ব পাৰিছে, সেই লক্ষণটোৰ কথাকে ক'ব খুজিছোঁ। আজি কিছুদিন আগলৈকেও এনেকুৱা এটা প্ৰশ্ন উত্থাপন কৰাটোৱেই আছিল অসম্ভৱ, সেইটো আছিল ৰাজদ্ৰোহ, 'ডিচিশ্যন'। আমি— এই পত্ৰলেখকে— স্বাধীন অসমৰ কথাটো সদা কাম্য আৰু বাস্তৱসন্মত বুলি ক'বৰ চেষ্টা কৰি আহিছোঁ (য'ত সুবিধা পাইছোঁ,, অধিক ক্ষেত্ৰতে কোনো সুবিধা পোৱা নাই), আমি অসমখন সাৰ্বভৌম আৰু স্বাধীন হোৱাটো বিচাৰোঁ, আৰু প্ৰতিপন্ন কৰিবৰ চেষ্টা কৰি আহিছো যে স্বাধীন অসম এটি আকাশকুসুম বা 'ইউট'পিয়া' নহয় ; ই একেবাৰে ন্যায়োচিত আৰু সম্ভৱ কথা। এই কথা 'আলফা' আবিৰ্ভাৱ হোৱাৰ বহু আগৰে পৰা আমি কৈ আহিছোঁ (অৱশ্যে আমাতকৈও বহু আগেয়ে প্ৰয়াত জ্ঞাননাথ বৰা আদিয়ে অসম যে ভাৰতবৰ্ষৰ ভিতৰত থকাৰ কোনো যুক্তি নাই সেইবোৰ কথা ফঁহিয়াই দেখুৱাই থৈ গৈছে)। প্ৰয়াত বাল গংগাধৰ তিলকে ক'বৰ দৰে, "স্বাধীনতা মোৰ জন্মস্বত্ব"। এনেকি— "গান্ধীবাদী"সকলে মন কৰক! — মোহন দাস গান্ধীয়েও কৈ গৈছে যে ভাৰতবৰ্ষৰ সংবিধানৰ লগত অসমৰ কোনো সম্পৰ্ক নাই, অসমে নিজৰ সংবিধান মতে চলা উচিত। যোৱা অসম আন্দোলনৰ কালতো আমি— মূল লক্ষ্য (বিদেশী বহিষ্কাৰ) সমৰ্থন কৰিও— সেই আন্দোলনে ভণ্ডামিৰ পথ লোৱাত তাৰ বিৰোধিতা কৰিবলৈ বাধ্য হৈছিলোঁ অকল নিৰ্বোধ হঠকাৰিতাবোৰৰ বাবেই নহয়, লগতে তথাকথিত আন্দোলনত "ভাৰতীয় সংবিধানৰ পবিত্ৰতা ৰক্ষা"ৰ পুনঃ পুনঃ ভাটৌ ঘোষণাটোৰ বিৰোধিতা কৰি, কিয়নো আমাৰ মতে ভাৰতীয় সংবিধানৰ প্ৰাথমিক কথাখিনিয়েই দেখুৱায় যে এইখন এখন কিনা-গোলামৰ সংবিধান, য'ত কোৱা হৈছে যে ভাৰতবৰ্ষৰ পৰা বিচ্ছিন্ন হৈ যোৱাৰ কোনোদিনে কাৰো কোনো অধিকাৰ নাথাকিব, অৰ্থাৎ "এবাৰ যদি আমাৰ কবলত পৰিলা, তেনেহ'লে

তুমি চৰকাৰলৈ মোৰ দাস, আৰু কেতিয়াও ওলাব নোৱাৰিবা, তেহেঁলৈ মই যিয়েই নকৰো লাগে।" কিন্তু কোনো কাকত-আলোচনীয়ে কথাবোৰ আমাক স্পষ্টভাৱে ক'বলৈ দিয়া নাই (বহুতো ক্ষেত্ৰত মূল বক্তব্য কাটিছে, বা কথাখিনি ঘূৰাই-পকাই ক'বলগীয়া হৈছে)। আমি এইটোও কৈছোঁ যে আমাৰ 'স্বাধীন অসম'ৰ ধাৰণা ভুল হ'ব পাৰে, কিন্তু আমাৰ মনৰ ভাব ব্যক্ত কৰিবলৈ অধিকাৰ দিয়া হওক, এই লৈ মুকলি বিতৰ্ক হওক, যদি আমাৰ কথাবোৰ ভুল বুলি প্ৰতিপন্ন হয়, তথাস্তু। কিন্তু বৃথা— 'স্বাধীন' শব্দটো মুখত অনাটোৱেই আছিল যেন মহাপাপ, 'বিচ্ছিন্নতাবাদ'ৰ আলোচনাত উদ্যত হোৱাটোও আছিল ৰাজদ্ৰোহ! স্বস্তিৰ বা, সেই শ্বাসৰুদ্ধকাৰী পৰিৱেশ আজি পৰিৱৰ্তিত, আলোচনা-বিলোচনা সম্ভৱ হৈছে।

শ্ৰীবৰুৱাৰ বহুতো মন্তব্য আমি মানি ল'ব নোৱাৰিলো, যেনে— "কোনখন দেশৰ সংস্কৃতিৰ লগত অসমৰ সংস্কৃতিৰ সম্পৰ্ক বেছি? নিঃসন্দেহে ভাৰতবৰ্ষৰ।" আমি সংস্কৃতি বুৰঞ্জীবিদ নহওঁ, কিন্তু ভাৰতীয় কু-সংস্কাৰবোৰৰ বাহিৰে আন কোনো কোনো ভাৰতীয় (অৰ্থাৎ একেবাৰে স্বকীয় ভাৰতীয়) 'সংস্কৃতি'ৰ লগত আমি অসমীয়া কৃষ্টি, সংস্কৃতি, আচাৰ-ৰীতি মনোবৃত্তিৰ মিল নেদেখোঁ— (চীন, শ্যাম আদিবোৰৰ লগতহে বেছি মিল থকা যেন লাগে)— কিন্তু আমি কোৱাৰ দৰে, এই বিষয়ত আমি প্ৰায় অজ্ঞ, গতিকে জনাজনে তাৰ বিচাৰ কৰক। তেনেদৰে তেখেতে কোৱা এইবোৰ কথাও আমি সম্পূৰ্ণ মানিব নোৱাৰোঁ ঃ "(জনজাতীয় গোষ্ঠীসমূহে) ভাৰতৰ লগতে থাকিবলৈ বিচাৰে, কেৱল অসমৰ লগত থকাতহে তেওঁলোকৰ আপত্তি.... তেওঁলোকৰ মতে তেওঁলোকৰ অনুন্নত অৱস্থাৰ বাবে অসমীয়া মধ্যবিত্ত শ্ৰেণীটোৱেই দায়ী....." ইত্যাদি। অসমৰ জনজাতীয় গোষ্ঠীসকলক অনা-অসমীয়া ভাৰতীয়সকলে খুব "প্যাৰ" কৰে? অসমীয়া মধ্যবিত্তহে তেওঁলোকৰ শত্ৰু? এইবোৰ ধাৰণাও আমাৰ

বোধেৰে বাহিৰৰ প্ৰচাৰ মাধ্যমবোৰৰ বহুদিনীয়া আৰু নিৰবচ্ছিন্ন মিথ্যাচাৰৰ ফল ‘উদয়াচল’ৰ মানচিত্ৰ প্ৰথম প্ৰস্তুত হয় কলিকতাৰ এটা গলিত, ‘মেঘালয়’ৰ প্ৰস্তাৱৰ পিছপিনে আছিল কলিকতা বিশ্ববিদ্যালয়ৰ ভূগোলৰ অধ্যাপক। অসমীয়া মধ্যবিত্তই (বা ধনী শ্ৰেণীয়েও) বড়োসকলৰ কি অন্যায় কৰিছে? কোকৰাঝাৰ অঞ্চলৰ ভাল ভাল মাটিবোৰ, সংৰক্ষিত ভূমি, ব্যৱসায়-বাণিজ্য কাৰ দখলত? অসমীয়া ‘বুদ্ধিজীৱী’ শ্ৰেণীৰ বিড়ম্বনা হ’ল এয়ে যে তেওঁলোকে অনা-অসমীয়া কাগজ-পত্ৰ আৰু তথাকথিত ‘সৰ্বভাৰতীয়’ কাকত-আলোচনী-প্ৰায় সমস্তই কিবা কাৰণত অসমীয়া বিদ্বেষী— যি পঢ়ে, তাকেই সঁচা বুলি মানি লয়। বড়োসকলৰ অনুন্নত অৱস্থাৰ বাবে অসমীয়া মানুহ (আমি নিজে অৱশ্যে ‘অসমীয়া’ আৰু ‘বড়ো’ৰ কোনো তফাৎ নকৰোঁ, যেনেকৈ ইংলিছ, আইৰিণ, স্কটিছ বা ৱেলছভাষী সকলোৱেই ব্ৰিটিছ) কিদৰে দায়ী? (আৰু অসমীয়া মানুহৰ নিজৰ অৱস্থা খুব কিবা ‘উন্নত’ নেকি?) কলিকতা-দিল্লীৰ কাগজে কৈছে বুলিয়েই সেইবোৰ কথা আমি নিৰ্বোধ অসমীয়াবোৰে হজম কৰি যাব লাগে নেকি? কোনো অসমীয়া বিষয়াই যদি চাকৰি বা ঠিকা আদিৰ ক্ষেত্ৰত কোনো বড়ো বা কাৰ্বিৰ অন্যায় কৰিছে, সেইটো নিজৰ স্বাৰ্থত কৰিছে, কোনো বড়ো-বিদ্বেষী মনোবৃত্তিৰে বা ‘অসমীয়া’ ভাবেৰে কৰা নাই— জাতীয় চৰিত্ৰহীন অসমীয়া মানুহে যদি ‘অসমীয়া’ ভাবেৰে আৰু অসমীয়াৰ স্বাৰ্থতেই কামবোৰ কৰিলেহেঁতেন (ব্ৰিটিছে বা বঙালীয়ে যিদৰে কৰে), অসমৰ আজি এইটো অৱস্থা নহয়েই— অসমীয়া মানুহে অসমীয়া মানুহৰ অনিষ্ট কৰাতেই ইমান ব্যস্ত যে আন গোষ্ঠীসমূহৰ অন্যায় কৰিবলৈ যাবলৈ তেওঁলোকৰ অৱকাশেই নাই, সাধ্যতো নায়েই। আৰু এটা কথা লক্ষ্যণীয় যে ইংৰাজ থকালৈকে এইবোৰ “অসমীয়া বিভীষিকা” দেখা যোৱা নাছিল, ইংৰাজ যোৱাৰ পাছত অসমবিৰোধী ‘ভাৰতীয়’ৰ কৰ্তৃত্ব অহাৰ পাছতহে এইবোৰ প্ৰবৃত্তি উক্ দি উঠিছে। তাৰ কাৰণ বাৰু কি?

শ্রীবৰুৱাই নিজেই চিন্তা কৰি চাওক, ভাৰতবৰ্ষৰ লগত থাকি আমাৰ লাভ হৈছে নে লোকচান হৈছে, উপকাৰ হৈছে নে অপকাৰ হৈছে, কল্যাণ হৈছে নে হানি হৈছে। লাভ হৈছে, এনেকুৱা কোনো এটাও উদাহৰণ আছেনে? হানি হোৱা নাই, এনেকুৱা কোনো বিষয় আছেনে? সুৰক্ষাৰ পিনৰ পৰাও, তেখেতে সঁচাকৈয়ে বিশ্বাস কৰে নে যে ভাৰতীয় সৈন্যবাহিনীয়ে অসমক বাহিৰা আক্ৰমণৰ পৰা ৰক্ষা কৰিব? আমি কিন্তু পাহৰা নাই চীনা আক্ৰমণৰ সময়ত কেনেকৈ ভাৰতীয় বীৰ "জোৱানসকলে" দৌৰ দিছিল আৰু নেহৰুৱে আমাক বিদায় যাচিছিল— অসম, নগালেণ্ড, মিজোৰাম, মণিপুৰ আদিৰ বাবে ভাৰতীয় সৈন্যবাহিনী এটা "ধৰ্ষণবাহিনী", সেইখিনিয়েই সিহঁতৰ বীৰত্ব, দূৰৈত চীনা সৈন্য এটা দেখিলেই কিন্তু পাৎলুং তিয়াই দৌৰ দিব, আমাৰ সন্দেহ নাই।

এইবোৰ কথা আমি আগেয়েও ক'বৰ প্ৰয়াস কৰি আহিছোঁ, কিন্তু। 'আজিৰ অসম'ৰ দৰে কাকতেও আমাৰ চিঠি পত্ৰ প্ৰকাশ কৰা নাই, হয়তো সেইবোৰত স্বাধীন অসম তথা বিচ্ছিন্নতাবাদৰ সমৰ্থনত দুই-এষাৰ কথা থকাৰ বাবেই। কিছুদিন আগেয়ে আলফাৰ দ্বাৰা গুৱাহাটী শোধনাগাৰৰ মহাপ্ৰবন্ধকজনৰ অপহৰণ তথা হত্যাৰ ভাবুকিৰ সন্দৰ্ভত আপোনাৰ সম্পাদকীয়ৰ "কিন্তু ৰাজ্যখনৰ জনসাধাৰণ ভাৰতৰ পৰা পৃথক হোৱাৰ দাবী অথবা আদৰ্শৰ হয় বিৰোধী নহ'লেবা সমৰ্থন নকৰে" কথাখিনি মানি ল'ব নোৱাৰি আমি লিখিছিলোঁ যে "আমাৰ গোহাঁৰি এই বিষয়ে এটা জনসমীক্ষা হওক, কিন্তু তাৰ আগেয়ে 'ভাৰতীয় অসম' আৰু 'স্বাধীন অসম' বিচৰা উভয়পক্ষকে নিজ নিজ বক্তব্য দাঙি ধৰিববৈলে সুযোগ দিয়া হওক"। এইটোও দোহৰা হৈছিল যে "বস্তুতঃ, ভাৰতীয় বুলি কোনো ঐক্যবদ্ধ জাতি নাই, এইটো ইংৰাজে প্ৰশাসনিক সুবিধাৰ বাবে কৰি লোৱা কৃত্ৰিম গোট, যিটো আজি কেন্দ্ৰীয় চৰকাৰে শাসন আৰু শোষণ চলাই ৰাখিবৰ সুবিধাৰ বাবে চালু ৰাখিবৰ চেষ্টা কৰি থাকে।" অৱশ্যে আজিৰ ভাৰতত নিৰ্বাচন বা

গণভোট (ৰেফাৰেণ্ডাম) কিমানদূৰ প্ৰকৃত জনমতৰ প্ৰতিফলন সেইটো সন্দেহজনক, কিন্তু যি হওক, এইটো এটা প্ৰস্তাৱ। আৰু এইটোও আমি জানোঁ যে এই মুহূৰ্তত এটা ৰেফাৰেণ্ডাম হ'লে খুব সম্ভৱতঃ অসম ভাৰতবৰ্ষৰ লগতে থাকিব লাগে বুলিয়েই অধিক মতদান হ'ব, কিন্তু সেইটোৱে আমাৰ বিশ্বাস নলৰায়, যে ভাৰতীয় গণৰাজ্য বুলি কোনো বস্তু শেহলৈ নাথাকে (চাৰিওপিনৰ ঘটনাৱলীৰ পিনে এবাৰ চকু ফুৰালেই যিটো কথা স্পষ্ট হৈ পৰে)। আমাৰ বিশ্বাস নলৰে, কিয়নো আমি উক্ত চিঠিতে ক'বৰ প্ৰয়াস কৰিছিলো যে "..... যদিও আমিও স্বাধীন অসমৰ প্ৰয়াসী, আমাৰ বোধেৰে ভাৰতীয় সৈন্যবাহিনীৰ লগত যুদ্ধ কৰাৰ বা গেৰিলা যুঁজেৰে দেশ স্বাধীন কৰাৰ সময় বা মানসিকতা আমাৰ এতিয়াও অহা নাই.... আৰু স্বাধীনতাৰ অদম্য ইচ্ছা বা তাৰ সম্ভাৱনা জনসাধাৰণৰ মনত এতিয়ালৈকে সঞ্চাৰিত হোৱা নাই। আমাৰ বোধেৰে, অসমৰ স্বাধীনতাৰ অন্যতম দুই ঘাই খুঁটি হ'ল আমাৰ অৰ্থনীতিৰ ওপৰত আমাৰ নিজৰ নিয়ন্ত্ৰণ আৰু আমাৰ মাটি.... আমি সদায় এই কথাকেই কৈ আহিছোঁ যে বন্ধুতকৈ বাণিজ্য ডাঙৰ অস্ত্ৰ, 'বাণিজ্যে বসতে লক্ষ্মী'য়েই নহয়, 'বাণিজ্যে বসতে শক্তি'ও [ ইষ্ট ইণ্ডিয়া কোম্পানী, জাপান, .....] .... আমাৰ বোধেৰে, বহিৰাগতক মাটি বণ্টন দিয়া/বিক্ৰী কৰা বন্ধ কৰা কামটো আছুৰ। আলফাৰ শক্তিৰ ভিতৰত..... তেওঁলোকে সেইটো কৰক, স্বাধীনচিতীয়া হ'বলৈ অসমীয়া মানুহৰ বেছিদিন নালাগিব।" ঘাই হাতিয়াৰ হ'ল অধ্যয়ন, অনুশীলন আৰু ব্যৱসায়-বাণিজ্য। সময় আহিব ধৰিছে, ন্যস্তস্বাৰ্থৰ অপপ্ৰচাৰৰ ধুঁৱলি-কুঁৱলী ফালি নিশ্চয় অসমীয়া মানুহৰো চকুত স্পষ্ট হৈ পৰিব যে (১) কোনো কাৰো অধীন হ'ব নালাগে (২) অধ্যয়ন আৰু অৰ্থনীতিৰেই স্বাধীন হ'ব পাৰি।

শেহত, এটা কৌতূহলজনক কথা পঢুৱৈয়ে আৰু শ্ৰীবৰুৱাই নিজেও মন কৰিছেনে নাই নাজানো, তেখেতে যদিও অসম ভাৰতৰ পৰা বিচ্ছিন্ন নোহোৱাৰ সপক্ষে যুক্তি দাঙি ধৰিবৰ চেষ্টা কৰিছে, কথাবোৰত কিন্তু এটা কিবা 'কিন্তু কিন্তু' দ্বিধাভাব ৰৈ গৈছে ; সেয়ে তেখেতে "স্বাধীন

অসমৰ চিন্তা বাস্তৱসন্মত নহয়" বুলি নকৈ "বাস্তৱসন্মত হৈছেনে?" বুলি প্ৰশ্নহে কৰিছে। ইয়াৰ সদুত্তৰো আশা কৰিছোঁ অসমৰ জনসাধাৰণে নিজেই ঠিৰাং কৰি উলিয়াব।

'আজিৰ অসম'লৈ পঠোৱা এই চিঠিখন প্ৰকাশ নোপোৱাত চিঠিখন তেওঁ পিছত কিছু সংযোজনসহ 'সূত্ৰধাৰ'লৈ প্ৰেৰণ কৰিছিল।

# বন্দুকতকৈ বাণিজ্য ডাঙৰ অস্ত্র

সম্পাদক

আজিৰ অসম, গুৱাহাটী

গুৱাহাটী তেল শোধনাগাৰৰ মহাপ্ৰবন্ধক শ্ৰীহৰেকৃষ্ণলাল দাস, তেওঁৰ পুত্ৰ আৰু গাড়ীচালকক আলফাই অপহৰণ কৰি নি পণবন্দী কৰি ৰখা প্ৰসংগত ২৫ জুলাই ১৯৯০ তাৰিখৰ আপোনাৰ কাকতৰ 'অপহৰণৰ পিছত' শীৰ্ষক সম্পাদকীয়ত আপুনি লিখিছে যে "আলফাৰ ৰবীনহুডধৰ্মীয় কাৰ্যকলাপ জনপ্ৰিয় হ'লেও ইয়াৰ বিচ্ছিন্নতাবাদী শ্ল'গান বা আদৰ্শ অসমৰ জনসাধাৰণৰ মাজত মুঠেই জনপ্ৰিয় নহয়। অসমে দেশৰ আন ৰাজ্যবোৰৰ সৈতে সমমৰ্যাদা, সমান অৰ্থনৈতিক সা-সুবিধা আদি বিচাৰে আৰু সংবিধানৰ ভিতৰতে থাকি ফেডাৰেল ব্যৱস্থাৰে ৰাজ্যসমূহৰ পুনৰ্গঠন নতুবা ৰাজ্যসমূহক অধিক ক্ষমতা প্ৰদান আদি ব্যৱস্থা প্ৰৱৰ্তন কৰাটো বিচাৰে। কিন্তু ৰাজ্যখনৰ জনসাধাৰণ ভাৰতৰ পৰা পৃথক হোৱাৰ দাবী অথবা আদৰ্শৰ হয় বিৰোধী নহ'লেবা সমৰ্থন নকৰে।" এই উক্তি আমি মানি ল'ব নোৱাৰিলোঁ। অসমৰ জনসাধাৰণ ভাৰতৰ পৰা পৃথক হোৱাৰ বিৰোধী এই ঘোষণা আপুনি বাৰু কিহৰ ভিত্তিত কৰিলে? আমি যিমান মানুহৰ লগত কথা হৈছোঁ, দেখিছোঁ যে সকলোৱে অসম স্বাধীন আৰু

সাৰ্বভৌম হোৱাৰ পক্ষপাতী, কিন্তু 'ৰাজদ্ৰোহ'ৰ অপৰাধত পৰাৰ ভয়ত প্ৰকাশ্যে সেই কথা প্ৰচাৰ কৰিব নোৱাৰে। আমি নিজে সদায় দাবী কৰি আহিছোঁ যে দুখন বিদেশী ৰাষ্ট্ৰ বৃটেইন আৰু ব্ৰহ্মদেশৰ মাজত হোৱা ইয়াণ্ডাবু চুক্তিৰ ফলত তৃতীয় ৰাজ্য অসম বৃটেইনৰ তললৈ যাব নোৱাৰে, আৰু ইংৰাজ যোৱাৰ লগে লগে যেনেকৈ ব্ৰহ্মদেশ, সিংহল (শ্ৰীলংকা) আদি স্বাধীন হ'ল তেনেদৰে অসমো স্বাধীন হোৱা উচিত আছিল। আৰু এতিয়াও অসম ভাৰতবৰ্ষৰ বহতীয়া উপনিৱেশ হৈ থকাৰ কোনো যুক্তি নাই। আমি য'তে এইবোৰ কথা লিখিবৰ সুযোগ পাইছোঁ (সম্পাদকৰ লগত বাক্-বিতণ্ডা কৰি), ক'বৰ চেষ্টা কৰিছোঁ, আৰু আমাৰ দৃঢ় বিশ্বাস যে স্বাধীন জাতিৰ স্বাধীন মন অধিকাংশ অসমীয়াৰে আছে। ঔপনিৱেশিক চৰকাৰ আৰু গোলামীৰ পৃষ্ঠপোষকসকলে আমাক 'বিচ্ছিন্নতাবাদী' বুলি কওক (তাত আমাৰ গাৰ নোম নলৰে, কিয়নো কথাটো সঁচা), আমি কিন্তু নিজক ক'ম 'মুক্তিকামী'। আমাৰ বুজাত ভুল হ'ব পাৰে (?), কিন্তু "মই স্বাধীন হ'ব খোজোঁ" কথাটো কোৱাৰো মোৰ অধিকাৰ নাই, মই "স্বাধীন ভাৰত"ৰ নাগৰিক? গতিকে আমাৰ গোহাঁৰি এই যে এই বিষয়ে এটা জনসমীক্ষা হওক, কিন্তু তাৰ আগেয়ে "ভাৰতীয় অসম" আৰু "স্বাধীন অসম" বিচৰা উভয় পক্ষকে নিজ নিজ বক্তব্য দাঙি ধৰিবলৈ সুযোগ দিয়া হওক।

সংবিধান অৰ্থাৎ 'ভাৰতীয়' সংবিধানৰ ভিতৰতে থাকি "আন ৰাজ্যবোৰৰ সৈতে সমমৰ্যাদা, সমান অৰ্থনৈতিক সা-সুবিধা আদি" যে উপনিৱেশ অসমে কেতিয়াও নাপায়, আজি ৪৩ বছৰৰ "স্বাধীনতা"ৰ পাছতো সেই বিষয়ে কাৰোবাৰ সন্দেহ আছে নে? যদি আছে তেন্তে এইকাৰণেই আছে যে আমি অসমীয়া মানুহ সহজেই আনৰ কথাত ভোল যাওঁ, বিদেশী বেপাৰীয়ে যিহকে কিনিবলৈ কয় ধাৰ কৰি হ'লেও তাকে কিনো, বাহিৰা মানুহে যি খাব কয়, পিন্ধিব কয়, চাব কয়- তাকেই কৰোঁ, আৰু নিজৰ অবাধ লুণ্ঠনকাৰ্য অব্যাহত ৰাখিবলৈ কেন্দ্ৰীয় চৰকাৰ আৰু

তাৰ দালালবোৰে অহৰহ আমাক বুজাই আছে যে অসম স্বাধীন হোৱাটো অসম্ভৱ, ভাৰতবৰ্ষৰ বাহিৰত থকাটো এটা আকাশকুসুম। কিন্তু অসমীয়া কোনোদিনে ভাৰতীয় নাছিল আৰু অসমীয়া কোনোদিনে ভাৰতীয় হ'বও নোৱাৰে। (বস্তুতঃ, ভাৰতীয় বুলি কোনো ঐক্যবদ্ধ জাতি নাই, এইটো ইংৰাজে প্ৰশাসনিক সুবিধাৰ বাবে কৰি লোৱা কৃত্ৰিম গোট, যিটো আজিৰ কেন্দ্ৰীয় চৰকাৰে শাসন আৰু শোষণ চলাই ৰাখিবৰ সুবিধাৰ বাবে চালু ৰাখিবৰ চেষ্টা কৰি থাকে)।

যিহওক, ঘাই প্ৰসংগলৈ উভতি আহি আমি ক'ব খোজো যে আপোনাৰ লগত আমিও একমত যে পণবন্ধী কেইজনক হত্যা কৰিলে আলফা "অসমৰ জনসাধাৰণৰ অপ্ৰিয় হ'ব আৰু যিকোনো ধৰণৰ সহানুভূতিও ই হেৰুৱাব লগা হ'ব।" আৰু যদি তাৰ ফলত অসমত ৰাষ্ট্ৰপতিৰ তথাকথিত "শাসন" প্ৰৱৰ্তিত হয় তেন্তে "জনসাধাৰণ আলফাৰ বিৰুদ্ধে যোৱাৰ সম্ভাৱনাই বেছি।" অসমত বদমাচ মন্ত্ৰী, ভেটিখোৱা বিষয়া, চোৰাং কাৰবাৰী, অসমদ্ৰোহী বিধায়ক, ঔষধ আৰু খাদ্য ভেজালকাৰী আদি ব্যক্তিৰ অভাৱ নাই— নিৰপৰাধী ব্যক্তিৰ ঠাইত সেইবোৰৰ কোনোবা এজনক অপহৰণ কৰি শাস্তি দিলে আলফাই বিপুল জনসমৰ্থন পাব— তেওঁলোকে সেইটো নকৰে কিয়? (শোধনাগাৰ কৰ্মীৰ পৰা আমি শুনামতে শ্ৰীদাস এজন নিৰ্ভেজাল আৰু সৎ ব্যক্তি, তেওঁ অসমদ্ৰোহীও নহয়, তেওঁ এজন বিষয়া মাত্ৰ, আৰু ছাত্ৰ সন্থাই দাবী কৰা কামবোৰৰ ভিতৰত তেওঁৰ সাধ্যত থকাখিনি তেওঁ কৰিছে)।

আলফাৰ দৰে যদিও আমিও স্বাধীন অসমৰ প্ৰয়াসী, আমাৰ বোধেৰে ভাৰতীয় সৈন্যবাহিনীৰ লগত যুদ্ধ কৰাৰ বা গেৰিলা যুদ্ধেৰে দেশ স্বাধীন কৰাৰ সময় বা মানসিকতা আমাৰ এতিয়াও অহা নাই, আলফাৰ কোনো ব্যাপক তৃণমূল সংগঠন বা সমৰ্থক নাই, আৰু স্বাধীনতাৰ অদম্য ইচ্ছা বা তাৰ সম্ভাৱনা জনসাধাৰণৰ মনত এতিয়ালৈকে সঞ্চাৰিত হোৱা নাই। আমাৰ বোধেৰে, অসমৰ স্বাধীনতাৰ অন্যতম দুই ঘাই খুটি

হ'ল আমাৰ অৰ্থনীতিৰ ওপৰত আমাৰ নিজৰ নিয়ন্ত্ৰণ আৰু আমাৰ মাটি (যদিও অৱশ্যে দুয়োটা পৰস্পৰ বিচ্ছিন্ন কথা নহয়)— এই দুটা বস্তু আমাৰ হাতত থাকিলে আমি স্বাধীনতাৰ পথত বহুদূৰ অগ্ৰণী। আমি সদায় এই কথাকেই কৈ আহিছোঁ যে বন্দুকতকৈ বাণিজ্য ডাঙৰ অস্ত্ৰ, 'বাণিজ্যে বসতে লক্ষ্মী'য়েই নহয়, 'বাণিজ্যে বসতে শক্তি'ও (ইষ্ট ইণ্ডিয়া কোম্পানী, জাপান)। অসমৰ বিভিন্নখন চৰকাৰে বাহিৰা প্ৰতিষ্ঠান আৰু ব্যৱসায়ীক মাটি দিয়েই আছে, বহিৰাগতক মাটি দিয়েই আছে (ভোট আৰু ভেটিৰ বাবে), কথাই-অকথাই চাৰিটা পইচাৰ লোভত আমাৰ মানুহে বহিৰাগতক মাটি বিক্ৰী কৰি কৰি নিজৰ ঠাইতে ভিক্ষাৰী হৈ আহিছে, আৰু ভিক্ষাৰীৰ বাবে ভাত এগৰাহেই ডাঙৰ কথা, 'স্বাধীনতা' আকৌ কি বস্তু? আমাৰ বোধেৰে, বহিৰাগতক মাটি বণ্টন দিয়া/বিক্ৰী কৰা বন্ধ কৰা কামটো আলফাৰ শক্তিৰ ভিতৰত, আমাৰ অনুৰোধ, তেওঁলোকে সেইটো কৰক, স্বাধীনচিতীয়া হ'বলৈ অসমীয়া মানুহৰ বেছিদিন নালাগিব। ইতি—

*আলফাৰ সময়-সীমা আছিল ২৮.৭.'৯০, এই চিঠিখন বাতৰি কাকতৰ কাৰ্যালয়ত দিয়া হৈছিল ২৬.৭.'৯০ তাৰিখে, প্ৰকাশ নাপালে। —লেখক*

# আকৌ অসম বন্ধ!

সম্পাদক

অসম বাণী, গুৱাহাটী

২৪ ফেব্ৰুৱাৰী তাৰিখে গোৱালপাৰা জিলাৰ এঠাইত আছিলো, ২৫ তাৰিখে কেইটামান দৰ্কাৰী কাম শেষ কৰি গুৱাহাটীলৈ উভতি আহিবই লাগে, ঘৰত অসুখ আছে। হঠাতে ১১টা মান বজাত কাগজ আহি পোৱাত জনা গ'ল যে ২৫ তাৰিখে শুকুৰবাৰৰ পুৱা ৫ বজাৰ পৰা আছুৱে ৩৬ ঘণ্টাৰ 'অসম বন্ধ' ঘোষণা কৰিছে। কাম-বন সকলো পণ্ড হৈ গ'ল, ঘৰৰ অসুখ হেতু দেওবাৰলৈ বৈ থাকিবও নোৱাৰি, কোনোমতে লৰালৰিকৈ বাছ এখন ধৰি সন্ধিয়া সময়ত আদাবাৰী পালোহি। তিনিচুকীয়াত ৫ জন যুৱকক ভাৰতীয় সৈন্যবাহিনীয়ে হত্যা কৰাৰ খবৰ ওলোৱাৰ লগে লগেই আছুৱে যাৰ মস্তিষ্কত 'বন্ধ' আৰু 'নিষ্প্ৰদীপ'ৰ বাহিৰে আন একো নাই— অসমৰ সমস্ত মানুহৰ ওপৰত আৰু এটা ৩৬ ঘণ্টীয়া বন্ধ জাপি দিলে, মানুহক এদিন বা আধাদিনৰ আগজাননী দিয়াৰো কোনো আৱেশ নহ'ল। অসংখ্য মানুহৰ নানান কাম-কাজ-জীৱিকাৰ সংস্থান বন্ধ হৈ গ'ল, মোৰেই পৰিচিত কেইবাঘৰো গৰাকীৰ অস্ত্ৰোপচাৰৰ ব্যৱস্থা (বিয়া/অভ্যৰ্থনা আদিৰ কথা বাদেই দিলো) থানবান হৈ গ'ল,

আৰু অতি গুৰুত্বপূৰ্ণ কথা (কিন্তু এইটো তথাকথিত 'ছাত্ৰ' সন্থাই বোধহয় অবান্তৰ বুলি ভাবে) ছাত্ৰ-ছাত্ৰীৰ দুটা শৈক্ষিক দিন নষ্ট হৈ গ'ল। যুৱক ৫ জনৰ ওপৰত হোৱা অত্যাচাৰ আৰু তেওঁলোকক গুলীয়াই হত্যা কৰি, অতি মৰ্মান্তিক ঘটনা, তাত শোকাভিভূত হৈ নপৰা বা খঙত জ্বলি নুঠা মানুহ নোলাব। কিন্তু তাৰ প্ৰতিবাদত বন্ধ কৰি ঘৰত সোমাই থাকিলে ভাৰতীয় সৈন্যবাহিনীৰ কি গাৰ নোম লৰিব? নে লাজে-দুখে ভাৰতীয় সৈন্যবাহিনীয়ে ভৱিষ্যতে আৰু কোনো অতিচাৰ নকৰিব? মৃতকসকলৰ আত্মীয়-স্বজনৰ কি মানসিক সকাহ হ'ব? প্ৰতিবাদৰ ৰাস্তা অকল 'বন্ধ' নেকি? আছুৰ ল'ৰাবোৰে খাটি খাব নালাগে, কাম-বন নকৰে, মাক-বাপেকৰ ওপৰত খায় বা বেপাৰীক ডকা দি ধন সৰকায়, আৰু মোনাভাৰি কৰে— অইন মানুহৰ যে গুৰুত্বপূৰ্ণ কাম-কাজ থাকিব পাৰে, অসুখ-বিসুখ থাকিব পাৰে, আদি ১৪/১৫ বছৰে আছুৰ মূৰত নোসোমাল, সেইবোৰ তুচ্ছ কথা। আছুৰ প্ৰতিক্ৰিয়া (ৰিফ্লেক্স) হ'ল পাভ্‌লভৰ কুকুৰটোৰ দৰে ঘণ্টাটো শুনিলেই ভোক লাগে আৰু জিভাৰ পানী বয়, কিবা এটা ঘটিলেই আছুৰ নেতৃত্বৰ মূৰত হমকৈ বাজি উঠে "বন্ধ! বন্ধ!"

এই অৰ্বাচীন বন্ধবোৰৰ ফলত যোৱা দুই দশক আমি ৰাইজ অতিষ্ঠ হৈ আহিছোঁ, যিটোৰ বিন্দুমাত্ৰ উপযোগিতা বা সুফল নাই, তথাপিয়ো সেই একেবিধ দাম নিদিয়া ঔষধকে খায়েই থাকিব লাগিব, খায়েই থাকিব লাগিব।

আছু এটা বিশ্বাসঘাতক অনুষ্ঠান (যিয়ে শ শ শ্বহীদৰ আত্মত্যাগ আৰু সৰ্বসাধাৰণ ৰাইজৰ অশেষ কষ্ট স্বীকাৰৰ বিনিময়ত ৰাজীৱ গান্ধীৰ এক ধমকত 'অসম চুক্তি' নামৰ কলংকিত কাগজ টুকুৰাৰে অসমত বাংলাদেশীৰ অবাধ ৰাজত্ব সুনিশ্চিত কৰি দিছে ; চুক্তিত আগে আগে এই বিশ্বাসঘাতকতাৰ উমান পাই হাজাৰ হাজাৰ মানুহ দিল্লীৰ পৰা আহি পাবলগীয়া আছুৰ নেতাসকলক পিটিবলৈ বৰঝাৰলৈ যায়, যাৰ ফলত তেওঁলোক বৰঝাৰত নানামি পুনৰ দিল্লীলৈ উভতি যায়)। তাৰ পৰা

জন্ম হোৱা অগপও একেই অসৎ আৰু সুবিধাবাদী অনুষ্ঠান (আজি অগপৰ বিবৃতি আৰু ধৰ্ণা আদিৰ ছবি দেখিলে মানুহে কয় "বহুদিন মন্ত্ৰী-এম এল এ" হৈ টকা-পইচা খাব পোৱা নাইতো, সেই কাৰণে কুচকাৱাজ কৰি দেখুৱাব ধৰিছে")— মই নিজে বহুদিন হ'ল আছু বা অগপৰ কোনো বিবৃতি পঢ়ি সময় নষ্ট নকৰো— যিবোৰ ল'ৰাই এশাৰী শুদ্ধ ইংৰাজী (এনেকি শুদ্ধ অসমীয়াও) ক'ব বা লিখিব নোৱাৰে, সেইবোৰেই মহাবিজ্ঞৰ দৰে মুখ কৰি কিবা 'ফেডাৰেল গাঁথনি' আদি ডাঙৰ ডাঙৰ কথা কৈ সুদূৰ দিল্লীত ছেমিনাৰ পাতে (টকা ক'ৰ পৰা আহে?) গেছ-ক্ৰেকাৰ আৰু ৰিফাইনাৰী আদিৰ বিষয়ে বক্তৃতা দিয়ে, মূল্যবৃদ্ধি ৰোধৰ বিষয়ে আস্ফালন কৰে (যিটো আছু নেতাই ভালদৰেই জানে) যে আছুৰ ল'ৰাই ব্যৱসায়ীৰ পৰা বলপূৰ্বক অনা টকাৰ ক্ষতি পূৰণ হিচাপে ব্যৱসায়ীয়ে দাম বঢ়াই দিয়ে। কিন্তু তেনেবোৰ কাম বন্ধ হ'বলৈ নিদিয়ে, দেশৰ সকলো সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক ব্যৱস্থা তেওঁলোকেই যেন একচেতীয়াভাৱে লৈছে, সমাধানৰ উপায় হ'ল বিবৃতি, শ্ল'গান, বন্ধ, নিষ্প্ৰদীপ।

অৱশ্যে সকলো ক্ষেত্ৰতে দেখা যায় যে এইবোৰৰ পিছপিনে আছে 'নেতা' হোৱাৰ সুবিধা। 'নেতা' হৈ ভোগ-বিলাস, দুৰ্নীতি আৰু স্বেচ্ছাচাৰিতা, আৰু আছু তথা অগপ আদিত কৰা আমাৰ সৰল বিশ্বাসৰ ফল আজি আমি দেখিছো যে ভেটি অবিহনে এখোজ লৰাৰ উপায় নাই আৰু অসম বুলি এখন ঠাই বৰ্তি থকাৰ সম্ভাৱনাই আৰু নোহোৱা হৈ আহিছে। এইবোৰ হ'ল কাপুৰুষৰ অনুষ্ঠান— নিজে চহৰত সুৰক্ষিত থাকি, পঞ্চতাৰকা হোটেলত সময় কটাই গাঁও-ভূঁইৰ দুখীয়া-নিচলা ৰাইজক পুলিচ-মিলিটাৰীৰ অত্যাচাৰৰ বলি হ'বলৈ ঠেলি দিয়ে, নিজৰ দেহৰ আৰু গাদীৰ ৰক্ষণাবেক্ষণৰ বাবে সৃষ্টি কৰে তথাকথিত 'বিপ্লৱী' অনুষ্ঠান, যেনে— 'আলফা', যাৰ নেতাবোৰ গৈ বাংলাদেশত সোমাই থাকে, পাকিস্তানৰ চোৰাংচোৱা সন্থাৰ আঙুলিৰ জোকাৰত উঠা-বহা কৰে, আৰু অসমৰ গাঁও-ভূঁইৰ আবাল-বৃদ্ধ-বনিতাক অত্যাচাৰ আৰু ধৰ্ষণৰ লক্ষ্য হ'বলৈ এৰি

দিয়ে ; এই তথাকথিত বিপ্লৱীসকলৰ জনসাধাৰণৰ লক্ষ্য কোনো খোপনি নাই— এই ল'ৰাবোৰে কাহ্নি নে ক'ৰবাত মানুহ মাৰিবলৈ শিকি আহিছে আৰু কেইটামান বন্দুক, পিষ্টল যোগাৰ কৰি য'তে যাকে পাইছে কথাই-অকথাই গুলীয়াই ফুৰিছে, সেয়েই বিপ্লৱ, সেইটো কৰিলেই অসম স্বাধীন হৈ যাব। এইবোৰৰ বীৰত্ব সমুখ সমৰ বা জনজাগৰণৰ নেতৃত্ব নহয়, এইবোৰৰ বীৰত্ব হ'ল গাঁৱৰ ছোৱালীক ধৰ্ষিতা হ'বলৈ এৰি দি পলাই আহি লক্ষীপথাৰ আদি ঠাইত নিৰ্জু লোকৰ গণ কবৰ। এই ভণ্ড, কাপুৰুষ অনুষ্ঠানবোৰে অসমৰ কোনো মংগল কৰিব নোৱাৰে (আৰু নোখোজে), নকৰে। যেনে— আছুৱে আজিলৈকে কোনো এটা ধনাত্মক কাম কৰা নাই (কিন্তু কৰা যেন দেখিলেও এই প্ৰসংগতে সবিনয়ে ক'বলৈ বাধ্য হৈছোঁ যে আমি কিছুমান ক্ষেত্ৰত কৰিবৰ চেষ্টা কৰিছোঁ, যিবোৰ ক্ষেত্ৰতে ছাত্ৰসকলৰ অসৎ মনোবৃত্তি দেখি স্তম্ভিত হৈছোঁ— সেইবোৰ বিতং তথ্য কেতিয়াবা সূচাৰুভাৱে বিবৃত কৰা হ'ব)। আমাৰ বক্তব্য এয়ে যে তোমালোক যদি ছাত্ৰ সন্থা, তেন্তে ছাত্ৰ হোৱা, পঢ়া-শুনা কৰা, অনুশীলন কৰা, অইন ইচ্ছুক ল'ৰা-ছোৱালীকো পঢ়া-শুনা কৰিবলৈ দিয়া। পঢ়া-শুনা নকৰি তোমালোকে দেশৰ আৰু দহৰ কোনো ভাল কৰিব নোৱৰা (হয়তো কিছু পাৰিলাহেঁতেন, যদি তোমালোকৰ আন্তৰিকতা বা সততা বুলি কিবা থাকিলহেঁতেন)— যেনে- অসমীয়া মানুহে বিদেশীক মাটি বিক্ৰী কৰাটো তোমালোকে ইচ্ছা (তীব্ৰ মাৰ্কিন বোমাবৰ্ষণৰ মাজে মাজেও ভিয়েটনামৰ পঢ়াশালিবোৰ চলি আছিল) কৰিলে বন্ধ কৰিব পাৰিলাহেঁতেন (আলফায়োও পাৰে) আৰু এই আহ্বান আমি বহুবাৰ দিছোঁ— আৰু ইচ্ছা থাকিলে এতিয়াও পাৰা। ভোটাৰ তালিকাখন বিদেশীমুক্ত হ'লনে নাই সেইটো তোমালোকে ইচ্ছা কৰিলে থলে থলে উপস্থিত থাকি নিশ্চিত কৰিব পাৰিলাহেঁতেন— কিন্তু তোমালোকৰ সেই আগ্ৰহ নাই (পাঞ্জাৱৰ ছাত্ৰসকল কিন্তু চৰকাৰী দলৰ লগত প্ৰতিখন গাঁৱলৈ গৈ নিশ্চিত কৰিছে কিমান হিন্দু আছে)। আছুৱে ছাত্ৰ-ছাত্ৰীৰ, অসমৰ, অসমীয়াৰ কি মংগল

কৰিছে, কেতিয়া কি কল্যাণ কৰিছে? বৰং, আছুৰ হঠকাৰীতাৰ ফলত আজি বিভিন্ন জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰী অসমৰ ঘোৰ বিৰোধী হৈ উঠিছে। শৈক্ষিক আৰু সামাজিক জীৱন সম্পূৰ্ণ বিপৰ্যস্ত হৈ গৈছে।

তিনিচুকীয়া জিলাৰ ল'ৰা ৫ জনক কেতিয়া কি সেনাবাহিনীয়ে ধৰি লৈ গৈছিল আমি নাজানোঁ। এইবোৰ ঘটনা আজিকালি দৈনন্দিন আৰু বিভ্ৰান্তিকৰ, প্ৰত্যেকটোৰ খুঁটি-নাটি ৰখা নাযায়— কিন্তু 'আছু' বুলি বা 'আলফা' বুলি যদি দুটা একেবাৰে অদৰকাৰী বস্তু নাথাকিলহেঁতেন, তেন্তে এই ৫টি তৰুণ জীৱনৰ এনেকুৱা শোকাৱহ সমাপ্তি নঘটিলহেঁতেন (কাৰণ অসমৰ অশান্তিৰ পশ্চাদভূমি হ'ল আছু আৰু আলফাৰ সৃষ্টি)— তেনেদৰে আৰু শ শ উদীয়মান যুৱক-যুৱতীৰো জীৱন বা মৰ্যাদা নষ্ট হৈ নগ'লহেঁতেন, যিসকলৰ শিক্ষা-দীক্ষা, কৰ্মকুশলতা হ'লহেঁতেন স্বাধীন অসমৰ সম্পদ। এইবোৰ দৈনন্দিন হানিৰ বাবে আছু দায়ী, আলফা দায়ী (চৰকাৰী সন্ত্ৰাসৰ কথাটো লগতে জড়িত, প্ৰতিক্ৰিয়াৰূপে)। অসমীয়া মানুহক অনৰ্গল ধাপ্পা দি এনেকুৱা অসহনীয় আৰু ধংসাত্মক পৰিস্থিতিৰ সৃষ্টি কৰা বাবে এইসকলক অসমে কোনোদিনে ক্ষমা নকৰে।

বহুতে হয়তো ক'ব, আমাৰ ডেকা ল'ৰা মাৰি-ধৰি শেষ কৰিব ধৰিছে, এওঁৰ এটা বন্ধতেই গা ঘূৰিছে। এইক্ষেত্ৰত হয়তো এটা 'বন্ধ'ত বহুতে সহাঁৰিয়েই দিব, শোকত, ক্ষোভত শক্তিহীন লোকৰ আৰু আথনি। বিকল্প বিচাৰি নাপায়। কিন্তু আমাৰ আপত্তিটো এয়ে যে যিটো ঔষধ নিষ্ফল (এনেকি হানিকৰ) বুলিও জানো সেইটো আমি বাৰে বাৰে খাব লাগিব কিয়? মানিলোহেঁতেন, যদি বন্ধৰ ফলত চৰকাৰৰ পুলিচ-মিলিটাৰীৰো চলন-ফুৰণ আৰু কাৰ্যকলাপ বন্ধ হৈ গ'লহেঁতেন, কিন্তু নিজে নিজক বন্ধ কৰি সেইবোৰক অবাধে চলি থাকিবলৈ দিয়াটো মূৰ্খামি নহয়নে? আছু, অগপ আদি হ'ল আমাৰ বাটৰ কাঁইট, এইবোৰ চলে মিছা কথা আৰু ভুঁৱাৰ ওপৰত, তাৰ নেতাসকলে নিজৰ নিজৰ সকলো সা-সুবিধা হাচিল কৰি লয়, সাধাৰণ মানুহ অৰ্থনৈতিক, ৰাজনৈতিক আৰু

সন্ত্ৰাসবাদী জোৰ-জুলুমত ('বিপ্লৱী' আৰু ৰাষ্ট্ৰীয়, দুয়োবিধ) জুৰুলা হৈ পেঁপুৰা লাগি থাকে। আমাৰ বোধেৰে আছু, অগপ, আলফা আদিৰ সঁচ অসমৰ পৰা নিশ্চিহ্ন কৰি দিয়া উচিত। যোৱাবাৰ উদ্ভগুালি আৰু দুৰ্নীতিৰ চৰম শিখৰত উঠা অগপ চৰকাৰক কেন্দ্ৰই বৰ্খাস্ত কৰি দিওঁতে ৰাইজে কিযে স্বস্তিৰ নিশ্বাস পেলাইছিল— সামৰিক আতিশয্যৰ শংকা থকা সত্ত্বেও সেই কথা নিশ্চয় ৰাইজৰ মনত আছে)। এইটো অনুষ্ঠান যিমানদিন থাকিব তিমানদিন আমাৰ ল'ৰা-ছোৱালী অশিক্ষিত আৰু মূৰ্খ হৈ থাকিব, ল'ৰাবোৰ সম্পূৰ্ণ স্বাৰ্থপৰ আৰু কাপুৰুষ হৈ থাকিব, জনসাধাৰণ পদে পদে প্ৰবঞ্চিত আৰু নিপীড়িত হৈ থাকিব। কাৰণ, ল'ৰা-ছোৱালীয়ে অনুকৰণ কৰিবলৈ কোনো সততা বা আদৰ্শ নেদেখিব (আজি আছুৰ ল'ৰাবোৰে চুৰি-ডকাইতি, বলপূৰ্বক ধন আদায় আৰু মাকৰ বয়সীয়া তিৰোতা ধৰ্ষণ কৰি ফুৰিছে, নেতৃত্ব কিন্তু চুপ)— এইবোৰ অনুষ্ঠান নিশ্চিহ্ন হ'লেহে সমস্ত ছানি ধৰা বিকৃত ('দুই নম্বৰী') মূল্যবোধবোৰ লাহে লাহে অদৃশ্য হ'লেহে ছাত্ৰ-ছাত্ৰীয়ে গম পাব যে ভণ্ডামি আৰু বিনা পৰিশ্ৰমে টকা লুটি ফুৰাৰ বাহিৰেও পৃথিৱীত আন ধৰণে চলিব পাৰি, যে নিজৰ চেষ্টাৰেই শৈক্ষিক আৰু বৃত্তিগত অৰ্হতা অৰ্জন কৰিব পাৰি, যে ডকাইতি কৰি চলোৱা মাৰুতিখনতকৈ নিজ পৰিশ্ৰমৰ ধনেৰে কিনা চাইকেলখনত উঠি তৃপ্তি বেছি, যে নাৰী ধৰ্ষণতকৈ নাৰীৰ সহায়ক আৰু প্ৰীতিভাজন হ'ব পৰাটোৱে প্ৰকৃত পুৰুষত্ব। এইবোৰ বিবৃতি আদি আমি তাচ্ছিল্য সহকাৰে উপেক্ষা কৰাই উচিত পন্থা হ'ব।

আলফাৰ দৰে আমিও অসম স্বাধীন হোৱাটো বিচাৰো, কিন্তু আমি বাৰে বাৰে কৈ আহিছেঁ, যে তাৰ বাবে মানুহ মাৰি ফুৰিব নালাগে, আমাৰ মানুহৰ মাজত স্বাধীনতাকাংখ্যাৰ বীজ ৰোপণ কৰি দিব পাৰিলে আৰু আমাৰ অৰ্থনীতি আমাৰ নিজৰ হাতত ৰাখিব পাৰিলেই আমি স্বাধীন হ'ব পাৰিম— সশস্ত্ৰ বিপ্লৱৰ দিন উঠি গৈছে, আৰু চাহ বাগানৰ বিষয়াক গুলী কৰাতকৈ চাহ বাগানৰ মালিক হোৱাৰ অৰ্হতা আয়ত্ব কৰাটোৱেহে

বুজাব যে আমি স্বাধীন হোবাব যোগ্য। ব্যবসায়-বাণিজ্য, পঢ়া-শুনা আৰু ঐকান্তিক কৰ্ম-অনুৰাগেই স্বাধীন হোবাৰ পথ, ডকাইতি আৰু প্যঠি-খলিহনা শুনীয়াই মাৰি ফুৰাটো নহয়। ইতি—

# শ্ল’গানেৰে বিদেশী বহিষ্কৃত নহয়

‘অসম বাণী’ৰ সম্পাদক মহোদয়ে যিকেইটা প্ৰশ্ন সুধিছে, তাৰ উত্তৰৰ বাবে আমালৈ ঠাই হ’ব নে নহয় নাজানোঁ, দুটা কাৰণত। প্ৰথমটো এয়ে যে তেখেতে উত্তৰবোৰ চুটি কৰিবলৈ কৈছে, কিন্তু দুৰ্ভাগ্যবশতঃ বাক্‌স্বল্পতাৰ গুণখিনি আমাৰ নাই, আমি বিস্তৰ বকলা মেলিহে কথা এটাৰ উত্তৰ দিব পাৰোঁ। দ্বিতীয় কাৰণটো তাতোকৈ গুৰু, কিয়নো বৰ্তমানৰ আন্দোলন আৰু সমস্যা-অৱলোকন চলি আছে তথাকথিত ‘গান্ধীবাদী’ দৃষ্টিভংগীৰ পৰা, আৰু আমি হ’লো গান্ধী-বিৰোধী আৰু গান্ধীবাদ-বিৰোধী (গতিকে কোনো সংলাপ সম্ভৱ হয় নে নহয় ক’ব নোৱাৰোঁ)। আমি গান্ধীবাদৰ আজিৰ দিনত কিবা প্ৰাসংগিকতা আছে বুলি নাভাবোঁ আৰু আমি গান্ধী এজন ‘মহাত্মা’ বুলি বিশ্বাস নকৰোঁ। এইবোৰ কথা আমি য’তে স্থান পাইছোঁ প্ৰবন্ধ-পাতিত ব্যক্ত কৰিছোঁ (বিশেষকৈ বিদেশী বহিষ্কাৰ আন্দোলনৰ মাজত ‘মহাবাহু’ আলোচনীত প্ৰকাশিত আমাৰ ‘সত্যাগ্ৰহ এপাত অস্ত্ৰ নহয়’ আৰু শ্ৰীঅঞ্জন শৰ্মাই লিখা ‘হিংসা নে অহিংসা’ কিতাপৰ পাতনি দ্ৰষ্টব্য), সেয়ে সেই বিষয়ে ইয়াত অধিকতৰ আলোচনা নকৰোঁ, মাথোঁ ইয়াকেই ক’ব খোজোঁ যে অকৰা, অলস অসমীয়াকেইজনৰ বাহিৰে ভাৰতবৰ্ষত তথা পৃথিৱীৰ আন কোনো জাতিয়ে গান্ধীবাদক এটা কাৰ্যকৰী পন্থা হিচাপে নলয়, আৰু অলপ চিন্তা কৰি চালেই যিকোনো ব্যক্তিয়েই

গান্ধী তথা গান্ধীবাদৰ কপটতা উপলব্ধি কৰিব পাৰিব। (এটা মাত্ৰ উদাহৰণ যদি লওঁ, শেহতীয়া তেনে এক ব্যক্তি হ'ল গান্ধী শান্তিপ্ৰতিষ্ঠান [Gandhi Peace Foundation]ৰ লগত সক্ৰিয়ভাৱে জড়িত আৰু "গান্ধী মাৰ্গ" আলোচনীৰ সম্পাদক টি. কে. মহাদেৱন— শ্ৰীমহাদেৱনে ২/১০/৮৩ তাৰিখৰ "ইলাষ্ট্ৰেটেড উইক্‌লি অফ ইণ্ডিয়া"ত লিখিছেঃ ".... মোহনদাস কৰমচাঁদ গান্ধীয়ে আমালৈ এৰি যোৱা বিশৃংখল লাম-লাকটুৰ বিপজ্জনক উচ্ছিষ্ট .... হয় আমি নিজকে এই পৰম্পৰা (উত্তৰাধিকাৰীকাৰ)ৰ পৰা বিচ্ছিন্ন কৰাৰ নৈতিক সাহস গোটাম আৰু স্বাধীনচিতীয়া হ'ম ('নিজৰ ভৰিত থিয় দিম'), নহয় আমি মহাত্মাই বৰ্ষণ কৰি যোৱা চৰ্বিত-চৰ্বনকে পাগুলি পাগুলি পদ্মাসনত আৰাম কৰি বহি থাকিম.... গান্ধীয়ে দেশ-বিভাজন প্ৰতিহত কৰিব পাৰিলেহেঁতেন, কিন্তু তেওঁ আঙুলি এটাও নাডাঙিলে..... গান্ধীৰ চোৰ-চুচুক (furtive) ব্যক্তিত্ব আৰু জাতিৰ বাবে তাৰ সৰ্বনাশী পৰিনাম..... তেওঁৰ জীৱন আৰু কীৰ্তি সামগ্ৰিকভাৱে চালে আমি ক'ব নোৱাৰোঁ যে তেওঁ এজন 'ধাৰ্মিক' ব্যক্তি আছিল.... (তেওঁৰ) আহিংসাৰ অন্ধ-বাত্তিক.....", ইত্যাদি। একেটা প্ৰবন্ধতে কে. এম. মুন্সীয়ে গান্ধীলৈ লিখা চিঠি এখনৰ এটুকুৰা উদ্ধৃত হৈছেঃ "আপুনি কৈছে .... যে 'কংগ্ৰেছীয়ে প্ৰত্যক্ষ বা পৰোক্ষভাৱে সহিংস প্ৰতিৰোধৰ প্ৰশিক্ষণ দিয়া কোনো আখৰাত যোগ দিব নাপায়।' ক্ষমা কৰিব, যদি মই এইবোৰ নিষেধাজ্ঞা মানি ল'ব নোৱাৰোঁ। হিংসাৰ সংঘবদ্ধ প্ৰতিৰোধ দিবলৈ সকলো সম্ভৱপৰ উপায় প্ৰচাৰ কৰিবলৈ, অনুষ্ঠিত কৰিবলৈ, সংগঠন কৰিবলৈ আৰু সমৰ্থন কৰিবলৈ মই নাৰাজ বুলি কথা দিব পাৰোঁ")। গান্ধী চৰিত্ৰ খোচৰাৰ আমাৰ কোনো আগ্ৰহ নাই (আমাৰ ৰুচি বেলেগ), কিন্তু আমি গান্ধী-প্ৰসংগ এৰাই যাব পৰা নাই, কিয়নো আজিৰ এই গান্ধী আচ্ছন্নতা অসমৰ বাবে বিপজ্জনক আৰু ক্ষতিকৰ, যাৰ প্ৰমাণ ঘটনাৱলীয়ে প্ৰতিদিন দেখুৱাই আছে। আমাৰ বোধেৰে, অহিংস আন্দোলন বুলি এটা বস্তু হ'ব নোৱাৰে, কিয়নো উভয়পক্ষ অহিংস থাকিব নোৱাৰে যিহেতু মানৱ জাতিৰ

বিৱৰ্তন সেই সুসভ্য আধ্যাত্মিক স্তৰলৈ এতিয়াও অহা নাই। সকলো আন্দোলন সদায় হিংসালৈ গৈছে, যিটো কথা গান্ধীয়েও বাৰে বাৰে দেখিছে (চৌৰিচৌৰাৰ পৰা আৰম্ভ কৰি), ভাৰতবৰ্ষৰ স্বাধীনতাও আহিছে প্ৰচুৰ ৰক্তক্ষৰণৰ মাজেৰে। তথাপি গান্ধীয়ে তেওঁৰ ভুল স্থিতি এৰা নাই, আঁকোৰগোজ হৈ কৈ আছে যে হিংসাৰ উত্তৰ অহিংসা। আমাৰ কথা এয়ে যে আমি কাকো আক্ৰমণ কৰিব নালাগে (বাংলাদেশীকো নালাগে) কিন্তু আন্দোলনৰ পৰা 'অহিংসা' শব্দটো বাদ দিব লাগে, কাৰণ আমাৰ মাজত অহিংসাৰ অৰ্থ এই হৈ পৰিছে যে আমি আত্মৰক্ষাৰ ইচ্ছাও মনৰ পৰা বাদ দিব লাগে। আমাৰ মিনি গান্ধীসকলে নাজানে নে যে গান্ধীয়েও সদায় সকলো প্ৰকাৰে আত্মৰক্ষা কৰিবলৈকে কৈ গৈছে, তেওঁলোকে গান্ধীৰ প্ৰিয় গ্ৰন্থখন কেতিয়াও মেলি চোৱা নাইনে (অৰ্জুনৰ প্ৰতি শ্ৰীকৃষ্ণঃ "ক্লৈব্যং মাস্ম গমঃ পাৰ্থ....", গীতা ২/৩)? আমি কাকো ঘুচিয়াই ফুৰিব নালাগে, কিন্তু নিজক ৰক্ষা কৰিবলৈ শৰীৰত জোৰ লাগে, পুষ্টি লাগে, তাৰ কাৰণে বিশেষকৈ ডেকা ল'ৰাই খাব লাগে। অনশন কৰাটো সেই বয়সত অধৰ্ম। হাতৰ লাঠিডালেৰে আমি কাৰো মূৰ ভাঙি ফুৰিব নালাগে, কিন্তু ডকাইত বা জন্তুৰ আক্ৰমণৰ পৰা নিজক বচাবলৈ হাতত লাঠিডাল থকাটো একো দোষণীয় কথা নহয়।

সংক্ষেপে পটভূমি আৰু বিশ্লেষণ বাদ দি আমাৰ আশংকা ঃ অসমৰ বৰ্তমান পৰিস্থিতি এনেকুৱা যে অসমৰ অধিকতৰ বিভাজন ঘটিব, যদিহে বৰ্তমানৰ নেতৃত্ব ভাঙি দিয়া নাযায়। অন্ততঃ, অদূৰ ভৱিষ্যতে আৰু কেইবাখনো স্বতন্ত্ৰ ৰাজ্যৰ দাবী উঠিব, সেই দাবী ইমান সৰৱ আৰু সক্ৰিয় হ'ব যে ৰাজনৈতিক বায়ুমণ্ডল সম্পূৰ্ণ বদলি যাব, আৰু ই হ'ব বিদেশী সমস্যাৰ সমাধানৰ একেবাৰে প্ৰতিকূল। মূলতঃ ইয়াৰ প্ৰৰোচনা হ'ব— এই কথা আমি অন্যান্য প্ৰবন্ধ-পাতিত সাব্যস্ত কৰিবৰ চেষ্টা কৰিছো— বৰ্তমান "আন্দোলন"ৰ নেতাসকলৰ আত্মম্ভৰিতা আৰু স্বেচ্ছাচাৰী কাৰ্যকলাপ, তেওঁলোকৰ ক্ৰমশঃ বিকাশমান ফেচিষ্ট আৰু "অইন কাৰো

কথালৈ পৰোৱা নকৰো”। এই মনোবৃত্তি অসমীয়া মানুহৰে জাতিগত দোষ, যাৰ ফলত আমাৰ পৰা ছিণ্ডি গৈছে মেঘালয় আৰু মিজোৰাম, সম্ভৱ হৈছে নগালেণ্ড আৰু অৰুণাচল, আৰু আন্দোলনৰ ফাঁকে ফাঁকে গা কৰি উঠিছে উদয়াচল আৰু সুকীয়া কাৰ্বি আংলঙৰ দাবী। আন্দোলনৰ সম্ভাবোৰো আজি বহুধা-বিভক্ত ৰাজনৈতিক অধিকাৰ ঘূৰাই পাবলৈ এটাই ৰাস্তা আছে ঃ স্বাধীন হোৱা। আমি বাৰম্বাৰ কৈ আহিছোঁ— আৰু আনকি আন্দোলনৰ নেতাসকলেও ক'বলৈ বাধ্য হৈছে— যে ভাৰত চৰকাৰে কেতিয়াও অসমৰ পৰা বিদেশী বাহিৰ কৰি নিদিয়ে, বৰং আৰু বেছিকৈহে আনি ভৰাই থাকিব। (কিয়, সেই কথাও কাকতে-পত্ৰে আৰু সভাই-সমিতিয়ে বহুলভাৱে বিশ্লেষিত হৈছে, আমি ইয়াত সেই আলোচনালৈ নাযাওঁ)। কামটো আমি নিজে কৰিব লাগিব। তাৰ বাহিৰে অন্য উপায় নাই। আমাৰ কোনো দাবী, কোনো কথাই কেন্দ্ৰৰ শাসকগোষ্ঠীয়ে গ্ৰাহ্য নকৰে, এনেকি দুদিন পাছত আমাৰ লুইতৰ পানীখিনিও নি গংগাত পেলাই অসমৰ আকাশ-মাটি শুষ্ক, কৰ্কশ কৰি পেলাব। কিন্তু আমি দুৰ্বলতাৰ স্থিতিৰ পৰা একোকে কৰিব নোৱাৰোঁ, কৰিব লাগিব সবলতাৰ স্থিতিৰ পৰা ; বল-বিক্ৰমৰ ভংগীমা এটা দিব পাৰিলেহে সেই কাম হ'ব ঃ ধনবল, জনবল, বাহুবল আৰু সকলোতকৈ গুৰুত্বপূৰ্ণ ঃ মনোবল। আমাৰ থাকিব লাগিব নিজৰ অৰ্থনৈতিক প্ৰতাপ আৰু ৰাজনৈতিক বিক্ৰম— সংক্ষেপে আমি স্বাধীন হ'ব লাগিব। অৰ্থনৈতিক আৰু ৰাজনৈতিক স্বাধীনতা অবিহনে বিদেশীৰ শোষণ, বিদেশীৰ অত্যাচাৰ আৰু বিদেশীৰ অনুপ্ৰৱেশ বন্ধ কৰা অসম্ভৱ।

ইয়াত ‘স্বাধীন’ মানে আমি বুজাইছো ভাৰতৰ পৰা স্বাধীন। ইয়াৰ বাবে আমাক ‘বিচ্ছিন্নতাবাদী’, ‘দেশদ্ৰোহী’ আদি আখ্যা দিয়া হ'ব, কিন্তু কুচ পৰোৱা নাই, আমি আমাক ‘মুক্তিকামী’ বুলি ক'ম। পণ্ডিতসকলে এইটো পৰিষ্কাৰকৈ দেখুৱাইছে যে অসম আৰু ভাৰতৰ পূৰ্বাঞ্চলৰ মানুহ ভাৰতৰ অন্যান্য জনসমষ্টিৰ পৰা সাংস্কৃতিক আৰু গোষ্ঠীগতভাৱে সম্পূৰ্ণ

বেলেগ— বস্তুতঃ, ভাৰতবৰ্ষৰ কোনো অংশৰ লগত কোনো অংশৰ মানুহৰ মিল নাই, ভাৰতবৰ্ষ কোনোদিনে একজাতি একৰাজ্য নাছিল (এক জাতি হ'লে কি মাত্ৰ ৫০,০০০ ইংৰাজ সৈন্যই চল্লিশ কোটি ভাৰতীয়ক দবাই ৰাখিব পাৰিলেহেঁতেন?), ইংৰাজে শাসনৰ সুবিধাৰ বাবে জোৰ-জবৰদস্তি পাঞ্জাৱী আৰু বঙালী, অসমীয়া আৰু সিন্ধি, তামিল আৰু বিহাৰী একেলগে সাঙুৰি তাক "ভাৰতবৰ্ষ" নাম দিছে, থৰকৃবৰক্কৈ সেই 'ভাৰতীয় যুক্তৰাজ্য' কোনোমতে বৰ্তি আছে, বেছিদিন নাই এই কৃত্ৰিম আৰু ৰাহি-জোৰা-নহা যুক্তৰাজ্য খণ্ড-বিখণ্ড হৈ যাব। অসমৰ ক্ষেত্ৰত এই অমিল অধিকতৰ প্ৰকট— কেইটামান ইতস্ততঃ উদাহৰণ যদি লওঁ, ভাৰতবৰ্ষৰ অন্যান্য অংশৰ বিভীষিকা পণ-প্ৰথা আমাৰ সমাজত নাই, ইয়াত সতীদাহ আৰু নৰবলিৰ 'ঐতিহ্য' নাই, আমি হৰিজন দেখিলে জুই লগাই নিদিওঁ, অন্যান্য অংশত দৈনন্দিন কলংকৰ হেডলাইন সৃষ্টি কৰা "কইনা-নিধন" আমাৰ ইয়াত নাই, ইয়াৰ দৰে হিন্দু-মুছলমানৰ সহজ সহ-অৱস্থিতি ভাৰতৰ আন কোনো ৰাজ্যত নাই (যদিও অৱশ্যে যোৱা ফেব্ৰুৱাৰীৰ নিৰ্বাচনৰ দুৰ্যোগত ন্যস্তস্বাৰ্থই অসমতো কোনোদিনে নঘটা সাম্প্ৰদায়িক সংঘৰ্ষ ঘটাবলৈ সমৰ্থ হৈছিল, কিন্তু সেইটো সম্ভৱ হৈছিল বহু টকা-পইচা ঢালি বহু চক্ৰান্তৰ যোগে, এটা আচৰিত ঘটনা নহয়)। সহনশীলতা আৰু নম্ৰতাৰ এটা সহজ, সাৱলীল পৰম্পৰা আমাৰ সৰু সুঁতিটোৰে প্ৰবাহিত হৈছে— হয়তো ইয়াৰ কাৰণ শংকৰদেৱৰ ঐতিহ্য, হয়তো ইয়াৰ কাৰণ আমাৰ জলবায়ু আৰু 'ইক'লজী'— আৰু যেতিয়া ভাৰতীয় শাসকসকলে আমাক কয় যে আমি "ভাৰতীয় ঘাই সুঁতি"ৰ লগত মিলি যাব লাগে, তেতিয়া আমি আহ্বান মাত্ৰ, কিয়নো আমি "ভাৰতীয়' হৈ থাকিলে ভাৰতীয় শাসক আৰু শোষকগোষ্ঠীৰ আধিপত্য বাহাল ৰখাৰ চিৰস্থায়ী সুবিধা (আমাৰ সকলো সা-সম্পদ লুট, আমাৰ সকলো অধিকাৰ খৰ্ব)। আমাৰ সৰু সুঁতিৰ পাৰে পাৰেই আমাৰ জীৱনধাৰা আৰু আমাৰ সংস্কৃতিৰ বিকাশ, আমাৰ সুঁতি সৰু কিন্তু পৰিষ্কাৰ আৰু প্ৰাণদায়িনী, ভাৰতীয় ঘাইসুঁতিৰ

দুৰ্গন্ধ ঘোলা পানীৰ লগত আমি যেন তাক মিলাই নিদিওঁ।

যিসকলে এতিয়াও ভাবি আছে যে আমাৰ সমস্যাবোৰৰ সমাধান আহিব ভাৰতীয় সংবিধানৰ তলত আৰু "ভাৰতীয় সংবিধানৰ পবিত্ৰতা" বস্তুটো আমাৰ কাৰণেও পবিত্ৰ কিবা এটা, সেইসকল "গান্ধীবাদী"ৰ বাবে আমি গান্ধীৰেই কথা উদ্ধৃত কৰিব পাৰোঁ আমি কিছুদিন আগেয়ে লিখা নিবন্ধ এটাৰ পৰা ঃ

১৯৪৬ চনত যেতিয়া ব্ৰিটিছে 'গ্ৰুপিং' ব্যৱস্থাৰে অসমক বংগদেশৰ বাগিত চামিল কৰি পূব-পাকিস্তানত ভৰাই দিবলৈ চেষ্টা কৰিছিল, তেতিয়া গান্ধীয়ে অসম কংগ্ৰেছৰ প্ৰতিনিধিক কৈছিল (ডঃ হেৰম্ব বৰপূজাৰীৰ "এ পলিটিকেল হিষ্টৰী অফ এচাম") ঃ "..... অসমে নিজৰ আত্মা (আত্মচেতনা) প্ৰতিষ্ঠিত কৰিব লাগিব। অন্যথা মই ক'ম যে অসমত মানুহ নাই, আছে মাথোঁ বাওনা। ..... আজি এনেকি এতিয়াও অসম বহুলাংশে সাৰ্বভৌম.... যদি অসমে নিজৰ ব্যৱস্থা নিজে লয়, ভাৰতবৰ্ষৰ বাকী অংশয়ো নিজৰ ব্যৱস্থা নিজে ল'ব পাৰিব। কেন্দ্ৰীয় চৰকাৰৰ সংবিধানৰ লগত আপোনালোকৰ কি দায় (লেঠা) আছে? আপোনালোকে নিজে নিজৰ সংবিধান ৰচনা কৰক, সেয়ে যথেষ্ট (হ'ব)। আপোনালোকৰ এখন নিজস্ব সংবিধানৰ ভিত্তিতো এতিয়াই আছে.... ৰাইজক কওক যে যদি এনেকি গান্ধীয়েও আমাক নিৰস্ত কৰিব খোজে, আমি তেওঁৰ কথা নুশুনো".....

"দেখা যায় অসম যে স্বাধীন হোৱা দৰ্কাৰ সেই কথা গান্ধীয়ে ১৯৪৬ চনতেই আমাক কৈ গৈছে। কাৰণ 'সৰ্বভাৰতীয়' নেতাৰ মনোবৃত্তি আৰু গ্ৰুপিং-চক্ৰান্ত আদি দেখি হয়তো গান্ধীয়ে তেতিয়াই বুজি পাইছিল যে অসমক স্বাধীন ভাৰতৰ অংগ হিচাপে গণ্য কৰা নহয়, কিয়নো ভাৰতবৰ্ষৰ অন্যান্য অংশৰ লগত অসমৰ (আৰু উত্তৰ-পূব অঞ্চলৰ) কোনো মিল নাই, অসমীয়া এটা স্বতন্ত্ৰ, অ-ভাৰতীয় জাতি, গতিকে অসমে ভাৰতৰ পৰা ন্যায়-আচৰণ আৰু সুবিচাৰ পাব নোৱাৰে— সেয়ে অসম

আগৰ দৰে স্বাধীন আৰু স্বতন্ত্ৰ হোৱাটোৱেই হয়তো উত্তম। আজি আমি প্ৰকটভাৱে দেখিছো যে সেই আশংকা সম্পূৰ্ণ সঁচা— স্বাধীন ভাৰতত অসমীয়াৰ জীৱন কুকুৰ-মেকুৰীতকৈয়ো অধম, আৰু অসমত কেন্দ্ৰীয় চৰকাৰৰ শাসন মানে নিৰ্ভেজাল গুণ্ডাৰাজ (ইয়াৰ আগৰজন ৰাষ্ট্ৰপতিক সংসদৰ মজিয়াত এম. পি. অধ্যাপক অজিত কুমাৰ শৰ্মাই 'সাংবিধানিক নৰহন্তা' আখ্যা দিবলৈ বাধ্য হৈছে)। আৰু দেখা যায় যে যদিও আজিহে আমি বুজিছোঁ যে 'ইয়াণ্ডাবু চুক্তি'ৰ নামত প্ৰতাৰিত হৈ আমি ইমানদিনে পৰাধীন হৈ আছোঁ, যে মান-ৰজা আৰু ব্ৰিটিছ প্ৰতিনিধিৰ মাজত হোৱা এই চুক্তিৰ জোৰত আমি তৃতীয় পক্ষ অসম ব্ৰিটিছৰ তললৈ যাব নোৱাৰোঁ (চুক্তিৰ পাঠ অনুযায়ীও নোৱাৰোঁ), যে আমি ভাৰতবৰ্ষৰ অংশ হ'ব নোৱাৰোঁ, অসম ভাৰতবৰ্ষৰ অধীনত থকাৰ কোনো যুক্তি নাই (সুৰক্ষাৰ যুক্তিতো নায়েই— অসমক ১৯৪৬ চনত ভাৰতবৰ্ষই পূব পাকিস্তানক এৰি দিবৰ চেষ্টা কৰিছে, ১৯৬২ চনত নেহৰুৱে অসমক চীনৰ হাতত এৰি দি বিদায় দিছে, আজি ভাৰত চৰকাৰে অসমক বাংলাদেশীৰ হাতত সপি দিছে), কাৰণ অসম কোনোদিনে ভাৰতবৰ্ষৰ অংগৰাজ্য নাছিল আৰু এতিয়াও এখন ধৰ্ষিত উপনিৱেশৰ বাহিৰে অইন একো নহয়, ভাৰতীয় সৈন্যবাহিনী আৰু আৰক্ষী-ফৌজ অসমৰ বাবে মাত্ৰ দখলদাৰী বাহিনী, আৰু "ভাৰতীয় নাগৰিক" হোৱাৰ সোৱাদ আমি হাড়ে-হাড়ে পাইছোঁ ঃ নিজৰ দেশত অসমীয়া মানুহ বিতাড়িত পশুৰ দৰে পাহাৰে-পথাৰে খালে-বিলে লুকাই-পলাই ফুৰিছে, হিটলাৰৰ আমোলত ইহুদীৰ যেনেকুৱা অৱস্থা, মাথোঁ 'গেছ চেম্বাৰ'কেইটা অসমীয়াকেইটাৰ বাবে বনাবলৈ বাকী— তাৰ ঘাই কাৰণ, আমি আমাৰ আত্মৰক্ষাৰ মৌলিক অধিকাৰৰ কথা সম্পূৰ্ণ বিস্মৃত হৈছোঁ, যেন আত্মৰক্ষা এটা পাপ, এটা অন্যায়, এটা অহিংসা-বিৰোধী কাম, আমাৰ ন্যূনতম মানৱীয় অধিকাৰ সাব্যস্ত কৰাটো সংকীৰ্ণমনা, দোষণীয় কথা বুলি আমাক ভাৰতীয় শাসকে শিকাই আহিছে আৰু আমি তাকে মানি লৈছোঁ— অৰ্থাৎ অসমৰ স্বাধীনতাৰ দাবী অকল

অলংঘ্যনীয়ই নহয়, অপৰিহাৰ্যও, যদি আমি মানুহৰ দৰে জীয়াই থাকিব খুজিছোঁ তেন্তে স্বাধীন হোৱাৰ বাহিৰে আমাৰ উপায় নাই, আৰু দেখা যায় যে যদিও প্ৰয়াত জ্ঞাননাথ বৰাই ১৯৩৯ চনতে "অসম দেশ ভাৰতবৰ্ষৰ ভিতৰত থাকিব কিয়" প্ৰবন্ধ লিখিছে, তাৰ প্ৰায় লগে লগেই (১৯৪৬ চনত) গান্ধীয়ে নিজৰ বিবেচনাৰ পৰা অসমৰ স্বাধীনতাৰ কথা কৈছে— আমি সেই কথাত গুৰুত্ব দিয়া নাই, সেই ইংগিত লোৱা নাই, সেইটো আমাৰ দোষ আৰু আমাৰ ভীৰুতা, সেইটো আমাৰ নীচাত্মিকা আৰু আমাৰ আত্মাভিমানৰ অভাৱ, আমাৰ নৈতিক সাহসৰ ব্যৰ্থতা, 'ভাৰতীয়' হোৱাৰ এটা অন্ধ লালসা, সেইটো গান্ধীৰ দোষ নহয়, কিয়নো যদিও গান্ধীয়ে কৈ পঠিয়াইছে..." ইত্যাদি।

১৯৪৫ চনৰ ২১-২৩ মাৰ্চ তাৰিখে শ্বিলঙৰ খাচী দৰবাৰ হলত নগা, খাচী, আহোম আদি অসমৰ সমূহ খিলঞ্জীয়া অধিবাসীৰ এখন অভিৱৰ্তন বহিছিল, তাত গৃহীত ৪নং প্ৰস্তাৱৰ (ইংৰাজী) পাঠ এই ঃ

"যিহেতু ঐতিহাসিক তত্ত্বমতে অসমৰ খাচ ভূ-ভাগ আৰু তাৰ পাহাৰসমূহ কেতিয়াও ভাৰতবৰ্ষৰ অংশ বা প্ৰদেশ নাছিল, আৰু যিহেতু ইয়াৰ অধিবাসী, বিশেষকৈ এই অঞ্চলত বসবাস কৰা ফৈদ আৰু জাতিসমূহ গোষ্ঠীগতভাৱে আৰু সাংস্কৃতিকভাৱে ভাৰতবৰ্ষৰ বাকী অংশত বসবাস কৰা জনসাধাৰণতকৈ বেলেগ, সেয়ে এই অভিৱৰ্তনে ভাৰতবৰ্ষৰ প্ৰস্তাৱিত বিভাজনজনিত পাকিস্তান বা হিন্দুস্তান কোনোখণ্ডৰে লগত খাচ অসম ভূ-ভাগ আৰু তাৰ পাহাৰ অঞ্চলৰ অন্তৰ্ভুক্তিৰ দৃঢ়ভাৱে বিৰোধিতা কৰে, আৰু দাবী জনায় যে ইয়াকে (এই অঞ্চলক) এখন স্বতন্ত্ৰ স্বাধীন ৰাষ্ট্ৰৰূপে স্থাপিত কৰা হওক, য'ত অসমৰ সীমান্তৰ পাহাৰী জিলাকেইখন অন্তৰ্ভুক্ত থাকিব।

—প্ৰস্তাৱক ঃ অধ্যাপক পি. গগৈ

সমৰ্থক ঃ এ. এছ. খাংফাই।"

আমি যদি আজিও মণিৰাম দেৱান আৰু গোমধৰ কোঁৱৰক

সোঁৱৰো, তেনেহ'লে আমি তেওঁলোকৰ স্বাধীন অসমৰ প্ৰয়াসক স্বপ্নবিলাস বা 'ইউট'পিয়ান' বুলি নিশ্চয় ভাবিব নোৱাৰোঁ। 'স্বাধীন অসম' এটা আকাশকুসুম নহয়— স্বাধীন হৈ থাকিবলৈ বিৰাট মাটিকালি নালাগে (শ্ৰীলংকা), বিৰাট সৈন্যবাহিনী নালাগে (ভূটান), বিশাল সা-সম্পদ নালাগে (নেপাল, জাপান.... যদিও অৱশ্যে সা-সম্পদ আমাৰ প্ৰচুৰেই আছে) লাগে মাথোঁ স্বাধীনতাৰ স্পৃহা, বাকীবোৰ আহিব। (ভাৰতীয় শাসকে ক'ব, এইটো অসম্ভৱ। যুদ্ধ কৰি তুমি স্বাধীন হ'ব নোৱৰা, গতিকে ভাৰতৰ তলত থাকা। আপাতদৃষ্টিত, নোৱাৰোঁ— কিন্তু আচলতে, পাৰোঁ, কিন্তু সেই কথা আলোচনাৰ স্থান এইটো নহয়। কিন্তু স্বাধীনচিতীয়া আৰু স্বাৱলম্বী সকলো অৰ্থত হ'লে সকলো সম্ভৱ। স্বাধীন হোৱাটো অসম্ভৱ? বাৰু, ইতিহাসে দেখুৱাব)

(৪) এই মুহূৰ্তত কি কৰা উচিত হ'ব সেই প্ৰসংগত আমি আগেয়েও প্ৰয়াত জ্ঞাননাথ বৰাৰ ওপৰোক্ত প্ৰবন্ধৰ পৰা উদ্ধৃত কৰিছোঁ ঃ "নিজৰ দেশ নিজৰ জাতিৰ এনে দুৰৱস্থা হ'লে সেই জাতি থাকে কেনেকৈ? সেই জাতিক ৰক্ষা কৰিবলৈ কোনো নাই। নিজে নিজক ৰক্ষা কৰিব নোৱাৰিলে আন কোনো উপায় নাই। আত্মৰক্ষাই যেতিয়া ঘাই কাম হৈ পৰে। অসমীয়া জাতিৰ আজি আত্মৰক্ষাৰ বাদে আন কোনো কাম নাই" ; লগতে আমি এই অভিমত দাঙি ধৰিছিলোঁ যে "সেই সাৱধান বাণী আজিও জৰুৰী"। এই "আত্মৰক্ষা" কথাটো আমি ব্যাপক অৰ্থত ল'ব পাৰোঁ, অৰ্থাৎ আত্মৰক্ষা মানে অকল দৈহিক আত্মৰক্ষাই নহয়, লগতে অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক আত্মৰক্ষা, কিয়নো এই সকলোবোৰ দিশতে আমাৰ ওপৰত নিৰৱচ্ছিন্ন আক্ৰমণ চলি আছে। ৰাজনৈতিক আত্মৰক্ষাৰ প্ৰসংগটো আমি ওপৰত আলোচনা কৰিছোঁ, আৰু বাকীবোৰো পৰস্পৰ বিজড়িত। আত্মৰক্ষা কৰিবলৈ সেই প্ৰবৃত্তি লাগিব, বুদ্ধি লাগিব, সাহস লাগিব, শক্তি লাগিব, জোৰ লাগিব। অনশন কৰি (পুৱাই এককোট খাই আহি ৰভা তৰি বহি যোৱাৰ নাম অনশন?) দেহ-মন নিশকতীয়া কৰি বা

বেলুন ফুকাই বা ঘৰ-দুৱাৰ আন্ধাৰ কৰি জুপুকা মাৰি বহি থাকিলে আত্মৰক্ষা নহ'ব, বৰং আৰু কেইটামান কোব খাম (যিটো ঘটি আছে)। ছা. স. ই মাজতে "আত্মৰক্ষা আমাৰ কৰ্তব্য" বুলি বেজ বাহিৰ কৰিছিল, আমি সকলোৱে স্বাগত জনাইছিলো— সেই বেজবোৰ ক'লৈ গ'ল, আৰু সেই কৰ্তব্য ক'ত পালন কৰা হৈছে? (আত্মৰক্ষাৰ এটা মাত্ৰও উদাহৰণ ছা.স.ই আমাক দিয়ক)। তথাকথিত "স্বেচ্ছাসেৱকবাহিনী"বোৰৰ কাম কি, সেইবোৰে কি কৰিছে? সেইবোৰ ক'লৈ গ'ল? এই সকলো ভুৱা? শ্বহীদ বেদীবোৰৰ পবিত্ৰতা কোনে ৰক্ষা কৰিছে? যদি শ্বহীদ বেদী ধ্বংসৰ প্ৰতিৰোধ দিব নোৱাৰোঁ, সেইবোৰ সাজি শ্বহীদক অপমান কৰাৰ আমাৰ কি অধিকাৰ আছে? এজনো ল'ৰা আজিলৈকে কিয় নোলাল যিজনে ক'ৰবাত বিন্দুমাত্ৰও প্ৰতিৰোধ দিছে? গুৱাহাটীৰ মাজমজিয়াৰ স্কুল এখনত এটামাত্ৰ কাবুলি সোমাই গৈ শিক্ষকজনক ঘুচিয়াই ঘুচিয়াই একেবাৰে মাৰি পেলালে, স্কুল গিজগিজাই টেটুঁ ফালি শ্ল'গান চিঞৰি থকা "লাচিত" ল'ৰাৰ জাক পলাই-পত্ৰং দিলে (অৱশেষত কাবুলিক ধৰি বন্দী কৰিলে বয়সীয়া প্ৰধান শিক্ষকজনে!) এইবোৰ ডেকা ল'ৰাৰ ডেকা তেজৰ উদাহৰণ? এইবোৰে নেদেখুৱাইনে, আমাৰ যুৱক শক্তিৰ নৈতিক সাহস আজি কোন বিন্দুত? কিমানখিনি আন্তৰিকতা (কথাই-কামে) আজি আমি আমাৰ মানুহৰ মাজত দেখো? গাঁৱৰ সৰল ৰাইজ আৰু ল'ৰা-ছোৱালীৰ আন্তৰিকতা পৃথিৱীয়ে দেখিছে, তেওঁলোকে সৰল বিশ্বাসত উদ্বুদ্ধ হৈ নিৰ্ভয়ে প্ৰতিদিন গুলি খাবলৈ আগুৱাই গৈছে, কিন্তু সেই একে সময়তে চহৰৰ ল'ৰাই কাণত ট্ৰেঞ্জিষ্টৰ চেপি ধৰি ভাৰতীয় ক্ৰিকেট দলৰ কেইজন আউট হ'ল সেই লৈ ব্যতিব্যস্ত। নিজৰ দেশক ভালপোৱাৰ, নিজৰ দেশৰ মানুহৰ দুৰৱস্থাত উদ্বিগ্ন হোৱা অনুভূতিৰ কোনো অংকুৰ এই ধ্বনিসৰ্বস্ব 'আন্দোলনে' যুৱক শক্তিৰ চেতনালৈ আনি দিছেনে?

এইবোৰ কথাৰ উল্লেখ পীড়াদায়ক, কিন্তু প্ৰবল অনিচ্ছা সত্ত্বেও এইবোৰ আমি আঙুলিয়াই দিব লগা হৈছে, নহ'লে ভুল প্ৰচাৰ আৰু

আত্মপ্ৰবঞ্চনাত মজি থাকি আমি শীঘ্ৰেই এনেকুৱা অৱস্থালৈ নামিম, য'ৰ পৰা আৰু উঠি অহাৰ উপায় নাথাকিব। পঢ়ুৱৈয়ে যেন আমাক ভুল নুবুজে— আমি কাকো উপলুঙা কৰিব খোজা নাই আৰু কাকো গৰিহণা দিব খোজা নাই। অনুৰূপ অৱস্থাত আমি নিজেও যে নপলাম, বা খুব কিবা এটা বীৰপুৰুষৰ দৰে আচৰণ কৰিম, সেই কথা আমি ক'ব নোৱাৰোঁ— কিন্তু আমাৰ কথা হ'ল ঃ সেইখিনি সৎ সাহস আৰু আত্মপ্ৰত্যয় ইমানদিনে আমাৰ আহিব লাগিছিল। ‘‘আত্মৰক্ষা (যদি) আমাৰ কৰ্তব্য’’ তেনেহ'লে অন্যায়-অত্যাচাৰৰ বিৰুদ্ধে আত্মৰক্ষাৰ এটা সুসংগঠিত প্ৰণালী ইমানদিনে চালু হ'ব লাগিছিল। নহয়, আমি ব্যক্তিগতভাৱে কাকো গৰিহণা দিয়াৰ ধৃষ্টতা নাৰাখোঁ, আমি গৰিহণা দিছো অসমত বিয়পি পৰা গান্ধীবাদী অহিংসাৰ ভ্ৰান্তিৰ শ্বাসৰুদ্ধকাৰী বিষাক্ত বতাহক, যিয়ে পংগু আৰু পক্ষাঘাতগ্ৰস্ত কৰি পেলাইছে, আমাৰ ঘৰৰ তিৰোতা মানুহক ধৰ্ষণ কৰি থৈ গ'লেও আমি ‘অহিংসা মহাপাপ’ বুলি পৰম অহিংস হৈ পেঁপুৱা লাগি বহি আছোঁ। জাতীয় আত্মৰক্ষাৰ এনেকুৱা এটা আন্দোলনত ইমান বছৰে আমাৰ বিন্দুমাত্ৰও যদি নৈতিক আৰু দৈহিক সাহস আহিলহেঁতেন! আমি গৰিহণা দিছোঁ এই কথাক যে অহিংসা'ৰ এটা সম্পূৰ্ণ ভুল আৰু ক্লীব ধাৰণা আন্দোলনৰ নেতা আৰু আমাৰ চিন্তাভীৰু খবৰ কাগজকেইখনে ব্যাপ্ত কৰি দিছে, ফলত নৈৰাশ, নিষ্ক্ৰিয়তা আৰু নৈতিক অসাধুতাই (যেনে ঃ ‘বন্ধ’ৰ দিনত ছা. স.ৰ ভয়ত কামলৈ নোযোৱা কিন্তু দৰমহা-বিলত উপস্থিতি দেখুৱাই চাকৰি বজায় ৰখা) দেশ ছানি পেলাইছে— এই ধাৰণাই আমাৰ মনত শিপাই বহিছে যে আমি আৰু একো কৰিব নোৱাৰোঁ। আমাৰ আৰু একো কৰিবলগীয়া নাই, মাথোঁ মাজে মাজে শ্ল'গান দিম আৰু ‘গৰিহণা’ দিম আৰু লাইট নুমাম, আমাৰ এইবোৰ কুচ-কাৱাজ দেখি চৰকাৰে বিদেশী খেদি দিব। অৰ্থাৎ, আমি সকলো পাবৰ চেষ্টা কৰিছোঁ ভুৱাৰ মাজেদি আৰু দুৰ্বলতাৰ স্থিতিৰ পৰা। সেইটো কেতিয়াও নহ'ব। ভুৱা সকলোৱে বুজি পায় (অমুক তাৰিখৰ পৰা ছা. স. ই নিজেই বিদেশী চিনাক্তকৰণ আৰম্ভ কৰিব বুলি চৰকাৰক ভুৱা ভাবুকি দিয়াৰ কথা কি চৰকাৰৰ মনত নাই?),

আৰু দুৰ্বলক কোনেও গ্ৰাহ্য নকৰে, অইন সকলো জাতিয়ে সেই কথা জানে (ব্ৰিটিছ পৰিচালকে গান্ধীক মহামানৱ সাজি তেওঁৰ 'অহিংসা' দেখুৱাই ছবি কৰিছে, কিন্তু তেওঁ নিজে ব্ৰিটিছৰ হৈ যুদ্ধলৈ গৈছে, "গান্ধী" ছবি চাই কোনো জাতিয়ে আত্মৰক্ষাৰ সকলো অস্ত্ৰ-শস্ত্ৰ পেলাই দি ৰামধুন গাবলৈ বহি যোৱা নাই— আৰু, প্ৰসংগতঃ, এই ছবিত আমি কথা নাপাওঁ যে ব্ৰিটিছৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ গান্ধীয়ে ভাৰতবাসীক বাধা দিছে, কিন্তু ইপিনে ব্ৰিটিছক যুদ্ধ কৰিবলৈ টকা-পইচা আৰু সৈন্য-সামন্ত যোগাৰ কৰি দিছে!) কিবা কৰিব খুজিলে কৰিব লাগিব সবলতাৰ স্থিৰি পৰা। এই সবলতা, জোৰ, শক্তি, বহু দিশৰ পৰা আহিব পাৰে, তাৰ ভিতৰত অন্যতম হ'ল অৰ্থনৈতিক শক্তি— এটা জাতিৰ পাৰমাণৱিক শক্তিতকৈ অৰ্থনৈতিক শক্তি বহুগুণে প্ৰবল (আৰু আত্মৰক্ষাৰ এটা ঘাই আহিলা। পৰাক্ৰমী জাতি ব্ৰিটিছ হ'ল মূলতঃ বেপাৰী জাতি, আৰু তেওঁলোকৰ শ্ল'গান হ'ল "ব্ৰিটিছ বস্তু কিনক (Buy British)". সেয়ে আমি সকলোৱে স্বাধীনতা আন্দোলনক স্বাগত জনাইছিলোঁ আৰু লগতে সমবায় আন্দোলনৰ গঢ়ি তোলাৰ পৰামৰ্শ আগবঢ়াইছিলো, কিয়নো ই "অসমক বৃহৎ শিল্পগোষ্ঠীৰ ঔপনিৱেশিক শোষণৰ পৰা ৰক্ষা কৰাৰ অন্যতম (হয়তো একমাত্ৰ?) উপায়"। পুনৰাবৃত্তি বিৰক্তিকৰ, কিন্তু তথাপি আকৌ এই সন্দৰ্ভত পুৰণি প্ৰবন্ধৰ উদ্ধৃতি টানিবলৈ পঢুৱৈয়ে আমাক অনুমতি দিয়কঃ

"..... অকল ব্যৱসায়-বাণিজ্যৰ কথাকেই যদি ধৰোঁ, বন্ধ আৰু সত্যাগ্ৰহ, বিক্ষোভ, ১৪৪ ধাৰা, কাৰ্ফিউ, ধৰ-পাকড় আদিৰ ফলত কিমান খিলঞ্জীয়া ক্ষুদ্ৰায়তন উদ্যোগ আৰু বেপাৰী যে ক্ষতিগ্ৰস্ত বা একেবাৰে ধ্বংস হৈ গৈছে তাৰ হিচাব কৰা টান। গুৱাহাটীৰ কিছুমান ৰাস্তাত কেইবাখনো সৰু সৰু স্থানীয় মানুহৰ দোকান লোকচান ভৰি ভৰি উঠি যোৱা আমি নিজে দেখিছোঁ, আৰু সেইবোৰৰ ঠাইত বাংলাদেশী বেপাৰী ভৰি পৰিছে। অৰ্থাৎ, অন্তহীন আৰু উদ্দেশ্যহীন বন্ধৰ ফলত খিলঞ্জীয়া উদ্যোগৰ ক্ষতিতো হৈছেই, ওলোটাই বিদেশীৰ প্ৰাধান্য বাঢ়ি গৈছে (আৰু

বাঢ়ি গৈ আছে)। "বন্ধ" মানে হ'ল স্থানীয় উদ্যোগৰ মৃত্যু আৰু গাঁৱে-ভূঞে অত্যাচাৰ, ধৰ্ষণ, গুলি, কুমলীয়া ল'ৰা হত্যা.... (এইবোৰৰ) ফলত ইমানদিনে যি ঘটিছে সেয়া আন্দোলনৰ লক্ষ্যৰ ঠিক বিপৰীত— বাংলাদেশী এটাও কমা নাই, বাঢ়ি গৈছে.... সেয়ে, 'আছু' আৰু অ.স.প.লৈ আমাৰ অনুৰোধ, তেওঁলোকে এইবোৰ নিষ্ফল কাৰ্যপন্থা আৰু দমন-দুৰ্গতিৰ মাজলৈ ৰাইজক ঠেলি নিদি তেওঁলোকেই হাতত লোৱা গঠনমূলক কাৰ্যাৱলীৰে আন্দোলন চলাই নিয়ক, যেনে— (আশু প্ৰয়োজনীয়ৰ ভিতৰত) ঃ (ক) অসমীয়া বিৰোধী/বাংলাদেশী দোকান-পোহাৰ বৰ্জন (নিতান্ত এৰাব নোৱৰা অৱস্থাত বাদে) (খ) বাংলাদেশী বনুৱাক (ঘৰৰ কামত, খেতিৰ মাটিত, দিন হাজিৰা আদিত) বৰ্জন (গ) বিদেশীক মাটি বিক্ৰী কৰা/লীজ দিয়া বন্ধ/বিদেশীৰ হাতলৈ যোৱা মাটি যথাসম্ভৱ পুনৰুদ্ধাৰ (ঘ) অসমবিৰোধী কাকত/আলোচনী বৰ্জন, ইত্যাদি (এইবোৰ ..... সৰ্বজনস্বীকৃত পৰামৰ্শ)। অন্ততঃ এইখিনি কৰিব পাৰিলেই ছমাহৰ ভিতৰত আমি দেখিম যে বুজন পৰিমাণৰ বিদেশী কমি গৈছে— আৰু ৰাইজে এইবোৰ কৰিব, যদি ছাত্ৰ সন্থা আৰু গ.স. পৰিষদে ৰাইজক আহ্বান দিয়ে, কিয়নো তেওঁলোকৰ ওপৰত ৰাইজৰ আস্থা এতিয়াও অটুট আছে...."

আজি অৱশ্যে সেই আস্থা— অন্ততঃ আমাৰ নিজৰ— তেনেদৰে আৰু অটুট নাই, 'স্বাৱলম্বী আন্দোলনো অন্যান্য 'চাৰ্কাছ'ৰ দৰে ফাক্কা আৱাজত লীন গৈছে, কিন্তু সঁচাকৈয়ে কিবা কৰাৰ আন্তৰিকতা থাকিলে তেওঁলোকৰ এতিয়াও ৰাইজৰ আস্থা পুনৰুদ্ধাৰ কৰাৰ সময় আছে। কথাই-অকথাই পঢ়া-শুনা, ব্যৱসায়-বাণিজ্য, যান-বাহন সকলো 'বন্ধ' কৰি শ্ল'গান দি থাকিলে বিদেশী বহিষ্কৃত নহয়, এই কথা আমি কেতিয়া উপলব্ধি কৰিম? কেতিয়া উপলব্ধি কৰিম যে বিদেশীৰ আগমন আৰু আধিপত্য বন্ধ কৰিবলৈ হ'লে আমি নিজে কাম কৰিব লাগিব, ব্যৱসায়-বাণিজ্য আমাৰ নিজৰ হাতলৈ আনিব লাগিব, আমাৰ খেতি আৰু মাটি আমাৰ নিজৰ হাতত ৰাখিবই লাগিব, বিশেষকৈ আমাৰ আপুৰুগীয়া মাটি?

# নিঃশব্দ অভিযান

আমি যি আশংকা কৰিছিলো, সেয়ে ঘটিছে, ছাত্ৰ সন্থা আৰু গণ সংগ্ৰাম পৰিষদে ১০ নৱেম্বৰ তাৰিখে জজ ফিল্ডত গণ সমাৱেশ পাতিব পৰা নাই। আমি আৰম্ভণিৰে পৰা এনে গণ সমাৱেশৰ বিৰোধী আছিলো, কিয়নো ইয়াৰ কোনো প্ৰয়োজন নাছিল— আন্দোলনৰ লক্ষ্যৰ প্ৰতি ৰাইজৰ সমৰ্থন সদায় আছে, তাক বাৰে বাৰে নতুনকৈ প্ৰমাণ কৰাৰ দৰ্কাৰ নাই, আৰু সমাৱেশ পাতি "ব্যাখ্যা" দিবলৈ কোনো নতুন কথাও নাই, থাকিলেও বাতৰি কাকতৰ বিবৃতিয়েই যথেষ্ট (জজ ফিল্ডৰ মানুহৰ বাহিৰে অসমৰ বাকী মানুহে কথাখিনি কাগজতেই পঢ়িব লাগিব)। চৰকাৰী নিষেধ আৰু চি আৰ পি অগ্ৰাহ্য কৰি সমাৱেশ পাতিমেই বুলি হুংকাৰ দিলেই সমাৱেশ যে হ'ব নোৱাৰে সেইটো প্ৰথমৰে পৰা স্পষ্ট আছিল, কিয়নো দুবছৰৰ আগৰ মনোবল মানুহৰ আজি নাই। "জজ ফিল্ডত গণ সমাৱেশ পাতিবলৈ দৃঢ় সংকল্প" আদি দাম্ভিক উক্তিৰ শেষত অইন অইন ঠাইত খণ্ড সমাৱেশ পাতি এইটো প্ৰমাণ কৰা নহ'ল যে জজ ফিল্ডত সমাৱেশ কাৰ্যকৰী কৰা হ'ল। এই পৰাজয়ক "চৰকাৰী অপচেষ্টা ব্যৰ্থ কৰি জনতাৰ জয়লাভ" আদি বাজে কথাৰে ঢাকিবৰ চেষ্টা কৰাটো আমাৰ বোধেৰে অসাধু মনোবৃত্তিৰ পৰিচায়ক।

আৰু এতিয়া আহিছে নতুনকৈ বন্ধৰ আহ্বান। আমি স্থানান্তৰত

বিশদ আলোচনাৰে এই মত দাঙি ধৰিছোঁ যে সত্যাগ্ৰহ, বন্ধ, বক্তৃতা, সমাৱেশ আদিৰে বিদেশী বহিষ্কাৰ কৰিব নোৱাৰি, আৰু তথাকথিত "আলোচনা"বোৰ ভুৱাৰ বাহিৰে আন একো নহয়, কিয়নো অসমৰ পৰা বিদেশী বহিষ্কাৰ কৰাৰ কোনো আগ্ৰহ কেন্দ্ৰীয় চৰকাৰৰ থাকিব নোৱাৰে (কিয় নোৱাৰে সেই কথাও বহুতে ফঁহিয়াই দেখুৱাইছে, আমি ইয়াত সেই প্ৰসংগ টানি বাহুল্যৰ সৃষ্টি নকৰোঁ)। সমাৱেশ, বক্তৃতা, বন্ধ আদিৰ প্ৰয়োজন আন্দোলনৰ আৰম্ভণিতে হয়তো আছিল, যাৰ দ্বাৰা ছাত্ৰসকলে (ৰাইজৰ অকুণ্ঠ সহযোগিতাত) বিদেশী ভোটদাতা-কণ্টকিত নিৰ্বাচন বন্ধ কৰিছে আৰু সমস্যাটোক এটা "জাতীয় (সৰ্বভাৰতীয়) সমস্যা" বুলি স্বীকৃত কৰাইছে— তেল অৱৰোধ আদি কিছুমান অপূৰ্ব কাৰ্যপন্থাৰে সমস্যাটোৰ প্ৰতি আন্তৰ্জাতিক মনোযোগ আকৰ্ষণ কৰাইছে। কিন্তু তাতেই আন্দোলন সম্পূৰ্ণ নহয়, সেইবোৰ আন্দোলনৰ ঢাপ মাত্ৰ। একেকেইটা ঢাপতে উঠা-নমা কৰি থাকিলে সেইটো নহয়গৈ অৱশেষত এটা পশ্চাৎগামী ক্ৰিয়া, আৰু তাৰ ফল হয় হানিকৰ। এই কথাও আন্দোলনৰ নেতাসকলে ভালকৈয়ে উপলব্ধি কৰিছিল, আৰু নানাজন চিন্তাশীল ব্যক্তিয়ে বিস্তৃত আলোচনা কৰি দেখুৱাইছিল যে অৱশেষত অসমক বিদেশীমুক্ত কৰাৰ কামটো অসমীয়া মানুহেই কৰিব লাগিব (কেন্দ্ৰীয় চৰকাৰে কেতিয়াও নকৰে), আৰু "স্বাৱলম্বিতা"ই (সকলো অৰ্থত) তাৰ পথ। (অন্য পথ নোহোৱা নহয়, কিন্তু ইয়াত সেইবোৰ আলোচনা কৰিব খোজা নাই) আন্দোলনৰ পৰা উদ্ভূত নানাবিধ পৰামৰ্শৰ ভিতৰত এই "স্বাৱলম্বী আন্দোলন" আছিল আমাৰ বোধেৰে প্ৰকৃত কাৰ্যক্ষম পন্থা— আৰু সঁচাকৈয়ে সেই আন্দোলনত আন্তৰিকতাৰে লাগি থকাহেঁতেন আজি তিনি বছৰে বিদেশী বহুখিনি কমি গ'লহেঁতেন আৰু আমাৰ মনোবল বহুখিনি সবল হ'লহেঁতেন। "স্বাৱলম্বী"ৰ নামত কোনে টকা লুটিলে? স্বাৱলম্বী উদ্যোগ বন্ধ হ'ল কিয়? প্লাইউড অৱৰোধ কিয় এটা কেলেংকাৰী লৈ পৰিণত হ'ল? ইত্যাদি এশ এটা প্ৰশ্ন এই প্ৰসংগত উঠিব পাৰে, আৰু

তাৰ উত্তৰো কম-বেছি পৰিমাণে সকলোৰে জ্ঞাত, সেইবোৰ বাদ-বিসম্বাদৰ মাজলৈ আমি এতিয়া যাব খোজা নাই— কিন্তু এইটো এতিয়াও সত্য যে আমি "স্বাৱলম্বী" হ'ব নোৱাৰিলে অকল শ্ল'গান দি কোনো লাভ নাই। আৰু ইয়াত আমি "স্বাৱলম্বী" মানে অকল এইটোকে বুজা নাই যে ব্যৱসায়, খেতি আৰু চাকৰিৰ ক্ষেত্ৰত শূন্যস্থান পূৰাবলৈ বিদেশী আহিব নালাগিব, আমাৰ বুদ্ধি-বিবেচনা আৰু দিহা-পৰামৰ্শৰ ক্ষেত্ৰতো বিদেশীৰ প্ৰয়োজন বা এক্তিয়াৰ নাথাকিব, অৰ্থাৎ আমি সামাজিক/ৰাজনৈতিকভাৱেও স্বাৱলম্বী হ'ম।

অকল ব্যৱসায়-বাণিজ্যৰ কথাকেই যদি ধৰোঁ, বন্ধ আৰু সত্যাগ্ৰহ, বিক্ষোভ, ১৪৪ ধাৰা, কাৰ্ফিউ, ধৰ-পাকড় আদিৰ ফলত কিমান খিলঞ্জীয়া ক্ষুদ্ৰায়তন উদ্যোগ আৰু বেপাৰী যে ক্ষতিগ্ৰস্ত বা একেবাৰে ধ্বংস হৈ গৈছে, তাৰ হিচাব কৰা টান। গুৱাহাটীৰ কিছুমান ৰাস্তাত কেইবাখনো সৰু সৰু স্থানীয় মানুহৰ দোকান লোকচান ভৰি ভৰি উঠি যোৱা আমি নিজে দেখিছোঁ। আৰু সেইবোৰৰ ঠাইত বাংলাদেশী বেপাৰী ভৰি পৰিছে। অৰ্থাৎ, অন্তহীন আৰু উদ্দেশ্যহীন বন্ধৰ ফলত খিলঞ্জীয়া উদ্যোগৰ ক্ষতিতো হৈছেই, ওলোটাই বিদেশীৰ প্ৰাধান্য বাঢ়ি গৈছে, বাংলাদেশীৰ সংখ্যা বাঢ়ি গৈছে (আৰু বাঢ়ি গৈ আছে)। "বন্ধ" মানে হ'ল স্থানীয় উদ্যোগৰ মৃত্যু আৰু গাঁৱে-ভূঞে অত্যাচাৰ, ধৰপাকড়, ধৰ্ষণ, গুণী, কুমলীয়া ল'ৰা হত্যা। অন্তত অকল স্থানীয় উদ্যোগৰ খাতিৰতেই— অন্যবোৰ কথা, যেনে— ল'ৰা-ছোৱালীৰ শিক্ষাৰ ক্ষতি আদি গুৰুত্বপূৰ্ণ কথা আমি ইয়াত বাদেই দিছোঁ— আমি "বন্ধ"ৰ বিৰোধিতা কৰোঁ, "বাণিজ্যে বসতি লক্ষ্মী"য়েই অকল নহয়, আমাৰ বোধেৰে "বাণিজ্যে বসতি শক্তিঃ"ও। বিক্ষোভ, নিস্ফল সত্যাগ্ৰহ, দেহ-মন নিশকতীয়া কৰা অনশন আদিৰ ফলত ইমানদিন যি ঘটিছে সেয়া আন্দোলনৰ লক্ষ্যৰ ঠিক বিপৰীত— বাংলাদেশী এটাও কমা নাই, বাঢ়ি গৈছে।

সেয়ে 'আছু' আৰু গ.স.প.লৈ আমাৰ অনুৰোধ, তেওঁলোকে

এইবোৰ নিস্ফল কাৰ্যপন্থা আৰু দমন-দুৰ্গতিৰ মাজলৈ ৰাইজক ঠেলি নিদি তেওঁলোকেই হাতত লোৱা গঠনমূলক কাৰ্যাৱলীৰে আন্দোলন চলাই নিয়ক। যেনেকৈ (আশু প্ৰয়োজনীয়ৰ ভিতৰত) (ক) অসমীয়াবিৰোধী বাংলাদেশী দোকান-পোহাৰ বৰ্জন (নিতান্ত এৰাব-নোৱৰা অৱস্থাত বাদে) (খ) বাংলাদেশী বনুৱাক (ঘৰৰ কামত, খেতিৰ মাটিত, দিন হাজিৰা আদিও) বৰ্জন (গ) বিদেশীক মাটি বিক্ৰী কৰা/বন্ধ/বিদেশীৰ হাতলৈ যোৱা মাটি যথাসম্ভৱ পুনৰুদ্ধাৰ (ঘ) অসমবিৰোধী কাকত আলোচনী বৰ্জন, ইত্যাদি। (এইবোৰ লীজ দিয়া আমি প্ৰস্তাৱ কৰা নতুন কথা নহয়, আন্দোলনৰ সময়ৰ সৰ্বজন স্বীকৃত পৰামৰ্শ)। অন্ততঃ এইখিনি কৰিব পাৰিলেই ছয় মাহৰ ভিতৰত আমি দেখিম যে বুজন পৰিমাণৰ বিদেশী কমি গৈছে— আৰু ৰাইজে এইবোৰ কৰিব, যদি ছাত্ৰ সন্থা আৰু গ.স. পৰিষদে ৰাইজে আহ্বান দিয়ে, কিয়নো তেওঁলোকৰ ওপৰত ৰাইজৰ আস্থা এতিয়াও অটুট আছে।

নতুন কৌশল। আমাৰ পিনৰ পৰা আমি ক'ব খোজো যে আমি অকল এনেকুৱা কাৰ্যপন্থাতহে বিশ্বাসী যাৰে কাম হয় আৰু যাৰ দ্বাৰা আমাৰ মনোবল উন্নীত হয়, আৰু সেয়ে আমি সত্যাগ্ৰহ, বন্ধ, অনশন আদিৰ বিৰোধিতা কৰোঁ। সেয়ে আমি প্ৰস্তাৱিত ১৯ নৱেম্বৰৰ বন্ধতো সহযোগিতা নকৰোঁ আৰু ৰাইজৰ ওচৰত অনুৰোধ জনাওঁ, তেওঁলোকেও যেন এই বন্ধত সহযোগ নকৰে, বৰং তেওঁলোকে ছাত্ৰ সন্থাক আৰু গ.স.পক প্ৰকৃত ফলপ্ৰসূ কাৰ্যপন্থী ল'বলৈহে যেন বাধ্য কৰে। বাংলাদেশীৰ অভিযান এটা নিঃশব্দ অভিযান, আমাৰ নিস্ফল চিঞৰ-বাখৰৰ মাজত বাংলাদেশীয়ে অসমত নিজৰ সংখ্যা বঢ়াই গৈ আছে, আৰু তাৰ প্ৰতি-অভিযানো হ'ব লাগিব নিঃশব্দ।

# নিষ্প্ৰদীপ নকৰিবলৈ গোহাঁৰি

**সম্পাদক,**

**দৈনিক অসম, গুৱাহাটী**

'আছু' আৰু গ.স. পৰিষদে পুনৰ 'নিষ্প্ৰদীপ' পালনৰ আহ্বান দিছে অহা ১১ নৱেম্বৰ তাৰিখে। "বিদেশী নাগৰিকৰ প্ৰশ্নটো সমাধান কৰাত কেন্দ্ৰই পলম কৰাৰ প্ৰতিবাদ"ত এই "কাৰ্যসূচী" লোৱা হৈছে সিদিনা অসমত উপস্থিত হ'বলগীয়া প্ৰধানমন্ত্ৰীক দেখুৱাবৰ কাৰণে। আমি এই ধৰণৰ নিষ্প্ৰদীপ কাৰ্যসূচীৰ সদায় বিৰোধিতা কৰি আহিছোঁ, কিয়নো এইটো একেবাৰেই নিস্ফল, নিৰ্বোধ আৰু কাপুৰুযোচিত এটা কাৰ্য। প্ৰধানমন্ত্ৰীক কিবা ক'ব লগা থাকিলে সমুখাসমুখিকৈ ক'বৰ সাহস থাকিব লাগে, লাইট নুমুৱাই আন্ধাৰত বহি থাকিব নালাগে। আৰু ইন্দিৰা গান্ধী য'লৈ য'লৈ যাব তাত নিষ্প্ৰদীপ কৰাৰ সাধ্য আছু বা গ.স. পৰিষদৰ নাই, আৰু অসমৰ মানুহ ঘৰ-দুৱাৰ আন্ধাৰ কৰি জুপুকা মাৰি সোমাই থকাটো কিবাকৈ দেখিলেও ইন্দিৰা গান্ধীৰ বা কেন্দ্ৰীয় চৰকাৰৰ 'এইটো কি নপুংসকৰ কাৰ্য' বুলি তাচ্ছিল্য কৰাৰ বাহিৰে আন একো প্ৰতিক্ৰিয়া নহয়। এইটো আমি বাৰে বাৰে দেখি আহিছোঁ। ইন্দিৰা গান্ধী শ্বিলঙত থাকিলেও আমি গুৱাহাটীত ঘৰ-দুৱাৰ আন্ধাৰ কৰি বহি থাকোঁ, আনোৱাৰা টাইমুৰে দিছপুৰত

মন্ত্রিত্বৰ শপত ল'লেও আমি ঘৰে ঘৰে লাইট নুমুৰাই জুপুকা মাৰি থাকোঁ, কিন্তু ইন্দিৰা গান্ধী বা আনোবাৰা টাইমুৰক অন্ধকাৰত পেলোৱাৰ শক্তি আমাৰ নাই। 'নিজৰ নাক কাটি সতিনীৰ যাত্ৰা ভংগ কৰা'ৰ এই কাৰ্যসূচীৰ পৰা আমাৰ কি লাভ হৈছে ছা.স. বা গ.স. পৰিষদে কওক। 'এইটো আমাৰ প্ৰতিবাদ' বুলি ক'লে আমি নামানোঁ— এই প্ৰতিবাদ কোনে গ্ৰাহ্য কৰে? নিজৰ ক্ষতি আৰু জুলুমৰ বাহিৰে ইয়াৰ পৰা কি লাভ হয়। আমি বাৰে বাৰে কৈ আহিছোঁ যে ঘৰত কেঁচুৱা থাকিব পাৰে, বেমাৰী থাকিব পাৰে, অথবা মানুহ থাকিব পাৰে। জৰুৰী কাম থাকিব পাৰে— ঘৰ-দুৱাৰ ঘিটমিটীয়া আন্ধাৰ কৰি বহি থাকিলে কি পৰিস্থিতি হয় 'আন্দোলন'ৰ নেতাসকলে নাজানেনে? তাৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰ প্ৰভাৱিত হ'ব? আমাৰ মনোবল উন্নীত হ'ব? নহয়, তাৰ ওলোটাবোৰ হ'ব। কাৰবাৰ ঘৰত কিবা জৰুৰী প্ৰয়োজনত অকণমান পোহৰ ওলালেই উদণ্ড আছু সমৰ্থকসকলে শিল দলিয়ায়, অভদ্ৰামি কৰে, চিঞৰে— যেন তাৰ ফলত বিদেশী নাগৰিক বহিষ্কৃত হৈ যাব!

আচলতে, বিদেশী নাগৰিক বহিষ্কাৰ কৰাৰ শক্তি আছু বা গ.স. পৰিষদৰ নাই, কেন্দ্ৰীয় চৰকাৰৰো সেই কাম কৰাৰ বিন্দুমাত্ৰও ইচ্ছা নাই— যিটো কথা আমি বাৰম্বাৰ কৈছোঁ, আৰু আমাৰ যিবোৰ কথা সদায় সত্য প্ৰমাণিত হৈ আহিছে। যিটো কথা আছুৰেও কৈছে, গতিকে "প্ৰতিবাদ" কৰাৰ অৰ্থ কি? 'আছু' এতিয়া এটা ফেচিষ্ট মনোবৃত্তিৰ সংগঠন, বহুধা বিভক্ত, আৰু আমি স্থানান্তৰত পৰামৰ্শ আগবঢ়াইছোঁ যে বৰ্তমানৰ আছু আৰু গ.স. পৰিষদ ভাঙি নিদিলে অসমৰ চৰম সৰ্বনাশ আৰু বঙ্কানীকৰণ অনিবাৰ্য। এই দুটা অনুষ্ঠানৰ আত্মম্ভৰিতা আৰু নিৰ্বোধ কাৰ্যসূচীৰ ফলত অসমত কোনোদিনে নোহোৱা-নোপোজা সাম্প্ৰদায়িক সংঘৰ্ষ ঘটি অসমত তেজৰ নৈ বৈ গ'ল। আৰু ব্যাপক অবিশ্বাস আৰু বিদ্বেষেৰে বিভিন্ন থলুৱা জনগোষ্ঠীৰ মাজত বৈৰীভাৱ সিঁচি দিয়া হ'ল— এই অকল্যাণৰ বাবে কোন দায়ী, ৰাইজে বিবেচনা কৰি চাওক। অকল চৰকাৰক দোষ দি

থাকিলে কোনোদিনে তাৰ প্ৰতিকাৰ নঘটে। আৰু আমাৰ মনোবল? আমাৰ বিশেষকৈ ছাত্ৰৰ নৈতিক আৰু দৈহিক সাহস এতিয়া কোন বিন্দুত? সকলোৱে এই অৰ্থহীন 'বন্ধ' আৰু 'নিষ্প্ৰদীপ' বেয়া পায়, কিন্তু আমি কোনেও প্ৰতিবাদ কৰিবৰ সাহস নাৰাখো, কিজানি আমাক উঠি অহা ফেচিষ্ট ল'ৰাবোৰে (যাৰ মতে অসমৰ বিষয়ে অকল আছুৰেহে চিন্তা কৰিব পাৰিব বা কথা ক'ব পাৰিব, অন্য কোনেও তাৰ কোনোৰকম সমালোচনা বা বিৰোধিতা কৰিব নোৱাৰিব) ধৰি পিটে বা অপমান কৰে। এটা 'বন্ধ' পাতি দোকান-হাট সকলো বন্ধ কৰি দিয়াৰ মানে এইটো নহয় যে ৰাইজে সেই বন্ধ সমৰ্থন কৰিছে— আমি অধিকাংশই বেয়া পালেও ভয়তে বা অপ্ৰীতিকৰ পৰিস্থিতি এৰাবৰ বাবেই তাৰ বিৰোধিতা নকৰো— 'বন্ধ'ৰ দিনত বাংলাদেশী আৰু বাংলাদেশী সমৰ্থকৰ দোকান-পোহাৰো বন্ধ থাকে, তাৰ মানে কি তেওঁলোকে আছুৰ 'বন্ধ' সমৰ্থন কৰিছে?

আমি বাৰে বাৰে কৈছোঁ যে আমি এনেকুৱা কাৰ্যসূচীৰহে সমৰ্থক, যাৰ পৰা কাম হয়। আমি কচৰৎ বা চাৰ্কাছৰ কাৰ্যসূচীত বিশ্বাস নকৰোঁ। বিনা বাক্য ব্যয়ে আছু বা গ.স পৰিষদে খেয়ালখুচি মতে ঘোষণা কৰি যোৱা 'কাৰ্যসূচী'বোৰ মানি নলৈ পুনৰ বিবেচনা কৰাৰ সময় আহিছে। এইবোৰৰ ফলত কপটতা আৰু সুবিধাবাদ ভয়াল গতিত বাঢ়ি গৈছে— বিশেষকৈ ছাত্ৰৰ মাজত। গতিকে আমি ৰাইজক অনুৰোধ জনাওঁ যে তেওঁলোকে যেন ১১ তাৰিখে (বা তাৰ পাছতো) কোনো নিষ্প্ৰদীপ কাৰ্যসূচীত সহাঁৰি নিদিয়ে। ৰাইজে বৰং প্ৰশ্ন তোলক ঃ কিয় আমি নিষ্প্ৰদীপ কৰি জুলুমত ভুগিম? তাৰ পৰা আমাৰ কি লাভ হ'ব? আজিলৈকে কি লাভ হৈছে? ইতি—

৯.১১.'৮৩

# থামক !

বহু প্ৰশংসিত সাম্প্ৰতিক একুকি ইৰাণীয়ান কথাছবি প্ৰদৰ্শন কৰিব 'ছিনে-বাফ্ ছ'চাইটি'য়ে পাৰ্বতীপ্ৰসাদ ভৱনত আজি সন্ধিয়া ছয় বজাৰ পৰা— তাৰ সম্পাদকে অনুগ্ৰহ কৰি মোলৈ এখন আমন্ত্ৰণী পঠিয়াই দিছে, লগতে এখন পৰিয়াল প্ৰৱেশ-পত্ৰ। গতিকে সন্ধিয়াটো পাৰ কৰাৰ উপায় এটা ওলাল। অন্যথা, মোৰ দিন আৰম্ভ হৈছে নিয়মিতভাৱেই, এতিয়া মই ল'ৰা-ছোৱালী দুটিক সিহঁতৰ স্কুল-বাছৰ ষ্টপ্‌টোলৈ লৈ যাব ওলাইছোঁ। টেলিফোন বাজিল। বিমান, পুৰণি এজন স্কুলীয়া সহপাঠী। মোৰ স্বাস্থ্যৰ খবৰ লৈছে, কৈছে যে বহুদিন লগালগি হোৱা নাই, মই আজি এপাক তাৰ তাত সোমালে কেনে হয়? কলেজৰ পৰা অৱসৰৰ পিছত বিমানে এখন বাতৰি কাকতৰ দেওবৰীয়া আলোচনীখনৰ ভাৰ লৈছে, আজি তাৰ ছুটী। মোকো অৱসৰৰ পিছত এটা তথাকথিত 'ক'চিং ইন্‌ষ্টিটিউট' অৰ্থাৎ শিক্ষণ প্ৰতিষ্ঠানে অনুৰোধ কৰিছে তেওঁলোকক অলপ সহায় কৰি দিবলৈ, আজি মোৰ মাত্ৰ এটা ক্লাছ আছে দুপৰীয়া এক বজাত, গতিকে সময় ওলাব। ক'লোঁ, 'বেয়া নহ'ব, চাওঁ বাৰু কি কৰিব পাৰোঁ।' যাব ওলাওঁতে শ্ৰীমতীয়ে সোঁৱৰাই দিলে তেওঁৰ ঔষধ আৰু চেণ্ট এবিধৰ কথা— কেইখনমান বিশেষ দোকানতহে পোৱা যায়— আৰু ক'লে যে মিড্‌টাউন নাৰ্ছিং হোমলৈ গৈ যেন সৰলা পেহীক যেনে-তেনে এবাৰ দেখা কৰোঁ (সৰলা পেহী বাথৰুমত পৰি গৈছিল, সোঁ-

ভৰিৰ হাড় ভাঙিছে)। ক'লোঁ, 'হ'ব দিয়া, চেষ্টা কৰি চাম'। তাৰ পিছত স্কুল-বাছ ষ্টপ্— বাছখন ঠিক সময়মতে আহিছে (আনদিনৰ দৰেই), ল'ৰা-ছোৱালী দুটিক বাছত তুলি দি সিহঁতৰ আসনত বহি লোৱা চালোঁ, বাছ এৰি দিলে, তাৰ পিছত মোৰ গাড়ীত সোমালোঁ। তেনেতে চকুত পৰিল ৰাস্তাৰ সিপাৰৰ 'স্ন' হোৱাইট লণ্ড্ৰি'ৰ ছাইনব'ৰ্ডখন— অ', হয়তো, মোৰ লণ্ড্ৰিখিনি আনিব লগা হৈ আছে— গতিকে দেও দি দি ৰাস্তা পাৰ হ'লোঁ, লণ্ড্ৰিৰ বেগটো হাতত লৈ আকৌ পট্‌কৈ ইপাৰলৈ আহিলোঁ, গাড়ীত উঠিলোঁ, এনেতে শুনিলোঁ কোনোবাই মোৰ নাম ধৰি চিঞৰিছে— ঘূৰি চালোঁ, স্ন' হোৱাইটৰ ফলকখনৰ তলত উমাকান্ত, এজন পুৰণি সহকৰ্মী, হাত দাঙি মোক ৰ'বলৈ সংকেত দিছে। উমাকান্ত খৰধৰকৈ ৰাস্তা পাৰ হৈ মোৰ ওচৰলৈ আহিল— ভাল খবৰ আছে, তেওঁৰ ছোৱালীজনীৰ বাবে অৱশেষত এটি উপযুক্ত পাত্ৰ পোৱা গৈছে (গৰ্‌গৰ্‌কৈ কেইটামান খুটি-নাটি আওৰাই দিলে)। ক'লে যে ঘৈণীয়েকক লগত লৈ দুই-চাৰি দিনতে আনুষ্ঠানিকভাৱে নিমন্ত্ৰণ জনাবলৈ আহিব...তাৰ পিছত বিমানৰ ঘৰ, সমুখত গাড়ীখন পাৰ্ক কৰি থৈ ভিতৰ সোমালোঁ, ঘড়ী চালোঁ... বিমানৰ পাছত নাৰ্ছিং হোম, ফাৰ্মাচী, ইত্যাদি ইত্যাদি... দুপৰীয়াৰ আহাৰৰ বাবে ঘৰলৈ... সন্ধিয়া শ্ৰীমতীৰ লগত সান্ধ্য-চফৰ— ছিনে-বাফ্ সমিতিৰ ব্যগ্ৰ, উৎসাহী সদস্যসকল— ইৰাণীয়ান কথাছবি, সঁচাকৈয়ে অপূৰ্ব— চাওঁতে চাওঁতে নটা বাজিবৰ হ'ল, শ্ৰীমতীয়ে ক'লে যে তেওঁৰ ভোক লাগিছে, সেই যে খ্ৰীষ্টানপাৰাৰ নিৰামিষ দোকানখন, উড্‌ফিল্ড, প্লেইছ, তাত এটা ডোছা বা এটা কাট্‌লেট খাই ল'লে কেনে হয়— মই ক'লোঁ, 'অ', মোকো ভোকে পাইছে, বোধহয় ভাল চিনেমা চালে ভাল ভোক আহে'— গতিকে উড্‌ফিল্ডৰ সমুখত গাড়ীখন পাৰ্ক কৰি থৈ ভিতৰ সোমালোঁ, অনুজ্জ্বলভাৱে আলোকিত বাতানুকূল অভ্যন্তৰ— ডোছাটোও বেছ ভাল— তাৰ পিছত ঘৰমুৱা, ওখ ওখ লাইটবোৰৰ তলত পৰিষ্কাৰ, মুকলি ৰাস্তা ঝক্‌ঝক্ কৰিছে, উত্তৰ পিনৰ পৰা পাতল বতাহ বলিছে, গতিকে গাড়ীৰ এ.চিটো বন্ধ কৰি দি খিৰিকীৰ কাঁচবোৰ নমাই দিলোঁ, জুবিন গাৰ্গৰ

শেহতীয়া ৰেকৰ্ডখন চলাই দিলোঁ.....মসৃণ। প্ৰীতিদায়ক ঘৰযাত্ৰা.... আঃ, সঁচাই, আমি বাস কৰিছোঁ মনোজ্ঞ সময়ত, এখন সুসভ্য সমাজত...

* * * *

অৱশ্যেই, এই সকলোবোৰ হ'ল গল্প, মনেসজা কাহিনী। কল্পনা-বিলাস। আচল ছবিখন এনেকুৱা ঃ

গাড়ী উলিয়াই আনি ঘাই ৰাস্তা পালোঁ, দিনটোৰ প্ৰথম বিপৰ্যস্ত ভাবৰ অভিজ্ঞতাৰ সন্মুখীন হ'লোঁ— গাড়ী, বাইক, চাইকেল, বাছ, ট্ৰাক, ঠেলা, অটোৰ অন্তহীন সোঁতে বন্ধ কৰি পেলাইছে ৰাস্তা— মই ছট্‌ফট্ কৰোঁ, শাওপাত দিওঁ, গালাগালি দিওঁ— পিছপিনৰ ছীটত ল'ৰা-ছোৱালীহাল ভয়তে পেপুৱা লাগে, সিহঁতৰ স্কুল বেগ খামুচি ধৰে— অপেক্ষা, অপেক্ষা, অপেক্ষা— ক্ৰমান্বয়ে অধৈৰ্যৰ পৰা অধৈৰ্যতৰ— অৱশেষত ক'ৰবাৰ পৰা এখন প্ৰকাণ্ড 'ৰিকভাৰী ভেন' নে কিবা মন্থৰ জোঁকাৰণি মাৰি মাৰি আহি ওলায়, ফলত তাৰ পিছপিনৰ যান-বাহনবোৰে বাধ্য হৈ তাৰ পৰা এটা নিৰাপদ দূৰত্ব বজাই ৰাখি বেগ কমাই দিয়ে, তেনেকৈ সৃষ্টি হোৱা ফাঁকখিনিৰ মাজলৈ মই মৰীয়া হৈ মোৰ গাড়ী চুটাই দিওঁ, বিশাল যন্ত্ৰদানৱটোৰ পিছে পিছে গৈ থাকোঁ— অৱশেষত স্কুল-বাছৰ ষ্টপ্, কিন্তু তাত ৰ'বলৈ নাই কোনো ঠাই, ষ্টপ্‌টোৰ দুয়োপিনে গাড়ী আৰু বাইকৰ ছিদ্ৰহীন ঘন শাৰী, গতিকে কেইবাটাও বিল্ডিং পাৰ হৈ বেছ কিছুদূৰলৈ আগুৱাই যাওঁ; কোনোমতে বিশৃংখল ঠেলাকেইখনমানৰ মাজত গাড়ী ৰাখিবলৈ জাগা অলপ পাওঁ, গাড়ীৰ পৰা নামি বাছলৈ ওভতোঁ, ল'ৰা-ছোৱালীহালে ফোঁপাইছে, ভয় খাইছে যে বাছখন নাপাব ('মিছ' কৰিব)— কিন্তু নাই, বাছখন আহি পোৱা নাই ('লেইট' আছে)। যিটো প্ৰায়ে ঘটে, সৰ্বক্ষণ যিহে যান-জঁট, তেনে নঘটিবই বা কিয়— গতিকে আমি বাছলৈ বুলি ৰওঁ, লানি নিছিগা যানপ্ৰবাহৰ হৰ্ণৰ সজোৰ ভেপু আৰু 'খ্ৰিইছ্ছ' কৈ মৰা কৰ্কশ ব্ৰেকে আমাৰ কাণ কলা কৰি দিয়ে, গাড়ী আৰু দুচকীয়াৰ 'এক্সহষ্ট'বোৰৰ বিষাক্ত ধোঁৱাই আমাৰ নাক আৰু হাওঁফাওঁ

ভৰাই দিয়ে— অৱশেষত স্কুল-বাছ— অ', হয়, ৰাস্তাৰ সিপাৰৰ স্ন' হোৱাইট লণ্ড্ৰিখন মোৰ চকুত পৰিছে, সঁচা, মনত খেলাইছে যে মোৰ লণ্ড্ৰিখিনি বোধহয় নিব পৰা হৈছে, সেইটোও সঁচা, কিন্তু তেতিয়া 'দেও দি' ৰাস্তা পাৰ হোৱাৰ কোনো প্ৰশ্নই নাহে, কিয়নো শ শ যান-বাহন উৰ্দ্ধশ্বাস গতিত বাম্পাৰত বাম্পাৰ লগাই ধাবমান হোৱা দৃশ্যই মনলৈ আনি দিয়ে ভয়বিহ্বল শিহৰণ— আজিকালি ৰাস্তা পাৰ হোৱাটো যেন বৈতৰণী পাৰ হোৱাৰ দৰে কথা, অথবা গ্ৰীক পুৰাণৰ অন্ধকাৰ পাতাল নদী ষ্টিক্স (Styx)— মই সিদ্ধান্ত কৰি পেলালোঁ যে মোৰ লণ্ড্ৰিখিনিতকৈ মোৰ প্ৰাণটো বেছি মূল্যবান। গতিকে তৎক্ষণাত সেই চিন্তা বাদ দিলোঁ— আৰু হয়, সিপাৰৰ ফুটপাথত উমাকান্তকো এবাৰ চকামকাকৈ দেখা পাইছিলো, কিন্তু তেওঁৰ চাৰিওপিনৰ পথচাৰীবোৰৰ মাজত তেওঁ নিমিষতে হেৰাই গ'ল, আৰু তেওঁ যদি মোৰ নাম ধৰি চিঞৰিছিলো সেইটো এই গণ্ডগোল আৰু হাই-উৰুমিৰ মাজত মই শুনা পোৱাটোও সম্ভৱ নাছিল, আৰু তেওঁও নিশ্চয় ইমান মৰ সাহসী নহয় যে 'ৰাস্তা পাৰ হৈ আহি যাব' (যেন ভাবিলেই পাৰিব!) ....আৰু মোৰ অন্যান্য গন্তব্য স্থানবোৰতো ৰূপায়িত হ'ল একেই ধৰণৰ চিত্ৰনাট্য— বিমানৰ ঘৰৰ সমুখ ছানি ধৰিছে গাড়ী আৰু দুচকীয়া যানে, গতিকে বাধ্য হৈ এক কিলোমিটাৰমান আগুৱাই যাব লগাত পৰিলোঁ গাড়ী ৰাখিব পৰা ঠাই এটুকুৰা পাবলৈ, বুজিলোঁ যে এতিয়া ইয়াৰ পৰা খোজকাঢ়ি বিমানৰ ঘৰলৈ গৈ কথা পাতি বা চাহ খাই একো আনন্দ নাপাম, গতিকে মোৰ ম'বাইল ফোনটো বাহিৰ কৰি লৈ বিমানক ক'লোঁ যে বিধাতাই কৰিলে আমাৰ দেখা-দেখি নিশ্চয় হ'ব, হয়তো গহীন মাজনিশা বা কোনোবা অসম বন্ধৰ মাজত, কোনে জানে... ফাৰ্মাচী আৰু নাৰ্ছিং হোমতো প্ৰায় তেনেকুৱাই অৱস্থা, কিন্তু অৱশ্যেই, সৰলা পেহীক দেখা নকৰিলেও নহ'ব, গতিকে নাৰ্ছিং হোমৰ গে'টৰ পৰা বহু আলোকবৰ্ষ দূৰত গাড়ীখন পাৰ্ক কৰি থৈ ঠাঁহ খোৱা গাড়ী আৰু উদ্বিগ্ন আগন্তুকসকলৰ ভিৰৰ মাজে মাজে কোঁচ-মোচ খাই খাই গৈ পেহীৰ ৱাৰ্ডটোত সোমালোঁ....

আৰু এনেদৰে পাৰ হ'ল আৰু এটি ভগ্নোৎসাহ দিন, মই নিজে সম্পূৰ্ণ বিপৰ্যস্ত আৰু একেবাৰে অসুখী, আৰু তাৰ পিছত আহিল সান্ধ্য-অভিযাত্ৰাৰ দুঃচিন্তা— গৃহিণীক লগত ল'লোঁ (বোলো তেওঁৰো অলপ স্ফূৰ্তি-তামাছা হওক)— নব্য-ধনিকসকল তেতিয়া বাহিৰ হৈছে তেওঁলোকৰ ৰঙিয়াল নৈশ উদ্‌যাপনৰ বাবে, চিক্‌চিকীয়া গাড়ীবোৰ চুটাইছে দুৰ্দাম বেগত (ৰাস্তাৰ ষ্ট্ৰীট-লাইট থাকক বা নাথাকক), হে'ড্ লাইটবোৰ কেতিয়াও কমাই নিদিয়ে। ('ডিম্' নকৰে), ৰাস্তা ঠাঁহ খাই পৰিছে বহলে বহলে তিনিখনকৈ গাড়ীৰে, চাৰিখনকৈ গাড়ীৰে, তাৰ ফলত এটা দৈত্যাকাৰ যান-জঁটৰ সৃষ্টি হৈ সব গাড়ী ৰৈ গৈছে— মেজাজ চৰি গৈছে, তীক্ষ্ণ হৰ্ণে বাৰংবাৰ ক্ৰুদ্ধ ভেপু দিছে, শাওপাত আৰু গালি-গালাজ, আৰু এই বিশৃংখলাৰ মাজতে গাড়ীবোৰৰ ফাঁকে ফাঁকে হুচ্‌কৈ মটৰ চাইকেলেৰে একা-বেঁকা দুঃসাহসিক ঝম্প দি ওলাইছে-সোমাইছে যমক পৰোৱা নকৰা দুটামান ডেকা ল'ৰা। পিন্ধনত দামী জীন্‌ছ্, চালিকাশক্তি হয়তো সুৰা (বা হয়তো তেওঁলোকৰ পুৰুষ-হৰ্মন্ টেষ্ট'ষ্টেৰন্— Testosterone-য়েই যথেষ্ট) এই উদ্দাম মটৰ-বাইক নৃত্যৰ আগত যেন 'বে'ন্ হুৰ্' কথাছবিৰ বিখ্যাত ৰথ দৌৰো নিষ্প্ৰভ!— অৱশেষত যেতিয়া বিভিন্ন যান-জঁট অতিক্ৰম কৰি দীঘলীপাৰ ৰোডৰ ভাঁজটো ঘূৰিলোঁ (য'ত চিনে-বাফৰ সদস্যসকলে সন্ধিয়াৰ অনুষ্ঠানটো পাতিছে), তেতিয়া প্ৰায় ৬টা ৪৫, অৰ্থাৎ ইৰাণীয়ান ফিল্মখনৰ আধা পাৰ হৈ গৈছে, গতিকে আৰু কিছু গালি-শপনি পাৰি গাড়ী ঘূৰালোঁ— আৰু হয়, আমাৰ দুয়োৰে তেতিয়া ভোক লাগিছে (ফিল্মখনৰ পৰা নহয়, সেইখনতো চোৱাই নহ'ল, বৰং পৰাজয়ৰ বিফলতাখিনিৰ পৰা), গতিকে ওলালোঁ উড্‌ফিল্ড ৰেষ্টুৰেণ্টখনলৈ, তাতে বন্যভাৱে কিবা এটাত কামোৰ দি দি খংখিনি মাৰ নিয়াম— অৱশ্যে তাতো আহি পৰিল গাড়ী ৰখাৰ অৱশ্যম্ভাৱী সমস্যা— ওচৰৰে 'মেগামাৰ্ট'খনত দুটামান খালী ঠাই আছে, কিন্তু আমি তাত গাড়ী পাৰ্ক কৰিব নোৱাৰোঁ— কিন্তু দূৰ চালা গুলী মাৰ্, নিয়মবোৰতো বনোৱা হয় অমান্য কৰিবৰ বাবে, নহয় জানো—

গতিকে ‘মেগামার্ট’তে বে-আইনীভাৱে গাড়ী সুমুৱাই দি আমি খাবলৈ বহোঁ। আমাৰ সামাজিক জীৱন এফলীয়াকৈ আঁতৰাই থওঁ, আমাৰ সাংস্কৃতিক জীৱন পাহৰণিৰ আৱৰ্জনালৈ দলিয়াই দিওঁ, আমি খাওঁ আৰু জীৱন নিৰ্বাহ কৰোঁ....তাৰ পিছত ঘৰমুৱা যাত্ৰা....আ, সঁচাই, আমি বাস কৰোঁ প্ৰীতিদায়ক পৰিৱেশত, এখন সুসভ্য সমাজত, নহয় জানো?...

* * * *

কেনেকৈ আহিল এই দুখ লগা কিন্তু ভয়াৱহ পৰিস্থিতি, য'ত আমি য'লৈ যাব খোজোঁ তালৈ যাব নোৱাৰোঁ, য'ত ৰ'ব খোজোঁ তাত ৰ'ব নোৱাৰোঁ? যিটো কৰিব খোজোঁ সেইটো কৰিব নোৱাৰোঁ? কেনেকৈ আহিল এই দৃশ্য, য'ত চহৰখন দেখা যায় যেন গাড়ী আৰু বাইকৰ এটা নিৰৱচ্ছিন্ন দ'ম, য'ৰ নাগৰিক হ'ল এই ব্যূহৰ পৰা কোনোমতে প্ৰাণ ৰক্ষা কৰি ওলাই আহিবৰ চেষ্টাত ব্যতিব্যস্ত? সকলোৱে জানে যে নাগৰিকৰ এই দুৰ্দশাৰ কাৰণ হ'ল সৰ্বত্ৰ দুৰ্নীতিৰ পয়োভৰ, যাৰ ফলত আইনৰ ৰাজত্ব স্খলিত। আৰু দুৰ্নীতিৰ মূল হ'ল লোভ, খঁক। একেবাৰে নীতিবিবৰ্জিত আৰু অৰ্থলিপ্সু ৰাজনীতিকৰ কুচক্ৰ তথা অন্যান্যৰ লগত সেইবোৰ দলৰ অতীব অৰ্থপিপাসু গোটটো হ'ল মটৰ গাড়ীৰ নিৰ্মাতাসকল। তেওঁলোকৰ খঁক হ'ল অতোষণীয় আৰু অন্তহীন, তেওঁলোকক লাগে মাথোঁ টকা আৰু টকা, তাৰ বাহিৰে আন কোনো কথালৈ ভ্ৰূক্ষেপ নাই। আৰু তেওঁলোকে আৱিষ্কাৰ কৰিছে মহানন্দে যে ভাৰতবৰ্ষৰ সকলো অঞ্চলৰ ভিতৰত অসমতেই লুট কাৰ্য চলাই যোৱাটো আটাইতকৈ সহজ— মানুহবোৰ সহজে ঠগিব পাৰি, চৰকাৰক অতি সহজে ঘোচ খুৱাব পাৰি, ৰাজনৈতিক দলবোৰ উদাসীন, বাতৰি কাকতবোৰ জনসাধাৰণৰ স্বাৰ্থৰ প্ৰতি নিস্পৃহ আৰু নীতিৰ কোনো বালাই যাৰ নাই, মাথোঁ বিজ্ঞাপন পাবলৈ ব্যগ্ৰ। চহৰত যান-বাহনৰ অসহনীয় বোজা জাপি দিয়াৰ ফলত যে নাগৰিক জীৱনৰ মান অতল গৰ্ভলৈ নামি গৈছে, সেই কথা যেন কাৰো গাতেই নালাগে, মটৰ গাড়ীৰ বহুজাতিক নিগমবোৰৰ কথাতো ক'বই নালাগে। তেওঁলোকৰ তীখা আছে আৰু কাৰখানা আছে,

তেওঁলোকৰ একমাত্ৰ লক্ষ্য হ'ল এই যে তেওঁলোকৰ আৱৰ্জনাবোৰ অসমত জাপি দিব লাগে, আমাৰ চহৰবোৰে যে এই বোজা আৰু ব'ব নোৱাৰে সেই কথাত কাৰ মাথাব্যথা। মটৰ গাড়ীৰ নিগমবোৰে কুমলীয়া মনৰ প্ৰভাৱপ্ৰৱণ ডেকা ল'ৰাহঁতক আৰু 'নতুন ধনী'সকলক (যিসকলে টকা উপাৰ্জন কৰা নাই কিন্তু টকা কৰিছে) বুৰাই দিছে পৃষ্ঠাজোৰা বহুৰঙী আগ্ৰাসী বিজ্ঞাপনেৰে আৰু টিভি প্ৰচাৰেৰে নিজৰ ঢোল কোবাই, যে তেওঁলোকৰ গাড়ীবোৰ হ'ল 'সম্ভ্ৰান্ত কুল'ৰ আৰু আধুনিকতাৰ ধাৰাদৰ্শী, এইবোৰে আৰোহীক দিয়ে মহানায়ক-সুলভ 'পৌৰুষতা' আৰু 'শক্তিসবল মুষ্ট্যাঘাত (power punch)', এনেবোৰ অগৰং বগৰং মাথা মুণ্ড, লগতে বিভিন্ন লোভনীয় আকৰ্ষণ ঃ ৰেহাই, উপহাৰ, প্ৰলোভন আৰু কত কি (যদিও সেইবোৰত প্ৰচ্ছন্ন থাকে স্বল্পবিবৃত চৰ্ত), আৰু অৱশ্যেই, তেওঁলোকৰ অভিপ্ৰেত 'চিকাৰ'সকলে এইবোৰ গিলি খায় গোটে গোটে। প্ৰায়ে কাগজত ছবি দেখা যায়, মটৰ গাড়ী উদ্যোগৰ কোনো মুখ্য কাৰ্যবাহী বিষয়াই তেওঁলোকৰ কিবা নতুন জক্‌মকীয়া গাড়ী উদ্বোধন কৰিছে, কাষতে গাড়ীৰ দুৱাৰত হাত দি থিয় হৈ আছে এজনী স্বল্পবসনা ছোৱালী, মুখ্য বিষয়াজনৰ লোলুপ মুখখনৰ পৰা যেন লেলাৱতি নিগৰি পৰিছে, ধাৰণা হয় যেন চুই চালে দেখিম ফটোখন তিতি গৈছে।

* * * *

কিন্তু অকল অভিযোগ আৰু সমালোচনা কৰি থাকিলেইতো নহ'ব। এতিয়া যিবোৰ ব্যৱস্থা লোৱা হৈছে সেইবোৰ হ'ল জোৰা-টাপলি মাৰি কোনোমতে চলাই দিয়াৰ চেষ্টা— যেনে, য'তে-ত'তে 'ন' এণ্ট্ৰি' বা 'ন' পাৰ্কিং' ফলক লগাই দিয়া হৈছে, যাৰ ফলত একো সকাহ পোৱা যোৱা নাই। ফ্লাইঅ'ভাৰবোৰৰ পৰাও যান-বাহনৰ সংখ্যা লাঘৱ হোৱা নাই; ইন্ধনৰ দাম বঢ়াই দিলেও ৰাস্তাত গাড়ীৰ সংখ্যা নকমে, লিটাৰত এশ টকা হ'লেও মানুহে পেট্ৰ'ল কিনিবই।

আমাৰ পৰামৰ্শ এই ঃ

১. ঘৰে ঘৰে দু চকীয়া আৰু মটৰ গাড়ীৰ সংখ্যাৰ এটা সমীক্ষা

লোৱা হওক, আৰু এটি বুজনধৰণৰ মাপকাঠি প্ৰয়োগ কৰি নিৰ্ধাৰণ কৰা হওক এটা পৰিয়ালক কেইখন যান লাগে। বয়সস্থ স্বামী-স্ত্ৰীক হয়তো এখন গাড়ী লাগিব, কিন্তু স্কুলীয়া ল'ৰা-ছোৱালীয়ে বাছত অহা-যোৱা কৰিব পাৰিব, বা চাইকেল চলাব। এজন ডাক্তৰক এখন গাড়ী লাগিব, কিন্তু তেওঁৰ স্ত্ৰীৰ হয়তো গাড়ী নহ'লেও চলিব। কৰ্মস্থান যদি ঘৰৰ পৰা দূৰত তেনেহ'লে ঘৰৰ আবাসীয়ে এখন স্কুটাৰ ল'ব পাৰে, কিন্তু ঘৰৰ কলেজীয়া ল'ৰা-ছোৱালীয়ে কলেজলৈ মটৰ বাইক চলাই যাব নালাগে। ইত্যাদি। এইবোৰ পৰিসংখ্যাৰ ভিত্তিত নিৰ্ধাৰণ কৰা হওক (দৰকাৰ হ'লে আইন প্ৰণয়ন কৰি) এটা বাধ্যতামূলক নীতি, যাৰ দ্বাৰা প্ৰতিটো ঘৰত দুচকীয়া আৰু মটৰ গাড়ীৰ সংখ্যা সীমিত কৰা যাব।

২. ছিংগাপুৰ, হংকং আদি ঠাইত হেনো (সঠিক নাজানো) যোৰ নম্বৰ-প্লেটৰালা গাড়ীবোৰ চলে এদিন বাদে এদিন, যেনে সোমাবাৰে, বুধবাৰে আৰু শুকুৰবাৰে, আৰু বেযোৰ নম্বৰ প্লেটৰালা গাড়ী চলে মঙলবাৰে, বৃহস্পতিবাৰে আৰু শনিবাৰে। আমাৰ ইয়াতো হয়তো তেনেকুৱা কিবা এটা কৰি চাব পাৰি। দেওবাৰে কি কি কৰা যায় সেইটো ৰাজহুৱা মতামতেৰে ঠিক কৰা হওক।

৩. অন্ততঃ দুবছৰৰ বাবে মটৰ গাড়ী আৰু (চাইকেল বাদ দি) আন দুচকীয়া যানৰ বিক্ৰীৰ ওপৰত নিষেধাজ্ঞা (Moratorium) বা স্থগিতাজ্ঞা বলৱৎ কৰা হওক। গাড়ী আৰু দুচকীয়াৰ সকলো বিজ্ঞাপন বন্ধ কৰা হওক। বহুজাতিক নিগমবোৰে আপত্তি তুলিব যে তেওঁলোকৰ কেঁচামাল আৰু কল-কাৰখানা এনেয়ে পৰি থাকিব, তেওঁলোকৰ বিৰাট লোকচান হ'ব। সেইটো তেওঁলোকৰ সমস্যা, কিন্তু আচলতে তিমান লোকচান নহয়— তেওঁলোকৰ উৎপাদন-সুবিধাৰে তেওঁলোকে চাইকেল, ট্ৰেক্টৰ, এম্বুলেন্স, ষ্টাফ্-বাছ আদি বনাব পাৰিব। কিন্তু মটৰ গাড়ী আৰু দুচকীয়াৰ ক্ষেত্ৰত এটা দুবছৰীয়া নিষেধাজ্ঞা বলৱৎ কৰাৰ কামটো একেবাৰে জৰুৰী। তাৰ বাহিৰে ৰাস্তাত গাড়ী কমোৱাৰ বিকল্প নাই।

৪. পেট্ৰ'ল আৰু ডিজেলৰ ৰেশ্যনিং হওক।

৫. পথচাৰী, গাড়ী-মালিক, বিশেষজ্ঞ, জনসাধাৰণৰ পৰামৰ্শ আহ্বান কৰা হওক।

* * * *

এই দীঘলীয়া আলোচনাখিনিৰ কিবা 'নীতিকথা' আছে নেকি? যদি আছে, তেনেহ'লে হয়তো এনেকুৱা ঃ

'আকাশী গংগা বিচৰা নাই', বিচাৰিছোঁ মাথোঁ সামান্য এইখিনি ঃ যাব খোজা ঠাইলৈ যেন যাব পাৰোঁ, ৰ'ব খোজা ঠাইত যেন ৰ'ব পাৰোঁ; মাজে-সময়ে বন্ধু-বান্ধৱ, আত্মীয়-স্বজনক যেন লগ পাব পাৰোঁ; জৰুৰী কামত (যেনে পৰীক্ষা বা হাস্পতাললৈ) অহা-যোৱা কৰিব লাগিলে যেন আহুকাল নাপাওঁ; মন গ'লে ভাল চিনেমা এখন যেন চাব পাৰোঁ....■

*'অন্বেষা'ৰ ষষ্ঠ শিশু আৰু গ্ৰন্থৰ বসন্ত উৎসৱ (২০০৮)ৰ স্মৰণিকাত প্ৰকাশিত মূল ইংৰাজী নিবন্ধ 'Halt'-ৰ লেখককৃত অনুবাদ।*

চলিহাৰ চিঠি আৰু অন্যান্য ৰচনা

সৌৰভ কুমাৰ চলিহা অনুৰাগী সমাজ
শহীদ পথ, বেলতলা, গুৱাহাটী- ২৮
www.sauravkumarchaliha.in
ফোন ঃ ৯৮৫৪২৭১৫৮৫